www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা


❒ PRGI REGD. NO. (Title) : ASSASS01389

‘সপোন সেইটো নহয়,যিটো মানুহে শুই শুই দেখে। সপোন সেইটোহে-যিয়ে মানুহক শুবলৈ নিদিয়ে। - ড॰ এ. পি. জে. আব্দুল কালাম’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - ‘অসম বাৰ্তা’ গোষ্ঠী -

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ১৬৯ ❒ বৃহস্পতিবাৰ ❒ ৭ আগষ্ট, ২০২৫ চন ❒ ২১ শাওন, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 169 ❒ Thursday ❒ 7th August, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

## কাশ্মীৰ সমস্যাই ভাৰত-পাকিস্তানৰ উত্তেজনাৰ মূল কাৰণ ঃ শ্বাহবাজ শ্বৰীফ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ আগষ্ট ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে দাবী কৰিছে যে কাশ্মীৰ সমস্যাই ভাৰতৰ সৈতে পাকিস্তানৰ সম্পৰ্কৰ উত্তেজনাৰ প্ৰধান কাৰণ। ২০১৯ চনৰ ৫ আগষ্টত ভাৰত চৰকাৰে জম্মু-কাশ্মীৰৰ বিশেষ মৰ্যাদা প্ৰদানকাৰী ৩৭০ অনুচ্ছেদ বাতিল কৰি ৰাজ্যখনক জম্মু-কাশ্মীৰ আৰু লাডাখ নামে দুটা কেন্দ্ৰীয় শাসিত অঞ্চলত বিভক্ত কৰাৰ সিদ্ধান্তৰ সমালোচনা কৰি শ্বৰীফে এই মন্তব্য প্ৰকাশ কৰিছে। ভাৰতৰ এই পদক্ষেপৰ বিৰুদ্ধে পাকিস্তানে কড়া প্ৰতিবাদ জনাই আহিছে। পাকিস্তানে ৫ আগষ্টৰ দিনটোক ‘ইয়ুম-আই-ইষ্টেহছাল’ হিচাপে পালন কৰে, যিটো তেওঁলোকৰ মতে কাশ্মীৰৰ প্ৰতি ভাৰতৰ ‘অন্যায়’ৰ বিৰুদ্ধে প্ৰতিবাদৰ দিন। এই উপলক্ষে পাকিস্তানৰ চাৰিওখন প্ৰদেশ আৰু পাকিস্তান অধিকৃত কাশ্মীৰত বিশেষ পদযাত্ৰা আৰু অনুষ্ঠানৰ ▸▸৬ পৃষ্ঠাত



## খিলঞ্জীয়াক সুৰক্ষাৰ বাবেহে অস্ত্ৰৰ অনুজ্ঞাপত্ৰ ঃ মুখ্যমন্ত্ৰী

**অসম বাৰ্তা, গুৱাহাটী, ৬ আগষ্ট ঃ** অসমৰ স্পৰ্শকাতৰ আৰু দুৰ্গম অঞ্চলত বসবাস ▸▸৬ পৃষ্ঠাত

## অমিত শ্বাহৰ বিৰুদ্ধে অপমানজনক মন্তব্য; ৰাহুল গান্ধীক আদালতৰ জামিন



**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ আগষ্ট ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰাৰ অভিযোগত জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক ঝাৰখণ্ডৰ চাইবাছাৰ এক আদালতে বুধবাৰে জামিন প্ৰদান কৰিছে। ২০১৮ চনত চাইবাছাত এক সভাত শ্বাহৰ বিৰুদ্ধে কৰা মন্তব্যৰ বাবে মানহানিৰ গোচৰত অভিযুক্ত গান্ধী বুধবাৰে পুৰা আদালতত হাজিৰ হৈছিল। ২০১৮ চনত চাইবাছাত অনুষ্ঠিত এক সভাত ৰাহুল গান্ধীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে অপমানজনক ▸▸৬ পৃষ্ঠাত

### ভাৰতৰ পৰা আমদানি কৰা সামগ্ৰীৰ ওপৰত অতিৰিক্ত ২৫ শতাংশ বাণিজ্যিক শুল্ক আৰোপ

# ভাৰতৰ ওপৰত প্ৰতিশোধমূলক শুল্ক আৰোপ আমেৰিকাৰ

### ▪ মুঠ শুল্কৰ হাৰ ৫০ শতাংশলৈ বৃদ্ধি ▪



**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ আগষ্ট ঃ** মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে বুধবাৰে ভাৰতৰ পৰা আমদানি কৰা সামগ্ৰীৰ ওপৰত অতিৰিক্ত ২৫ শতাংশ বাণিজ্যিক শুল্ক আৰোপৰ ঘোষণা কৰিছে, যাৰ ফলত মুঠ শুল্কৰ হাৰ ৫০ শতাংশলৈ বৃদ্ধি পাইছে। এই নতুন শুল্ক আজিৰ পৰা ২১ দিনৰ পিছত কাৰ্যকৰী হ'ব। ▸▸৬ পৃষ্ঠাত

## মিঞা সম্প্ৰদায় অসমীয়া সমাজৰ এক অবিচ্ছেদ্য আৰু আদি অংশঃ কংগ্ৰেছী মুখপাত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ আগষ্ট ঃ** কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ ইমদাদ হুছেইন বুধবাৰে অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত তীব্ৰ আক্ৰমণ কৰে। তেওঁ উজনি অসমত মিয়া মুছলমান সম্প্ৰদায়ৰ ওপৰত চলি থকা অভিযানৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে। চৰকাৰে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ ▸▸৬ পৃষ্ঠাত

## অনলাইন প্ৰৱঞ্চনাৰ বিৰুদ্ধে কঠোৰ; হাজাৰ হাজাৰ চিম কাৰ্য বন্ধ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৬ আগষ্ট ঃ** ভাৰত চৰকাৰে অনলাইন প্ৰৱঞ্চনাৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। শেহতীয়া তথ্য অনুসৰি, চিম কাৰ্ড প্ৰদানৰ নিয়ম কঠোৰ কৰাৰ লগতে প্ৰৱঞ্চক চিনাক্তকৰণ আৰু ▸▸৬ পৃষ্ঠাত

### অবৈধ বাংলাদেশী চিনাক্তকৰণ আৰু বিতাড়নৰ দাবী

## ১৮ আগষ্টত উত্তৰ-পূৰ্বাঞ্চলত নেছ'ৰ প্ৰতিবাদ



**অসম বাৰ্তা, গুৱাহাটী, ৬ আগষ্ট ঃ** উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সংগঠন (নেছ)ৰ নেতৃত্বত অবৈধ বাংলাদেশীৰ চিনাক্তকৰণ আৰু বিতাড়নৰ দাবীত আগামী ১৮ আগষ্টত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যত প্ৰতিবাদী কাৰ্যসূচী পালন কৰা হ'ব। বুধবাৰে গুৱাহাটীৰ হোটেল প্ৰাগ ▸▸৬ পৃষ্ঠাত

### উত্তম গগৈৰ হত্যাকাণ্ডৰ তদন্তত চাঞ্চল্যকৰ তথ্য

## গুলীৰে উৰুৱাই দিয়াৰ পৰিকল্পনা আছিল ব্যৱসায়ী উত্তম গগৈক



**অসম বাৰ্তা, ডিব্ৰুগড়, ৬ আগষ্ট ঃ** ডিব্ৰুগড়ৰ ব্যৱসায়ী উত্তম গগৈৰ হত্যাকাণ্ডৰ তদন্তত পোহৰলৈ আহিছে এটাৰ পিছত এক চাঞ্চল্যকৰ তথ্য। আৰক্ষীৰ তদন্তত প্ৰকাশ পাইছে যে হত্যাকাৰীৰ দলটোৱে উত্তম গগৈক শেষ কৰাৰ বাবে পৰিকল্পিতভাৱে তিনিটা পৰিকল্পনা প্ৰস্তুত কৰিছিল- প্লেন এ, প্লেন বি আৰু ▸▸৬ পৃষ্ঠাত

### নগাই দাবী কৰিলেও দিয়া নহয় নেঘেৰিবিলৰ ভূমি ঃ অতুল বৰা

## বিটিআৰ নিৰ্বাচনত জয়ৰ সম্ভাৱনা থকা সমষ্টিত প্ৰাৰ্থীত্ব দিব অগপই

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৬ আগষ্ট ঃ** বি. টি.আৰ. নিৰ্বাচনত এইবাৰ অৱতীৰ্ণ হ'ব ▸▸৬ পৃষ্ঠাত

### মাজুলীৰ সাতামপুৰুষীয়া ঐতিহ্যত আঘাত

## ঐতিহ্যমণ্ডিত নতুন চামগুৰি সত্ৰৰ গুৰু সৃষ্ট মুখাশিল্পত চৰম আঘাত

### ভৰিৰে গচকি চুৰ্চুমৈ কৰিলে বিশিষ্ট মুখাশিল্পী পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীৰ বাসগৃহত থকা অৰ্ধ নিৰ্মিত মুখা



**অসম বাৰ্তা, উজনী মাজুলী, ৬ আগষ্ট ঃ** মাজুলীৰ নতুন চামগুৰি সত্ৰই মুখাশিল্পৰ ঐতিহ্য তথা পৰম্পৰা আজিও জীয়াই ৰাখিছে। সত্ৰখনত এই কুটীৰ শিল্পটোৰ চৰ্চা আৰু আধুনিক কৌশল প্ৰয়োগ কৰি ন ৰূপ দিয়া কাৰ্য্য বংশানুক্ৰমে আজিও চলি আহিছে। যাৰ ফলশ্ৰুতিত নতুন চামগুৰি সত্ৰৰ মুখাই এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে বিদেশতো যথেষ্ট সমাদৃত হৈছে। এই শিল্প এতিয়া কেৱল সত্ৰৰ চাৰিবেৰৰ ▸▸৬ পৃষ্ঠাত

### দিল্লীত সংবাদমেলযোগে এবছুৰ সভাপতি দিপেন বড়োৰ হুংকাৰ

## অক্টোবৰৰ ভিতৰত বিটিআৰ চুক্তি ৰূপায়ণ নহ'লে হ'ব তীব্ৰ আন্দোলন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ আগষ্ট ঃ** এবছুৰ এটা প্ৰতিনিধি দলৰ নতুন দিল্লীত কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনৰ সৈতে বুধবাৰে সাক্ষাৎ হৈছিল। এই সাক্ষাৎকাৰত তেওঁলোকে ২০২০ চনত স্বাক্ষৰিত বড়ো শান্তি চুক্তিৰ কিছুমান গুৰুত্বপূৰ্ণ বিষয়ৰ কাৰ্যকৰণত পলম হোৱাৰ বিষয়ে তীব্ৰ চিন্তা প্ৰকাশ কৰিছিল।এই সাক্ষাৎকাৰত প্ৰতিনিধি দলটোৱে বিশেষভাৱে ১২৫ সংখ্যক সংবিধান সংশোধনীৰ কথা উত্থাপন কৰিছিল, যিটো চলিত অধিবেশনত উত্থাপনৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। ছাত্ৰ সংগঠনটোৰ মতে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আগতে আশ্বাস দিছিল যে এই সংশোধনী, যিটো ▸▸৬ পৃষ্ঠাত

## গোলাঘাটত ‘জোঁৱাই গাঁও’ৰ চৰ্চা মিঞাৰ আগ্ৰাসনৰ অভিযোগ মৃণাল শইকীয়াৰ

**অসম বাৰ্তা, গোলাঘাট, ৬ আগষ্ট ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযানৰ মাজতে এতিয়া নতুন চৰ্চাৰ বিষয় হৈ পৰিছে ‘জোঁৱাই গাঁও’। এই ‘জোঁৱাই গাঁও’ কি আৰু ইয়াৰ উৎপত্তিৰ আঁৰৰ কাহিনী জানিলে আচৰিত হ'ব লাগিব। খুমটাই ▸▸৬ পৃষ্ঠাত




### মাত্ৰ চাৰি মাহত ১,০২,০০৩ মেট্ৰিক টন ইউৰিয়া উৎপাদন

## নামৰূপ সাৰ কাৰখানাৰ তৃতীয় গোটৰ অভিলেখ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ আগষ্ট ঃ** ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পৰেচন লিমিটেড (বিভিএফচিএল)ৰ নামৰূপ তৃতীয় উৎপাদন গোটে সত্তৰৰ দশকত স্থাপনৰ পৰা আৰম্ভ কৰি আজিও আওপুৰণি যন্ত্ৰাংশৰে সফলতাৰে কাৰ্যক্ষম হৈ আছে। ১৯৮৭ চনত স্থাপিত এই গোটে ৩৭ বছৰতকৈও অধিক সময় ধৰি অবিৰতভাৱে উৎপাদন কৰি উদ্যোগটোৰ ইতিহাসত বিৰল কৃতিত্ব অৰ্জন কৰিছে। চলিত বৰ্ষৰ এপ্ৰিলৰ ▸▸৬ পৃষ্ঠাত

## বন বিভাগে বন্যহস্তীৰ বাসস্থানলৈ ৰূপান্তৰিত কৰিব উচ্ছেদিত বনাঞ্চল

# পাইকান বনাঞ্চলৰ উচ্ছেদিত ভূমিত গছপুলি ৰোপণ



**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৬ আগষ্ট ঃ** পুনৰ সেউজীয়া হৈ উঠিব উচ্ছেদিত পাইকান সংৰক্ষিত বনাঞ্চল। গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ উচ্ছেদিত পাইকান সংৰক্ষিত বনাঞ্চলত আজিৰে পৰা আৰম্ভ হ'ল গছপুলি ৰোপণৰ বৃহৎ কাৰ্যসূচী। ১২জুলাইত বনবিভাগ আৰু গোৱালপাৰা জিলা প্ৰশাসনে পাইকান সংৰক্ষিত বনাঞ্চলৰ ১০৩৮ বিঘা বেদখলকৃত ভূমি বেদখলমুক্ত কৰি পাইকান সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত আশুদুবি ৰাজহ গাঁৱৰ বিদ্যাপাৰা বেতবাৰীত ১০৮০টা পৰিয়ালৰ প্ৰায় ২৬০০টা বাসগৃহ উচ্ছেদ কৰিছিল। উচ্ছেদৰ সময়ত পৰিবেশ শান্তিপূৰ্ণ আছিল যদিও উচ্ছেদৰ পাছ দিনৰ পিচতে এই অঞ্চলত অপ্ৰীতিকৰ পৰিস্থিতিৰো উদ্ভৱ হৈছিল আৰু বনবিভাগৰ লোকৰ লগতে আৰক্ষীৰ জোৱানক উচ্ছেদিত লোকে আক্ৰমণ কৰি আহত কৰিছিল প্ৰায় ২১ আৰক্ষী তথা বনবিভাগৰ লোক। ইফালে এই ঘটনাত এজন লোক মৃত্যুৰ মুখতো পৰিছিল বৰ্তমান এই পৰিস্থিতি প্ৰশাসনে নিয়ন্ত্ৰণলৈ অনাৰ পিছত আজিৰে পৰা আৰম্ভ হৈছে গছপুলি ৰোপণ কাৰ্যসূচী। ১০৩৮ বিঘা ভূমিতে গছপুলি ৰোপণৰ কাম আৰম্ভ হৈছে। প্ৰতি হেক্টৰত ২৫০০হেজাৰ গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই গছপুলি ৰোপণৰ জৰিয়তে অঞ্চলটোত হাতী মানুহৰ সংঘাত ৰোধ কৰাৰ লগতে অঞ্চলটো সেউজীয়া কৰি প্ৰদুষণমুক্ত অঞ্চল হিচাবে গঢ়ি তুলিব। উল্লেখ্য যে বনাঞ্চল খনত হাতীৰ খাদ্য উপযোগী গছ পুলি ৰোপণ কৰাৰ লগতে বাহঁগছ ৰোপণ কৰিব বুলি বন বিষয়া গৰাকীয়েই জানিবলৈ দিয়ে। আজিৰ গছ পুলি ৰোপণৰ কাৰ্যসূচীত উপস্থিত থাকে কৃষ্ণাই মধ্য বনাঞ্চলিক বিষয়া মনিৰুদ্দিন ছেইখ আৰু ডিচিএফ উত্তমানন্দ গোস্বামী।

## ব্ৰহ্মপুত্ৰ নৈত নিখোজ কিশোৰৰ মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৬ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ ব্ৰহ্মপুত্ৰ নৈত যোৱা ১জুলাইত নিখোজ হোৱা কিশোৰৰ সন্ধান চলাওতে উদ্ধাৰ হয় আন এক অচিনাকি লোকৰ মৃতদেহ। এন ডি আৰ এফ বাহিনীয়ে ব্ৰহ্মপুত্ৰ নৈত অভিযান চলাওতে আজি যোগীঘোপাৰ ভুতকুৰাত ব্ৰহ্মপুত্ৰ নৈত উপঙি থকা অৱস্থাত উদ্ধাৰ হয় মৃতদেহটো। বৰ্তমানলৈকে চিনাক্ত নোহোৱা মৃতদেহটো এজন পুৰুষৰ। জানিব পৰা মতে হালধীয়া ৰঙৰ টি-চাৰ্ট আৰু জিঞ্চ পেণ্ট পৰিহিত মৃতদেহটো উদ্ধাৰ হোৱাৰ পিছতে কাৰ্যবাহী দণ্ডাধীশ আৰু উচ্চ পৰ্যায়ৰ আৰক্ষীৰ দলগৈ তদন্ত আৰম্ভ কৰিছে। ইতিমধ্যে মৃতদেহটো মৰনোত্তৰ পৰীক্ষা কৰি চিনাক্তকৰণৰ বাবে মৰ্গত ৰখা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, যোৱা ১আগষ্টৰ বিয়লি যোগীঘোপাৰ ঐতিহাসিক দুগ্ধনাথ পাহাৰৰ নামনিত ব্ৰহ্মপুত্ৰ নৈত সন্ধানহীন হৈছিল চলন্তাপাৰাৰ বাসিন্দা তথা অভয়াপুৰী মণ্টফোৰ্ট স্কুলৰ ছাত্ৰ ৰোহন সিঙ। সন্ধানহীনহৈ থকা ৰোহন সিঙৰ সন্ধানত আজি তৃতীয় দিনা এন ডি আৰ এফ বাহিনীয়ে অভিযান চলাই থকা অৱস্থাত উদ্ধাৰ হয় অচিনাক্ত মৃতদেহটো।

## নগাঁও বিশ্ববিদ্যালয়ত 'সপোন আৰু বাস্তৱ' শীৰ্ষক মত-বিনিময় অনুষ্ঠান আয়োজন

**অসম বাৰ্তা, নগাঁও, ৬আগষ্ট ঃ** নগাঁও বিশ্ববিদ্যালয়ৰ নৱ- নিযুক্ত উপাচাৰ্য ড° হিতেশ ডেকাই নগাঁও বিশ্ববিদ্যালয়ক সামাজিক দায়বদ্ধতাৰ আদৰ্শেৰে এখন 'ৰাইজৰ বিশ্ববিদ্যালয়' হিচাপে গঢ়ি তোলাৰ সপোন দেখিছে। এই সপোন বাস্তৱত পৰিণত কৰিবলৈ কিছু পৰিমাণে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰে ভৱিষ্যৎ ৰূপৰেখা প্ৰস্তুত কৰাৰ দিহা কৰা হৈছে। এই উদ্দেশ্যেৰে অহা ইংৰাজী ৯আগষ্ট, ২০২৫ তাৰিখ শনিবাৰে নগাঁও বিশ্ববিদ্যালয়ৰ শ্বহীদ অনিল বৰা প্ৰেক্ষাগৃহত বিয়লি ২.৩০ বজাৰ পৰা ৪.৩০ বজালৈ 'নগাঁও বিশ্ববিদ্যালয়ঃ সপোন আৰু বাস্তৱ' শীৰ্ষক এটি মত বিনিময় অনুষ্ঠান আয়োজন কৰা হৈছে। এই অনুষ্ঠানত বৌদ্ধিক, সামাজিক সংগঠন (সৰ্বাধিক চাৰিজন) আৰু শুভাকাংক্ষীসকলক উপস্থিত থাকিবলৈ নগাঁও বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত পঞ্জীয়ক ধ্ৰুৱজ্যোতি বৰুৱাই এই বিবৃতিৰ জৰিয়তে জানিবলৈ দিছে।

### নগাঁও জিলা পৰিষদ গঠনত মন্ত্ৰী কেশৱ মহন্ত

## গীতাঞ্জলি হাজৰিকাক সভানেত্ৰী জয়শ্ৰী মণ্ডলক উপ-সভানেত্ৰীৰ শপত পাঠ

**অসম বাৰ্তা, নগাঁও, ৬ আগষ্ট ঃ** আজি নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত নগাঁও জিলা পৰিষদখন গঠন কৰা হয়। জিলা আয়ুক্ত কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত হোৱা নৱনিৰ্বাচিত জিলা পৰিষদৰ প্ৰথমখন সভাত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে। জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত আগন্তুক পাঁচ বছৰৰ বাবে নগাঁও জিলা পৰিষদৰ সভাপতিৰ বাবে নগাঁও -বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত উৰিয়া গাঁও জিলা পৰিষদৰ সদস্যা গীতাঞ্জলি হাজৰিকাক আৰু কলিয়াবৰ আমবাগান জিলা পৰিষদৰ সদস্যা জয়শ্ৰী মণ্ডলক উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰে। নৱনিৰ্বাচিত নগাঁও জিলা পৰিষদৰ সভাপতি, উপ-সভাপতি প্ৰমুখ্যে প্ৰতিগৰাকী সদস্যকে মন্ত্ৰী কেশৱ মহন্তই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আগন্তুক দিনত ৰাইজৰ বাবে নিস্বাৰ্থ ভাৱে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। উক্ত সভাখনত বিধায়ক সকল ক্ৰমে ৰূপক শৰ্মা, শশীকান্ত দাস, নুৰুল হুদা, শিৱামণি বৰা, জিলা পৰিষদৰ নৱনিৰ্বাচিত সদস্য সকল, জিলা প্ৰশাসনৰ বিষয় বৰ্গ উপস্থিত থাকে। সভাৰ অন্তত জিলা আয়ুক্ত দেৱাশিস শৰ্মাই সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ "মানুহে মানুহৰ বাবে" কালজয়ী গীতটো সকলোৰে লগত পৰিৱেশন কৰে।

## গোসাইগাঁও উকীল সন্থাৰ পৰা শ্ৰীৰামপুৰৰ বিপিএফ প্ৰাৰ্থী মুখলেছুৰ ৰহমানক শুভেচ্ছা

**অসম বাৰ্তা, গোসাইগাঁও, ৬আগষ্ট ঃ** বিপিএফ দলৰ শ্ৰীৰামপুৰ ব্লকৰ সভাপতি তথা গোঁসাইগাঁও উকীল সন্থাৰ কাৰ্য্যকৰি সদস্য মুখলেছুৰ ৰহমানক দলটোৰ পৰা বিটিচি পৰিষদৰ শ্ৰীৰামপুৰ সমষ্টিৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰাৰ পাছত, গোঁসাইগাঁও উকীল সন্থাৰ সদস্যবৃন্দই তেওঁৰ প্ৰতি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। বুধবাৰে গোঁসাইগাঁও উকিল সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বিশেষ সভাত মুখলেছুৰ ৰহমানক উষ্ণ আদৰণি জনোৱা হয়। সভাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী অধিবক্তাই অসমীয়াৰ পৰম্পৰাগত গামোচাৰে সম্বৰ্ধনা জনাই তেওঁৰ আগন্তুক নিৰ্বাচনী যাত্ৰালৈ শুভকামনা জ্ঞাপন কৰে। সভাত উকিল সন্থাৰ সভাপতি আব্দুছ ছালাম শেখে সকলো সদস্যক একত্ৰিতভাৱে প্ৰাৰ্থীগৰাকীৰ জয় সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। সম্পাদক দিলীপ পডেলে চলিত চৰকাৰৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰি কয় যে, বিগত সময়ত শ্ৰীৰামপুৰৰ এজনজন প্ৰতিনিধিয়ে উকীল সন্থাৰ বাবে এখন কাৰ্যালয় নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিলেও, সেই প্ৰতিশ্ৰুতি আজিলৈকে পূৰণ নহ'ল। ৰহমানে অনাগত বিটিচি নিৰ্বাচনত সমষ্টিখনক প্ৰতিনিধিত্ব কৰা এজন যোগ্য ব্যক্তি। গতিকে অঞ্চলটোৰ প্ৰতিটো জনগোষ্ঠিয়ে তেখেতক ঠাইখনৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত বিপুল সহযোগিতা তথা সমৰ্থন প্ৰদান কৰি জয়যুক্ত কৰিব বুলি আশা প্ৰকাশ কৰে। লগতে তেখতেৰ শ্ৰীৰামপুৰ সমষ্টিটোৰ পৰা জয়যুক্ত হৈ গোঁসাইগাঁও উকীল সন্থাৰ প্ৰতিটোক সমস্যাক গুৰুত্বসহকাৰে লৈ সমাধান কৰিবলৈ আহ্বান জনায়। সভাৰ অন্তত মুখলেছুৰ ৰহমানে শ্ৰীৰামপুৰ সমষ্টিৰ সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

## মাকুম টেঙাপানী চাহ বাগিছাত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, মাকুম, ৬ আগষ্ট ঃ** আজি দিনৰ ভাগত লাংকাছি আৰক্ষী চকীৰ অন্তৰ্গত মাকুম টেঙাপানী চাহ বাগিছাৰ ঘাইপথত এ এচ ২৩ এ এইচ ৪৬২১ নম্বৰৰ এখন কে টি এম ডিউক মটৰ চাইকেল আৰু এ এচ ২৩ এ এল ৪৭০৪ নম্বৰৰ এখন য়ামাহা ৰেই স্কুতি মাজত মুখামুখি সংঘৰ্ষৰ ফলত উক্ত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত পতিত হোৱা স্কুতিখনৰ আৰোহী দুজন লাংকাছি চাহ বাগিছাৰ আৰু কে টি এম বাইক খনত থকা আৰোহী দুজন মাকুম হেবেদা গাঁৱৰ বুলি জানিবলৈ পৰা গল। উক্ত দুৰ্ঘটনাটোত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা তিনি আৰোহীক সংকটজনক অৱস্থাত স্থানীয় লোকে ততাতৈয়াকৈ মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয় যদিও তিনিওকে উন্নত চিকিৎসাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়লৈ বুলি প্ৰেৰণ কৰা হয়। সমগ্ৰ মাকুম অঞ্চলত তীব্ৰ গতিত বাহন চলোৱাৰ ফলত এনেধৰণৰ দুৰ্ঘটনা প্ৰায়ে সংঘটিত হোৱা পৰিলক্ষিত হৈ আহিছে।

## কয়াকুছি বজাৰত চোৰে দুখনকৈ দোকানত চলালে চাফাই অভিযান

**অসম বাৰ্তা, কয়াকুছি, ৬ আগষ্ট ঃ** কয়াকুছি বজাৰ তিনিআলিত ষ্ট্ৰীট লাইট পোষ্টৰ কাষতেই দুখনকৈ দোকানত চোৰে চলালে ছাফাই অভিযান। কয়াকুছি আৰক্ষী চকীৰ পৰা প্ৰায় ২০ মিটাৰ দূৰত্বত কয়াকুছি বজাৰ তিনি আলিত থকা আশ্ৰাফুল ইছলামৰ 'আশ্ৰাফুল ভাণ্ডাৰ' গেলামালৰ দোকান আৰু গাখীৰ বজাৰত থকা আব্বাছ আলী 'মাঁ মেডিকেল'ত যোৱা নিশা চোৰে চলায় হাতলৰ অভিযান। দুয়োটা দোকানৰ দৰ্জাত থকা তিনিটাকৈ তলা ভাঙি চোৰে সামগ্ৰী আৰু নগদ ধন তহিলং কৰে। আৰক্ষী চকীৰ নিচেই সমীপত নিশা দুখনকৈ দোকানত চুৰি কাণ্ড সংগঠিত হোৱা ঘটনাক সহজভাৱে মানি ল'ব পৰা নাই সচেতন মহলে। উক্ত ঘটনাৰ বাবে কয়াকুছি বজাৰৰ বিভিন্ন ব্যৱসায়ী দোকানী-পোহাৰীৰ লগতে সাধাৰণ জনতাই ক্ষোভত ফাটি পৰিছে। উক্ত চুৰি কাণ্ডৰ বাবে কয়াকুছি আৰক্ষী চকী আৰু বজাৰ কমিটিৰ নিক্ৰিয় ভূমিকাক তীব্ৰ সমালোচনা কৰিছে স্থানীয় সচেতন ৰাইজে। উল্লেখযোগ্য যে কিছু মাহ আগতে কয়াকুছি আৰক্ষী চকীৰ সন্মুখৰ গেলামালৰ দোকানত চুৰি গাখীৰ বজাৰত বাক্কাৰ মাইক ছাৰ্ভিছৰ দোকানত চুৰি পান বজাৰ-ছবজি বজাৰ গেলামালৰ দোকানত চুৰি বাইকৰ ডিলাৰত চুৰি বজাৰৰ দক্ষিণ ফালে কোৰিয়াৰ ছাৰ্ভিছৰ দোকানত ছাটাৰ ভাঙি চুৰি কুৰিহা আয়নাল হক মল্লিকৰ ঘৰত চুৰি দাৰুল হিকমাহ একাডেমীত ছাইকেল চুৰিকে আদি কৰি কয়াকুছি বজাৰ অঞ্চলত সঘনাই চুৰি কাণ্ড সংগঠিত হৈ আহিছে। ধাৰাবাহিক চুৰি কাণ্ডৰ বাবে স্থানীয় সচেতন ৰাইজৰ লগতে কয়াকুছি বজাৰৰ দোকানী-পোহাৰীয়ে ভীতিগ্ৰস্ত হৈ পৰিছে। ইয়াৰ পৰা পৰিত্ৰান পাবলৈ সচেতন ৰাইজৰ লগতে দোকানী-পোহাৰীয়ে কয়াকুছি আৰক্ষী চকীৰ লগতে বৰপেটা জিলা প্ৰশাসনৰ সচেতনতা কামনা কৰিছে।

## বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পযাৰ্য়ৰ আলোচনা চক্ৰ

**অসম বাৰ্তা, জাঁজী, ৬আগষ্ট ঃ** শিৱসাগৰ জিলাৰ বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সাহিত্য শাখাৰ উদ্যোগত, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, মহাবিদ্যালয়ৰ শাখা সাহিত্য সভা আৰু মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কোষৰ সহযোগত অহা ইংৰাজী ১০ আৰু ১১ছেপ্তেম্বৰ, ২০২৫ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে এখনি ৰাষ্ট্ৰীয় পযাৰ্য়ৰ আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। "শ্ৰীমন্ত শংকৰদেৱৰ প্ৰজ্ঞা আৰু প্ৰতিভা" শীৰ্ষক মূল বিষয়ৰ আলোচনা চক্ৰখনত শংকৰদেৱৰ সাহিত্য, সংস্কৃতি, ভাষা, ধৰ্ম আৰু অন্যান্য প্ৰাসংগিক বিষয়কো প্ৰাধান্য দিয়া হ'ব। শিক্ষক -শিক্ষয়িত্ৰী, গৱেষক ছাত্ৰ-ছাত্ৰী তথা বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীৰ বাবে আয়োজন কৰা আলোচনা চক্ৰখনিৰ সংক্ষিপ্তসাৰ প্ৰেৰণ কৰাৰ অন্তিম তাৰিখ ৩০ আগষ্ট আৰু মূল আলোচনা পত্ৰ প্ৰেৰণ কৰাৰ অন্তিম তাৰিখ ৫ ছেপ্তেম্বৰ। যোগাযোগৰ ঠিকনা dhrubablb@gmail.com, monjumalasarmah21@gmail.com, anjumoni6925@gmail.com.

## নগাঁৱৰ ৰূপহীৰ ধাবাত সুৰাৰ ৰমৰমীয়া বেহাৰ অভিযোগ

### নিৰ্বিকাৰ ভূমিকাত আৰক্ষী-প্ৰশাসন

**অসম বাৰ্তা, নগাঁও, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ ৰূপহীহাট অঞ্চলৰ একাংশ ধাবাত সুৰাৰ এক ৰমৰমীয়া ব্যৱসায় চলি থকাৰ এক অভিযোগ উঠিছে। এই ধাবা সমূহে অবৈধ ভাৱে সুৰাৰ ব্যৱসায়ৰ লগতে কেতবোৰ অসামাজিক কাম কাজ চলাই থকাৰ অভিযোগ আছে। নগাঁও চহৰৰ একাংশ সুৰা বিপনীৰ পৰা কাৰ্টুনে কাৰ্টুনে সুৰা নি এই ধাবা সমূহে নীতি বহিৰ্ভুত ভাৱে ব্যৱসায় কৰি আহিছে। ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত ঔৱনা - ভকতগাঁও এলেকাৰ ছিগনেচাৰ ধাবা, নিউ বিউটিফুল ৰেষ্টুৰেণ্ট, এ টি আই টি এইচ আই ৰেষ্টুৰেণ্ট আদিত অবৈধ ভাৱে সুৰাৰ ব্যৱসায় চলাই থকাৰ অভিযোগ উঠিছে। মাজে সময়ে আৰক্ষীয়ে অভিযান চলাই যদিও পিছত এই ধাবা সমূহে আৰক্ষীৰ লগত গোপন বুজাবুজি কৰি পুনৰ এই ব্যৱসায় অব্যাহত ৰখাৰ অভিযোগ কৰিছে সচেতন মহলে। দৈনিক এই ধাবা সমূহত অবৈধ ভাৱে সুৰাৰ ব্যৱসায় চলাই থকাৰ লগতে অসামাজিক কাম-কাজো চলি থাকে। ফলত অঞ্চলটোৰ পৰিবেশ বিনষ্ট হোৱাৰ অভিযোগ উঠিছে। সচেতন মহলে এইক্ষেত্ৰত আৰক্ষী প্ৰশাসনক যাৱতীয় ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে।

## সমষ্টিত বিপিএফৰ জয় নিশ্চিত বুলি দাবী

# ৪ নং যমদুৱাৰ সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰীক উষ্ম আদৰণি

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৬ আগষ্ট ঃ** বিটিচিৰ চাৰি নম্বৰ যমদুৱাৰ পৰিষদীয় সমষ্টিৰ বিপিএফৰ মনোনিত প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰীক আজি দলীয় কৰ্মী সমৰ্থক সকলে উষ্ম আদৰনী জনায়। উল্লেখ্য যে সমাগত পৰিষদীয় নিৰ্বাচনৰ বাবে বিপিএফৰ হাই কামাণ্ডে কালি ২২ সমষ্টিৰ প্ৰাৰ্থীৰ তালিকা ঘোষনা কৰিছে। ইয়াৰে যমদুৱাৰ সমষ্টিত বিপিএফৰ প্ৰাৰ্থী হিচাপে উইলিয়াম নাৰ্জাৰীৰ নাম ঘোষনা কৰাৰ পাচতেই দলীয় কৰ্মী সমৰ্থকে সকলে আনন্দিত হৈ পৰিছে। সমষ্টিৰ অন্তৰ্গত কাশিয়াবাৰী স্থিত যমদুৱাৰ ব্লক কাৰ্যালয়ত মনোনিত প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰী আজি উপস্থিত হোৱাৰ লগে লগে বাদ্য বাজনাৰে তেঁৱক আদৰনী জনোৱা হয়। কৰ্মী সমৰ্থক সকলে নাৰ্জাৰীক আৰোনাই, পাঞ্চি আৰু ফুলাম গামোছাৰে আদৰনী জনায়। ইপিনে প্ৰাৰ্থীত্ব লাভ কৰি উইলিয়াম নাৰ্জাৰীয়ে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ লগতে প্ৰাৰ্থী নিৰ্বাচন সমিতিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে যমদুৱাৰ পৰিষদীয় সমষ্টিত বিপিএফ প্ৰথম স্থানত থাকি জয়ী হোৱাৰ লগতে বিজেপি দ্বিতীয় আৰু ইউ পি পি এল তৃতীয় স্থানত থাকিব। বিটিচিত এইবেলি বিপিএফৰ চৰকাৰ হোৱাটো নিশ্চিত বুলি তেওঁ দাবী কৰে।

# মাকুম-ডিগবৈৰে সম-জিলাত প্ৰথম স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**ষ্টাফ ৰিপ'টাৰ, তিনিচুকীয়া, ৬ আগষ্ট ঃ** তিনিচুকীয়া জিলাত নতুনকৈ স্থাপন হ'ব লগীয়া মাকুম আৰু ডিগবৈ সম-জিলা প্ৰশাসনৰ উদ্যোগত এইবেলি প্ৰথমবাৰৰ বাবে স্বাধীনতা দিৱস উদযাপনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ কৰা হৈছে। সেই অনুসৰি ডিগবৈ সম-জিলাৰ কেন্দ্ৰীয় অনুষ্ঠান টিংৰাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ বিপৰীতে মাকুম বন প্ৰশিক্ষণ বিদ্যালয়ৰ খেলপথাৰত মাকুম সম-জিলাৰ কেন্দ্ৰীয় কুচ-কাৱাজ অনুষ্ঠিত হ'ব। এই বিষয়ে আলোচনাৰ বাবে আজি টিংৰাই আৰু মাকুমত দুখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। টিংৰাই ষ্টেডিয়ামত স্থানীয় বিধায়ক সুৰেণ ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাত নৱনিযুক্ত সম-জিলাৰ আয়ুক্ত ৰাহুল দলে, অতিৰিক্ত আয়ুক্ত তথা মাকুম সম-জিলাৰ আয়ুক্ত পঙ্কজ চমুৱা, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিন্তি শৰ্মাৰ উপৰি স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, লোকনিৰ্মাণ, আৰক্ষী আদি বিভিন্ন বিভাগৰ বিষয়া উপস্থিত থাকে। ইয়াৰ পিছতে মাকুম খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত সম-জিলা আয়ুক্ত পঙ্কজ চমুৱাৰ সভাপতিত্বত আনখন সভা অনুষ্ঠিত হয়। দুয়োখন সভাতে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি সম-জিলা দুখনৰ এই প্ৰথম স্বাধীনতা দিৱসৰ কাৰ্যসূচী অতি আকৰ্ষণীয় আৰু সুনিয়োজিত ৰূপত উদ্‌যাপনৰ সভাত সিদ্ধান্ত লোৱা হয়। উল্লেখযোগ্য যে, অহা ১২ আগষ্টত দুয়োখন সম-জিলা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব।

## জাঁজীত ফুটবল প্ৰশিক্ষণৰ সামৰণি

**অসম বাৰ্তা, জাঁজী, ৬ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত যোৱা ১৩ জুলাইৰ পৰা আৰম্ভ হোৱা ৬ বছৰ উৰ্দ্ধৰ লৰা আৰু ছোৱালীৰ ফুটবল প্ৰশিক্ষণৰ আজি সামৰণি পৰে। উলেক্ষ যে জামুগুৰি ফুটবল ক'চিং চেণ্টাৰৰ উদ্যোগত সভাপতি ৰাজীৱ নেওগ আৰু সম্পাদক দ্বীপ খনিকৰৰ তত্ত্বাৱধানত প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণত অংশ গ্ৰহণ কৰিছিল। আনহাতে এই ছাত্ৰ-ছাত্ৰী সকলক প্ৰশিক্ষণ দিবৰ বাবে হাফলংৰ মুখ্য প্ৰশিক্ষক হিমডিকাম্বে পামে প্ৰশিক্ষণ প্ৰদান কৰিছিল। জাঁজী হাইস্কুল খেল পথাৰত আজি আনুষ্ঠানিক ভাৱে সামৰণি পৰা প্ৰশিক্ষণৰ অনুষ্ঠানত স্থানিয় কেইবাজনো ক্ৰিয়া প্ৰেমী ব্যক্তিৰ উপস্থিত প্ৰশিক্ষক হিমডি কাম্বেক ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে জামুগুৰিৰ কচিং চেণ্টাৰৰ সম্পাদক দ্বীপ খনিকৰৰ তত্ত্বাৱধানত ফুটবল খেলত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱা জাঁজী মৰানচিগাৰ সমুজ্জল বৰুৱা আগষ্ট মাহৰ শেষৰ ফালে সুদূৰ স্পেইন লৈ যাবলৈ সক্ষম হোৱাত প্ৰশিক্ষক জনে সন্তোষ প্ৰকাশ কৰি অভিনন্দন জ্ঞাপন কৰিছে।

## লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ উদ্যোগত বাল্য বিবাহৰ বিৰুদ্ধে সজাগতা সভা

**অসম বাৰ্তা, ৰূপহীহাট, ৬ আগষ্ট ঃ** লাওঁখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ উদ্যোগত বাল্য বিবাহৰ বিৰুদ্ধে এক সজাগতা সভা অনুষ্ঠিত হয়। বাল্য বিবাহৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লগতে সমাজৰ সকলো শ্ৰেণীৰ লোকক এই সামাজিক ব্যাধিৰ বিৰুদ্ধে এদিনীয়া প্ৰশিক্ষণ প্ৰদান কৰে। লাওঁখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ উদ্যোগত আয়োজিত দিনযোৰা প্ৰশিক্ষণ কৰ্মশালাত ক'চি লোক মঞ্চ নামৰ বেচৰকাৰী সংস্থাৰ সমন্বয়কৰ লগতে অন্য বিষয়ববীয়া সকলে সহযোগিতা আগবঢ়ায়। লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ সভা কক্ষত আয়োজিত উল্লিখিত প্ৰশিক্ষণ কাৰ্যসূচীত লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ বিষয়া মেহবুব আহমেদ লস্কৰৰ লগতে বিষয়া কৰ্মচাৰী, চিআৰ চিচি, বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষক, শিঙিমাৰী গাঁও পঞ্চায়তৰ উপ সভানেত্ৰীৰ লগতে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উক্ত সজাগতা সভাত ক'চি লোক মঞ্চৰ বিষয়ববীয়াসকলে বাল্য বিবাহ ৰোধ কৰাৰ কাৰণে এক তত্ত্বগধুৰ ভাষণ দিয়ে। সভাৰ অন্তত লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ বিষয়া মেহেবুব আহমেদ লস্কৰে কয় যে বাল্য বিবাহ হৈছে সমাজৰ এক ব্যাধি স্বৰূপ। ইয়াক ৰোধ কৰিবলৈ হলে আমি সকলোৱে মাৰ বান্ধি থিয় হব লাগিব। লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ প্ৰতিখন বিদ্যালয়তে বাল্য বিবাহৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীক সজাগতা অনাৰ চেষ্টা কৰিব বুলি মন্তব্য কৰে বিষয়া গৰাকীয়ে। বাল্য বিবাহ সম্পৰ্কে লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত প্ৰত্যেকখন বিদ্যালয়তে প্ৰাৰ্থনাৰ সময়ত ছাত্ৰ-ছাত্ৰীক বুজাবলৈ প্ৰধান শিক্ষক সকলক আহ্বান জনাই শিক্ষা বিষয়া গৰাকীয়ে।

## কুশবাৰী জাতীয় বিদ্যালয়ত শিক্ষাৰ জাগৰণৰ বাবে আমছুৰ কলম বিতৰণ

**অসম বাৰ্তা, লেংটিছিঙা, ৬ আগষ্ট ঃ** কুশবাৰী জাতীয় বিদ্যালয়ত শিক্ষাৰ জাগড়ণৰ বাবে আমছুৰ কলম বিতৰণ অনুষ্ঠান। ঘৰে ঘৰে শিক্ষা, তেহে ৰক্ষা। উক্ত আপ্ত বাক্য শাৰী সৰোগত কৰি সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ উদ্যোগত এক আগষ্টৰ পৰা এমাহ যোৱা কাৰ্যসূচীৰে সংখ্যালঘু জনগোষ্ঠী অধ্যুষিত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কলম বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। চৰকাৰে অসমৰ একাংশ জনগোষ্ঠীৰ মাজত মাৰনাস্ত্ৰ প্ৰদানৰ যি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ তীব্ৰ বিৰোধিতা কৰি আমছুৱে ছাত্ৰ-ছাত্ৰীৰ মাজত কলম বিতৰণ কৰে। আজি বঙাইগাঁও জিলাৰ কুশবাৰী জাতীয় বিদ্যালয়ত অনুষ্ঠিত হোৱা কলম বিতৰণ অনুষ্ঠানত বিদ্যালয় খনৰ পৰিচালন সঞ্চালক আলাউদ্দিন শ্বৰীফে সঞ্চালনা কৰা কলম বিতৰণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কলম বিতৰণ অনুষ্ঠান শুভাৰম্ভ কৰে আমছুৰ কেন্দ্ৰীয় সভাপতি ৰেজাউল কৰিম সৰকাৰে। সভাত আমছুৰ কেন্দ্ৰীয় উপ সভাপতি জাহাংগীৰ আলম, সহ সম্পাদক বাহাৰুল ইছলাম, উত্তৰ শালমাৰা জিলা আমছুৰ সাধাৰণ সম্পাদক দ্বয়-খুৰশিদ আলম আৰু জাহানুৰ ইছলাম, সহকাৰী সাধাৰণ সম্পাদক ৰিয়াজুল হক আদি উপস্থিত থাকি পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত কলম বিতৰণ কৰে।

## অবৈধ ড্ৰাগছৰ বিৰুদ্ধে গোলকগঞ্জ আৰক্ষীৰ বৃহত অভিযান

**অসম বাৰ্তা, আগমনি, ৬ আগষ্ট ঃ** আজি পুৱতি নিশা এক গোপন সূত্ৰৰ আধাৰত গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দলে অসম বংগ সীমান্তৰ চৰ খলিচামাৰীৰ আচৰ উদ্দিন মণ্ডল নামৰ কুখ্যাত ড্ৰাগছ মাফিয়া জনৰ ঘৰত চলাইছিল অভিযান। অভিযানত অবৈধ ব্ৰাউন সুগাৰৰ ৫ টাকৈ চাবোন বাকচ, ৩৮ টাকৈ ব্ৰাউন ছুগাৰ ভৰ্তি কণ্টেইনাৰ, ৮০ টাকৈ নিচাযুক্ত য়াবা টেবলেট, নগদ ধন ৩ লাখ ২ হাজাৰ ৪০০ টকা, এখন WB 64 AD 5716 নিচান মেগনেট চাৰি চকীয়া বিলাসী বাহন, WB 64 J 7194 নম্বৰৰ গ্লেমাৰ বাইক, ৩ টাকৈ মোবাইল ফোন জব্দ কৰে। লগতে আটক কৰে কুখ্যাত ড্ৰাগছ মাফিয়া আচৰ উদ্দিন মণ্ডলক।

# বৰখালাত আঞ্চলিক শাখা সাহিত্য সভা, চতমা (স্বৰ্ণ শাখা)ৰ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

**অসম বাৰ্তা, বাহাৰঘাট, ৬ আগষ্ট ঃ** মুখ্য অতিথি হিচাবে উপস্থিত থাকে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ড° বীৰেন কুমাৰ চক্ৰবৰ্ত্তী আৰু নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকে জিলাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মা। নলবাৰী জিলাৰ অন্তৰ্গত আঞ্চলিক শাখা সাহিত্য সভা, চতমা(স্বৰ্ণ শাখা)ৰ ৪৭ তম দ্বি-বাৰ্ষিক অধিবেশনখন আজি পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় সভাগৃহত দিনজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈ যায়। তদুপলক্ষে শাখা সাহিত্য সভাৰ সভাপতি হীৰেন্দ্ৰ নাথ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকে নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মা আৰু মুখ্য অতিথি হিচাবে উপস্থিত থাকে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ড° বীৰেন কুমাৰ চক্ৰবৰ্ত্তী। সভাত গীতমাত কবিতা আবৃত্তিৰে আকৰ্ষণীয় কৰি তুলিছিল। সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক গিৰীন্দ্ৰ দেৱ শৰ্মা আৰু সভাপতিৰ অভিভাষণ পাঠ কৰে সভাপতি হীৰেন্দ্ৰ নাথ গোস্বামীয়ে। অভ্যাৰ্থনা সমিতিৰ কৰ্মকৰ্তা দিলীপ শৰ্মাই আতধৰা সভাখনত নলবাৰী জিলা সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহ সদস্য বীৰেন্দ্ৰ নাথ শৰ্মা আৰু নলবাৰী জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক স্বাহ আলম আহমেদ উপস্থিত থাকে। সভাৰ পূৰ্বে অনুষ্ঠিত বিষয়বাছনি সভাত দীনেশ চন্দ্ৰ দাসক সভাপতি, পৰেশ চন্দ্ৰ দাস আৰু গিৰীন্দ্ৰ দেৱ শৰ্মাক উপসভাপতি ক্ষিতীশ শৰ্মাক সম্পাদক, গবিন্দ ভট্ট, হৰমোহন দাস সহঃসম্পাদক, উৎপল শৰ্মাক পত্ৰিকা সম্পাদক আৰু বীৰেন্দ্ৰ নাথ শৰ্মাক মুখ্য উপদেষ্টা হিচাবে লৈ পূৰ্নাংগ কাৰ্য্যনিৰ্বাহ সমিতি গঠন কৰে। ইয়াৰ আগতে পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখা সাহিত্য সভাৰ সভাপতি হীৰেন্দ্ৰ নাথ গোস্বামী আৰু স্মৃতি তৰ্পণ কৰে অভ্যাৰ্থনা সমিতিৰ সভাপতি হৰমোহন দাসে।

# নগাঁও জিলাৰ পুৰণিগুদামৰ লোকেশ্বৰ শৰ্মাৰ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আলিছিগাৰ নিবাসী বিশিষ্ট সমাজকৰ্মী অৱসৰপ্ৰাপ্ত শিক্ষক লোকেশ্বৰ শৰ্মা (৮৪)ৰ আজি পুৱা ৯-৪৫ বজাত বাৰ্ধক্যজনিত কাৰণত নিজা বাসভৱনত মৃত্যু হয়। পুৰণিগুদামৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত শৰ্মাই মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ, বোৱাৰী, চাৰিগৰাকী জী-জোঁৱাই, নাতি-নাতিনী ইহ-সংসাৰত এৰি থৈ যায়। আজি পুৱা তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে-লগে বহু গুণমুগ্ধই তেওঁৰ বাসভৱনত আহি শেষ শ্ৰদ্ধা জনায়। তেওঁৰ মৃত্যুত নগাঁও জিলা ব্ৰাহ্মণ সমাজ, পুৰণিগুদাম প্ৰাথমিক ব্ৰাহ্মণ সমাজকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# মৰনৈস্থিত সৈনিক স্কুলত ক্ৰীড়া আৰু সাংস্কৃতিক মিট উদ্বোধন মন্ত্ৰী নন্দিতা গাৰ্লোছাৰ

**অসম বাৰ্তা, গোৱালপাৰা, ৬ আগষ্ট ঃ** মৰনৈস্থিত সৈনিক স্কুলত আজিৰে পৰা ৮ আগষ্টলৈ অনুষ্ঠিত "ইণ্ট্ৰা-গ্ৰুপ 'ই' ক্ৰীড়া আৰু সাংস্কৃতিক মিট-২০২৫"ৰ উদ্বোধন কৰে অসম চৰকাৰৰ মন্ত্ৰী নন্দিতা গাৰ্লোছাই। মন্ত্ৰী গৰাকীৰ উপস্থিতিত বিদ্যালয়খনৰ ৩৩জন মনোনীত কেডেটেৰে গঠিত এটা দলে গাৰ্ড অফ অনাৰ প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষ কৰ্ণেল ধীৰাজ কুমাৰ বিশ্বকৰ্মাই মন্ত্ৰী গৰাকীক পৰম্পৰাগত অসমীয়া গামোচা আৰু শৰাইৰে সন্মান জনায়। বিদ্যালয়ৰ এথলেটিকছ খেলপথাৰত মুকলি অনুষ্ঠান আৰম্ভ হয়, য'ত উপাধ্যক্ষ লেফটেনেণ্ট কৰ্ণেল পিনাকি মৌলিকে আদৰণি ভাষণ প্ৰদান কৰে। মুকলি অনুষ্ঠানত অংশগ্ৰহণকাৰী দলসমূহে এক মনোমোহা মাৰ্চ পাষ্ট প্ৰদৰ্শন কৰে। খেলুৱৈ আৰু মেচ বিষয়াসকলে শপত গ্ৰহণ কৰি সততা আৰু উৎকৃষ্টতাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। অনুষ্ঠানৰ এক উল্লেখযোগ্য দিশ আছিল উত্তৰ-পূবৰ সাংস্কৃতিক বৈচিত্ৰ্যক উদ্‌যাপন কৰি কেডেটসকলে প্ৰদৰ্শন কৰা মনোৰম সাংস্কৃতিক কাৰ্যসূচী। মুখ্য অতিথি হিচাপে মন্ত্ৰী গাৰ্লোছাই বক্তব্য আগবঢ়াই কৈছিল যে, "সৈনিক বিদ্যালয়সমূহে জাতিৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এনে আন্তঃবিদ্যালয় ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰতিযোগিতাই কিশোৰ-কিশোৰীৰ মাজত সুস্থ প্ৰতিযোগিতাৰ মনোভাৱ গঢ়ি তোলে।" এইবাৰৰ মিটত উত্তৰ-পূবাঞ্চলৰ পাঁচখন সৈনিক বিদ্যালয়ৰ মুঠ ২৭৭ গৰাকী কেডেটে অংশগ্ৰহণ কৰিছে। অংশগ্ৰহণকাৰী সকলে বিভিন্ন ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰতিযোগিতাত অংশ লৈছে। ৮ আগষ্টত অনুষ্ঠিত হ'বলগীয়া সামৰণি অনুষ্ঠানত বিভিন্ন শাখাত বিজয়ীসকলক ট্ৰফী, পদক আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। এই গ্ৰুপ মিটৰ শীৰ্ষ প্ৰতিনিধিসকলে এই বছৰ শেষৰ ফালে মধ্যপ্ৰদেশৰ ৰেৱাত অনুষ্ঠিত হ'বলগীয়া সৰ্বভাৰতীয় সৈনিক বিদ্যালয় ক্ৰীড়া আৰু সাংস্কৃতিক মিট-২০২৫ত গ্ৰুপ 'ই'ৰ হৈ প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিব।

# শ্ৰীৰামপুৰত ব্ৰাউন ছুগাৰসহ বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ তিনিজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৬ আগষ্ট ঃ** গোসাঁইগাঁও মহকুমাৰ তেলিপাৰাত নিশা আৰক্ষী অভিযান চলাই ব্ৰাউন চুগাৰ জব্দ কৰাৰ লগতে তিনি যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষী আটক কৰা AS16K 6664 নম্বৰৰ এলটো গাড়ীখনত তালাচী চলায়। তালাচী চলাই গাড়ীৰ ভিতৰৰ পৰা দুটা চাবোনৰ বাকচ উদ্ধাৰ কৰে। উক্ত ব্ৰাউন চুগাৰৰ বজাৰ মূল্য ডেৰ লাখৰ অধিক। চোৰাং কৈ নিষিদ্ধ ঘোষিত ব্ৰাউন চুগাৰ সৰবৰাহ কৰাৰ অপৰাধত ধুবুৰী জিলাৰ তামাৰহাট থানাৰ পলাশকান্দি গাঁৱৰ আব্দুলা মোল্লা, বাঘডোক্ৰা গাঁৱৰ আজিজুল হক আৰু আগমনিৰ ইনামুল হকক গ্ৰেপ্তাৰ কৰে। গুৱাহাটীৰ পৰা তামাৰহাট অভিমুখে আহি থাকোঁতে আৰক্ষীৰ জালত পৰে। আনহাতে আজি দিনত গোসাইগাঁও মহকুমাৰ অন্তৰ্গত শ্ৰীৰামপুৰ আন্তঃৰাজ্যিক তালাচী চকীত শিমুলটাপু আৰক্ষীৰ অভিযান অভিযানত এছ26এক0957 নম্বৰৰ এখন ছচকীয়া ট্ৰাক আটক। আৰক্ষীৰ তলাচীত ট্ৰাক খনৰ পৰা বৃহৎ পৰিমাণৰ সুৰা উদ্ধাৰ। ট্ৰাকখনত নিমখ, ধান আৰু ভুচিৰ (তুষ)তলত লুকুৱাই আনিছিল সুৰা খিনি। অৰুণাচলী সুৰাখিনি বিহাৰলৈ সৰবৰাহ কৰাৰ সন্দেহ আৰক্ষীৰ। আৰক্ষীৰ অভিযানৰ খবৰ পাই ট্ৰাকৰ চালক পলাই যায়। আনুমানিক ২০ লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে।

## বহিৰাগত কোম্পানীৰ বিৰুদ্ধে শোষণৰ অভিযোগ

# আমগুৰি সৌৰ শক্তি প্ৰকল্পত স্থানীয় সুৰক্ষা কৰ্মীৰ কৰ্মবিৰতি

**অসম বাৰ্তা, আমগুৰি, ৬ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ আমগুৰিস্থিত "সৌৰশক্তি প্ৰকল্প"ত আজি স্থানীয় সুৰক্ষা কৰ্মীসকলে কৰ্মবিৰতি ঘোষণা কৰে। "মহিন্দ্ৰা টেক" নামৰ কোম্পানীটোৰ বিৰুদ্ধে বহুদিন ধৰি চলি থকা শোষণ, ষড়যন্ত্ৰ আৰু দৰমহা হ্ৰাসৰ অভিযোগ তুলিছে কৰ্মীসকলে। উল্লেখ্য যে ১৯৯০ চনত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই আমগুৰিৰ বিকাশ লক্ষ্যৰে ৩৬০ মেগাৱাটৰ গেছভিত্তিক প্ৰকল্পৰ, আধাৰশিলা স্থাপন। কালক্ৰমে ইয়াৰ ক্ষমতা ১০০ মেগাৱাটলৈ হ্ৰাস হয়, আৰু বহু প্ৰত্যাশাৰ পাছত ২০১৯ চনত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৭০ মেগাৱাটৰ সৌৰ শক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। সেইদৰে ২০২২ চনৰ ৩১ মে' তাৰিখে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকল্পৰ শুভ উদ্বোধন কৰে। প্ৰকল্পৰ আৰম্ভণিতে 'জেকচন' নামৰ কোম্পানীটোৱে ভূমি ক্ষতিগ্ৰস্ত পৰিয়ালৰ স্থানীয় ২৪ গৰাকী ব্যক্তিক নিযুক্তিৰে সুৰক্ষা ব্যৱস্থা চলাই আছিল। কিন্তু পৰৱৰ্তী সময়ত নতুনকৈ দায়িত্ব লাভ কৰা "মহিন্দ্ৰা টেক" কোম্পানীয়ে স্থানীয় কৰ্মীসকলৰ দৰমহা হ্ৰাস, কাৰ্য্যকৰী সামগ্ৰীৰ অভাৱ (টৰ্চ, জোতা, ৰেইনকোট) আৰু ষড়যন্ত্ৰমূলকভাৱে কৰ্মীৰ সংখ্যা হ্ৰাস আদি অভিযোগ উত্থাপিত হৈছে। কোম্পানীটোৱে এতিয়া কেৱল ১৮ গৰাকী গাৰ্ডকহে ৰাখিবলৈ বিচাৰে। কিন্তু সুৰক্ষা কৰ্মচাৰী সকলৰ মতে ১২০০ বিঘা এলেকাৰ নিৰাপত্তাৰ বাবে ১৮জন নিৰাপত্তাৰক্ষী পৰ্যাপ্ত নহয়। সুৰক্ষা কৰ্মচাৰী সকলে গাৰ্ডৰ সংখ্যা বৃদ্ধি, দৰমহা বৃদ্ধি আৰু স্থায়ী চুপাৰভাইজাৰৰ নিযুক্তিৰ তিনিদফীয়া দাবী উত্থাপন কৰিছে। দাবীসমূহ মানি নোলোৱা পৰ্যন্ত এই কৰ্মবিৰতি চলি থাকিব বুলি কৰ্মবিৰতিত থকা সুৰক্ষা কৰ্মীসকলৰ তৰফৰ পৰা জানিব পৰা গৈছে। সুৰক্ষা কৰ্মীসকলৰ প্ৰতিবাদত সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ আমগুৰি আঞ্চলিক সমিতিয়ে সম্পূৰ্ণ সহায় আগবঢ়াইছে। প্ৰতিবাদ কাৰ্যসূচীত আটাছু শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি গৌতম দিহিঙ্গীয়া, সহঃ সাধাৰণ সম্পাদক প্ৰদ্যুত গগৈ, আৰু আঞ্চলিক সভাপতি আকাশ গগৈ উপস্থিত থাকে।

# নগাঁও জিলাৰ পুৰণিগুদামত গ্ৰীষ্মকালীন খোলবাদ্য কৰ্মশালা

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলৰ নামপানীগাঁও নামঘৰত যোৱা ১০ জুলাইৰ পৰা অনুষ্ঠিত হোৱা গ্ৰীষ্মকালীন খোলবাদ্যৰ কৰ্মশালাখনিৰ যোৱা কালি সফল সামৰণি পৰে। কৰ্মশালাখনৰ সামৰণি অনুষ্ঠানৰ মুকলি সভাখনত সভাপতিত্ব কৰে বিশিষ্ট সাহিত্যিক সমাজসেৱক তথা পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু শ্ৰীশ্ৰী লাইআটি সত্ৰৰ সত্ৰাধিকাৰ যুগলচন্দ্ৰ দেৱগোস্বামীয়ে। ন-শিকাৰুসকলৰ দ্বাৰা পৰিৱেশিত গুৰুঘাটেৰে সভাৰ কাম আৰম্ভ কৰা হয়। সভাখনত উদ্দেশ্য আৰু ব্যাখ্যা কৰি কৰ্মশালাখনৰ পৰিচালক প্ৰফুল্ল চন্দ্ৰ কলিতাই নামপানীগাঁৱৰ বায়নসকলৰ ইতিহাস সম্পৰ্কে চমুকৈ দাঙি ধৰে। অফলীয়া বায়ন খ্যাত প্ৰয়াত লক্ষ্মীৰাম কলিতা বৰবায়নৰ পৰা প্ৰয়াত অকণমান বায়নৰ যোগেদি বায়ন বিদ্যাগ্ৰহণ কৰা স্বৰ্গীয় ধনীৰাম শইকীয়া, দুৰ্লভ শইকীয়া, মলোৰাম শইকীয়া আদি স্বৰ্গগত বায়নসকলক শ্ৰদ্ধাৰে সোঁৱৰে। সভাখনত সভাপতিত্ব কৰা যুগল চন্দ্ৰ দেৱগোস্বামীয়ে গাঁৱৰ ৰাইজৰ এই আশাশুধীয়া প্ৰচেষ্টাৰ ভূঁয়সী প্ৰশংসা কৰে। উক্ত সভাখনত বিশিষ্ট অতিথি হিচাপে লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামী উপস্থিত থাকি কৰ্মশালাখনত শিশুসকলৰ হস্তচালন আৰু পদচালন দেখি সন্তোষ প্ৰকাশ কৰি সাম্প্ৰতিক খোলবাদ্যৰ প্ৰতি নৱপ্ৰজন্মৰ আগ্ৰহে গাঁওখনৰ সুনাম অক্ষুণ্ণ ৰাখিব বুলি মতপ্ৰকাশ কৰে। লগতে উক্ত সভাখনত বিশিষ্ট অতিথি হিচাপে শিল্পীপেঞ্চনাৰ মহেন্দ্ৰ বৰা উপস্থিত থাকি নামপানীগাঁৱৰ লগত তেওঁৰ পুৰণি সম্পৰ্কৰ কথা সুঁৱৰি চিত্ৰশিল্পী আৰু বায়ন প্ৰয়াত মহেশ্বৰ বৰাৰ কথা উল্লেখ কৰে। ন-শিকাৰু প্ৰশিক্ষাৰ্থীসকলে প্ৰশিক্ষক কল্পজ্যোতি কলিতাৰ সহযোগত হস্তচালন, বহাচাহিনী, উঠাচাহিনী আদিৰ প্ৰদৰ্শন কৰে। শেষত পদুম শইকীয়াৰ তত্বাৱধানত অপৰাধৰ ঘোষাৰে সভাৰ কাৰ্য সমাপন কৰা হয় বুলি জানিব পৰা গৈছে।

## গুৰুতৰভাৱে আহত ইয়াকুব আলী

# বিন্নাকান্দিৰ যমুনাগাঁও পঞ্চায়তত ভয়ংকৰ মাৰপিট

**অসম বাৰ্তা, মোৰাঝাৰ, ৬ আগষ্ট ঃ** হোজাই জিলাৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত বিন্নাকান্দি সমষ্টিৰ যমুনাগাওঁ পঞ্চায়ত কাৰ্যালয়ত দুই ফৈদৰ মাজত ভয়ংকৰ মাৰপিটৰ ঘটনা সংঘটিত হয়। বাতৰি অনুসৰি সোমবাৰে পুৱা ১১ বজাত যমুনাগাঁও পঞ্চায়ত কাৰ্যালয়ত পঞ্চায়ত সচিবৰ আহ্বানত এখনি বিশেষ গাওঁ সভা অনুষ্ঠিত হয়। ঘটনা অনুসৰি সভা চলি থকাৰ সময়তে পঞ্চায়তৰ তিনি নং ৱাৰ্ড সদস্যাৰ পিতৃ গিয়াছ উদ্দিনে পঞ্চায়ত সচিবৰ পৰা আঁচনি সমূহৰ বিষয়ে বিতংভাৱে জানিবলৈ প্ৰশ্ন উত্থাপন কৰে। গিয়াছৰ প্ৰশ্নৰ উত্তৰ পঞ্চায়তৰ সচিবে ফালৰি কাঠি উত্তৰ দিয়াত সন্তুষ্ট নোহোৱাত বাৰংবাৰ একে প্ৰশ্নৰ উত্তৰ বিচাৰিছিল গিয়াছে। তেনে সময়তে একে গাৱঁৰে ইয়াকুব আলী নামৰ ব্যক্তি গৰাকীয়ে গিয়াছ উদ্দিনক বাৰংবাৰ একে প্ৰশ্ন নকৰিবলৈ বাধা প্ৰদান কৰে। তাৰ পিছতে গিয়াছ উদ্দিন আৰু ইয়াকুব আলীৰ মাজত প্ৰথমে তৰ্কাতৰ্কি আৰম্ভ হয়। পাছত দুয়ো পক্ষৰ মাজত প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয়। মাৰপিটৰ ফলত ইয়াকুব আলী নামৰ ব্যক্তি গৰাকী গুৰুতৰভাৱে আহত হয়। ইফালে ঘটনাৰ দুঘণ্টা মান পিছতে গিয়াছ উদ্দিনৰ ভতিজা ইমৰান হুছেইন অগৰু কাম শেষ কৰি চেলুনত চুলি কাটিবলৈ যাওতে ইয়াকুব আলীৰ পৰিয়ালে মাৰপিট কৰাৰ অভিযোগ উত্থাপন কৰিছে গিয়াছ উদ্দিনৰ পৰিয়ালে। সমগ্ৰ ঘটনা সন্দৰ্ভত দুয়ো পক্ষই দেৱস্থান উপ-আৰক্ষী চকীত পৃথকে পৃথকে দাখিল কৰিছে এজাহাৰ। ঘটনাস্থলীত দেৱস্থান উপ-আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কৈলাস মালাকাৰ উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে এই ঘটনা সংঘটিত হোৱাৰ পিছতে সমগ্ৰ ৰাজ্যজুৰি বিভিন্নজনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। সকলোৱে এই ঘটনাটোক নিন্দা জনোৱাৰ লগতে দোষীক কঠোৰৰ পৰা কঠোৰ শাস্তি প্ৰদান কৰাৰ দাবী উত্থাপন কৰিছে। লগতে স্থানীয় সচেতন মহলে এই ঘটনাটোক ধিক্কাৰ জনোৱাৰ উপৰিও অনাগত সময়ত এনেধৰণৰ কাৰ্য-কলাপৰ পৰা সকলো পক্ষ বিৰত থাকি শান্তি- শৃংখলা বজাই ৰাখিবলৈ আহ্বান জনায়।

# লোক কল্যাণ দিৱসত বৰপেটাত প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈক সন্মানিত

**অসম বাৰ্তা, বৰপেটা সদৰ, ৬ আগষ্ট ঃ** অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী তথা ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাসৰ এগৰাকী মহান ব্যক্তিত্ব ভাৰতৰত্ন গোপীনাথ বৰদলৈ দেৱৰ ৭৫ তম মৃত্যু বাৰ্ষিকী উপলক্ষে বৰপেটা জিলাত আজি লোক কল্যাণ দিৱস পালন কৰা হয়। বৰপেটা জিলা উপায়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয় এই কাৰ্যসূচী। এই উপলক্ষে জিলা প্ৰশাসনৰ তিনিগৰাকী কৰ্মচাৰীক তেওঁলোকৰ দৃষ্টান্তমূলক জনসেৱাৰ স্বীকৃতি স্বৰূপে লোকসেৱাৰ সন্মান প্ৰদান কৰা হয়। কনিষ্ঠ জিলা প্ৰশাসনিক সহায়ক উৎপল দাস, জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক, হিতেশ দাস আৰু অফিচ পিয়ন বীৰেন্দ্ৰ নাথ দাসে অসম চৰকাৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি ৰাইজৰ বাবে আন্তৰিকতাৰে কাম কৰি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে। এই অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত সকল, চক্ৰ বিষয়া, সহকাৰী আয়ুক্তকে ধৰি জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে। এই উপলক্ষে ভাষণ প্ৰদান কৰি জিলা উন্নয়ন আয়ুক্তয়ে কয় যে এনে বঁটাসমূহে চৰকাৰী কৰ্মচাৰীসকলক তৎকালীন, ফলপ্ৰসু, আৰু জনকেন্দ্ৰিক সেৱা আগবঢ়াবলৈ প্ৰেৰণা যোগায়। তেওঁ লগতে কয়, 'চৰকাৰৰ সেৱকসকলে সদায় জনসাধাৰণৰ সেৱাত নিজৰ শ্ৰেষ্ঠখিনি দিবলৈ চেষ্টা কৰিব লাগিব। বৰপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে গোপীনাথ বৰদলৈৰ জীৱন আৰু উত্তৰাধিকাৰ সন্দৰ্ভত মুখ্য বক্তাৰ ভাষণ প্ৰদান কৰে। তেওঁ গান্ধীবাদী আদৰ্শৰ প্ৰতি বৰদলৈৰ দায়বদ্ধতা আৰু অসমক আধুনিক ভৱিষ্যতৰ দিশত পৰিচালিত কৰাত তেওঁৰ গুৰুত্বপূৰ্ণ ভূমিকাক স্মৰণ কৰে। "অসমৰ জনসাধাৰণৰ উত্থানৰ বাবে তেওঁৰ নিষ্ঠাৰ বাবে তেওঁক স্মৰণ কৰা হয়," ড° দাসে কয়। অতিৰিক্ত জিলা আয়ুক্ত, গীতাশ্ৰী লাচিতে প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীৰ অমূল্য অৱদানৰ ওপৰত আলোকপাত কৰি তেওঁক আধুনিক অসমৰ স্থপতি বুলি অভিহিত কৰে। সামৰণি ভাষণ প্ৰদান কৰি অতিৰিক্ত জিলা আয়ুক্ত, জয়ন্ত বৰাই চৰকাৰী কৰ্মীসকলৰ নিষ্ঠাক স্বীকৃতি দিয়াৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে প্ৰশংসাই অধিক জনসেৱাৰ প্ৰেৰণা দিয়ে।

# দৰং জিলা পৰিষদৰ সভানেত্ৰী উপ-সভানেত্ৰী নিৰ্বাচিত

**অসম বাৰ্তা, দেওমৰনৈ, ৬ আগষ্ট ঃ** বহু প্ৰতিক্ষাৰ অন্তত অৱশেষত আজি দৰং জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচিত হয়। দৰং জিলা পৰিষদৰ কাৰ্যালয়ৰ কনফাৰেঞ্চ হলত অনুষ্ঠিত এখন সভাত নিৰ্বাচন কৰে সভাপতি আৰু উপ-সভাপতিক। জানিব পৰা মতে জিলা পৰিষদৰ সদস্যা শেৱালি গোস্বামী কলিতাক সভানেত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ বিপৰীতে সদস্যা পৰিস্মিতা নাথক উপ-সভাপতি নিৰ্বাচিত হয়।

## পথ সুৰক্ষা, বাল্য বিবাহ, ড্ৰাগছৰ ভয়াৱহতা

# হোজাইত জিলা প্ৰশাসনৰ সজাগতামূলক কাৰ্যসূচী

**অসম বাৰ্তা, ডবকা, ৬ আগষ্ট ঃ** হোজাই জিলাত পথ সুৰক্ষাৰ লগতে বাল্য বিবাহ, শিশু শ্ৰমিক আৰু ড্ৰাগছৰ ভয়াৱহতাৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ এক বিশেষ অভিযান হাতত লৈছে হোজাই জিলা প্ৰশাসনে। জিলাখনত সজাগতা সৃষ্টিৰ বাৰ্তা কঢ়িয়াই নিয়া এখন বিশেষ বাহনৰ যোগেদি সজাগতাৰ ব্যৱস্থা কৰিছে প্ৰশাসনে। মুখ্যমন্ত্ৰীৰ পথ সুৰক্ষা বিষয়ক বাৰ্তাৰ উপৰি 'বাল্য বিবাহ এক আইনী অপৰাধ' পথৰ নিয়ম মানক জীৱন সুৰক্ষিত কৰক' ন ড্ৰাগছ, ষ্টপ ড্ৰাগছ' আদি শ্ল'গান সন্নিৱিষ্ট বেনাৰেৰে সু-সজ্জিত চাৰিচকীয়া বাহনখনৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা ফ্লেগ অব্ কৰে হোজাই জিলাৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে। এই কাৰ্যসূচীত জিলা আয়ুক্তৰ লগতে উপস্থিত থাকে হোজাই জিলাৰ আৰক্ষী অধীক্ষক সৌৰভ গুপ্তা সহ অতিৰিক্ত জিলা আয়ুক্ত বনি ইনাম ছান্দাব আৰু বিভিন্ন বিভাগৰ প্ৰশাসনিক মুৰব্বী বিষয়াসকল। চাৰিচকীয়া বাহনখনৰ উপৰি কেইবাখনো মটৰ চাইকেলেও সজাগতা সৃষ্টিৰ অভিযানত অংশগ্ৰহণ কৰে। ডিজিটেল ডিছপ্লে'ৰ ব্যৱস্থা থকা বাহনখনে, ৪ আগষ্টৰ পৰা ১৫ আগষ্টলৈ জিলাখনৰ বিভিন্ন প্ৰান্তৰত পথ সুৰক্ষা, শিশু শ্ৰমিক, বাল্য বিবাহ আৰু ড্ৰাগছৰ ভয়াৱহতাৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰচাৰ চলাব। সজাগতা অভিযান আৰম্ভ কৰি জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে কয় যে যিমানেই চৰকাৰী প্ৰশাসন যন্ত্ৰ শক্তিশালী নহওক কিয়, যিমানেই আমি প্ৰচেষ্টা হাতত নলওঁ কিয়, যেতিয়ালৈকে ৰাইজৰ মাজত সজাগতা নাহে, ৰাইজ নিজেই আগুৱাই নাহিব, তেতিয়ালৈকে কাৰ্যসূচী এশ শতাংশ সফল হোৱাটো কঠিন হৈ পৰে। বৰ্তমান চৰকাৰেও যৎপৰোনাস্তি চেষ্টা চলাইছে, ৰাইজৰ সুৰক্ষাৰ কাৰণে, শ্ৰমিকৰ উন্নয়নৰ বাবে।

# মৰিগাঁৱত বিদ্যালয় পৰিত্যাগ কৰা শিশুসকলৰ চিনাক্তকৰণৰ বৈঠক

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৬ আগষ্ট ঃ** মৰিগাঁও জিলাৰ জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত বিদ্যালয় পৰিত্যাগ কৰা শিশুসকলৰ চিনাক্তকৰণৰ উদ্দেশ্যে এক গুৰুত্বপূৰ্ণ অনলাইন অভিমুখীকৰণ আৰু সমীক্ষা সম্পৰ্কীয় এখনি বৈঠক অনুষ্ঠিত হয়। সভাখন অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) শ্ৰীমতী নীতিশা বৰাই সভাপতিত্ব কৰে। সভাত CRCC সকলৰ উদ্দেশ্যে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰা হয়। তেওঁলোকক নিজৰ-নিজৰ ক্লাষ্টাৰত অৱস্থিত বিদ্যালয়সমূহ পৰিদৰ্শন কৰি বিদ্যালয়ৰ পৰা পাঠ পৰিত্যাগ কৰা বা নিয়মিত বিদ্যালয় নাযোৱা শিশুসকলক চিনাক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই সম্পৰ্কে ৰাজ্যিক পৰ্যায়ৰ পৰা ইতিমধ্যে অনলাইন আবেদনপত্ৰ উপলব্ধ কৰা হৈছে, যাক CRCC সকলে সময়মতে সঠিকভাৱে পূৰণ কৰিব লাগিব। উল্লেখযোগ্য যে, এই সমীক্ষাখন অহা ৭ দিনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দিষ্ট সময়সীমা নিৰ্ধাৰণ কৰা হৈছে, যাতে সন্তোষজনক অগ্ৰগতি নিশ্চিত কৰিব পৰা যায়। লগতে, প্ৰতিজন CRCC-এ ন্যুনতম ১০ জনকৈ শিশুৰ তথ্য আবেদনপত্ৰত অন্তৰ্ভুক্ত কৰা বাধ্যতামূলক কৰা হৈছে। তথ্যৰ সঠিকতা নিশ্চিৎ কৰিবলৈ CRCC সকলে নিজে গৈ শিশুবিলাকৰ পৰিয়ালৰ সৈতে সংযুক্ত সংস্থাপনস্থলত ভিজিট কৰি প্ৰমাণপূৰ্ণ তথ্য সংগ্ৰহৰ নিৰ্দেশনা দিয়া হয়। উক্ত বৈঠকখনত শিক্ষা বিভাগৰ বিভিন্ন বিকাশ খণ্ডৰ শিক্ষা বিষয়া সকল, CRCC তথা অন্যান্য সম্বন্ধীয় বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

# নগাঁৱৰ ভালুকমাৰীত গৰু চুৰি

## সাংবাদিকৰ গোহালিৰ পৰা নিলে তিনিজনী গাই

**অসম বাৰ্তা, নগাঁও, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানা এলেকাৰ বিভিন্ন প্ৰান্তত সঘনাই গৰু চুৰিকাৰ্য সংঘটিত হৈ থকাত কৃষক, গো পালক সকলৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। দুদিন পুৰ্বে গৰু চোৰৰ বাহনৰ খুন্দাত কলিয়াবৰৰ তিনিজন আৰক্ষী আহত হৈছিল। কলিয়াবৰত সঘনাই গৰু চুৰি হৈ আছে। একেদৰে জিলাখনৰ জাজৰি আৰক্ষী থানাৰ কেবাটাও অঞ্চলতো গৰু চুৰিকাণ্ড সংঘটিত হৈ আহিছে। যোৱা নিশাও জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত ভালুকমাৰীত এক গৰু চুৰিকাণ্ড সংঘটিত হয়। সাংবাদিক জয়ন্ত বৰদলৈৰ গোহালিৰ পৰা যোৱা নিশা দুজনী গাভিনী গাই গৰু আৰু এটা দমৰা মুঠ তিনিটা গৰু চোৰৰ দলে চুৰি কৰি লৈ যায়। তিনি টাকৈ গৰু চুৰি হোৱাৰ পিছত বৰদলৈৰ পৰিয়ালত হাহাকাৰৰ সৃষ্টি হৈছে। গো পালনৰ লগতে কৃষি কৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰা বৰদলৈৰ পৰিয়াল এতিয়া সমস্যাত পৰিছে। ইতিমধ্যে বৰদলৈয়ে গৰু চুৰি সন্দৰ্ভত জাজৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে যদিও বাতৰি লিখা সময়লৈকে গৰু চুৰিৰ লগত জড়িত দলটোৰ সন্ধান উলিয়াব পৰা নাই। কিছু দিনৰ পৰা নগাঁও মৰিগাঁও পথ(বৰ্তমানৰ৩ নং ৰাজ্যিক ঘাই পথ)ৰ কাষৰ গো পালক সকলৰ গো ধন চোৰৰ লক্ষ হৈ পৰিছে। উল্লেখ্য যে এই মাহতেই কাকমাৰীৰ স্বাধীন বৰুৱা, শিক্ষয়িত্ৰী কিৰণ বৰদলৈ, গুণীন্দ্ৰ ডেকা, ভালুকমাৰিৰ হেমেন হাজৰিকা, আৰু গান্ধী বড়িৰ পৰাও কেইবাঘৰৰো গৰু তিনি চাৰিদিন অগাধ পিছাকৈ চুৰি হোৱাৰ পিছত সাংবাদিক গৰাকীৰ গৰু চোৰৰ লক্ষ হৈ পৰে। ইফালে পোন্ধৰ বছৰ আগতেও সাংবাদিক গৰাকীৰ ঘৰৰ তিনি জনি গাই সহ চুবুৰীটোৰ পৰা মুঠ নটা গৰু চুৰি হৈছিল।

# দিচাং ধাই আলি গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকলৰ কাৰ্যভাৰ গ্ৰহণ

**অসম বাৰ্তা, দিচাংমুখ, ৬ আগষ্ট ঃ** দিচাংমুখ জিলা পৰিষদৰ অন্তৰ্গত দিচাং ধাই আলি গাঁও পঞ্চায়তৰ সভাকক্ষত আজি পঞ্চায়তখনৰ প্ৰতিনিধিসকলে কাৰ্যভাৰ গ্ৰহণ কৰে। নৱনিৰ্বাচিত সভানেত্ৰী জ্যোতিমণি গগৈয়ে সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে পঞ্চায়তখনৰ সচিব প্ৰণৱ গগৈয়ে। সভাত বিশিষ্ট অতিথি হিচাপে থাকি বক্তব্য আগবঢ়াই শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া চতিশ চন্দ্ৰ ঠাকুৰীয়া, অন্যান্য পিছপৰা শ্ৰেণীৰ অধ্যক্ষা সুৰভী ৰাজকুঁৱৰী, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য প্ৰাঞ্জল কটকী, কোঁৱৰপুৰ মণ্ডলৰ প্ৰাক্তন সভাপতি ধ্ৰুৱ প্ৰসাদ শইকীয়া, ৰংপুৰ মণ্ডলৰ সভাপতি সূৰ্য্য কাকয়ুং, দিচাংমুখ জিলা পৰিষদৰ সমস্য অজি চাংমাই, জকাই চুক জিলা পৰিষদৰ সদস্য হৰেকৃষ্ণ নেওগ, পঞ্চায়তৰ কনিষ্ঠ অভিযন্তা দেৱজিৎ গগৈ, জিপিচি নিতু খণ্ডীয়া, জিআৰএছ চন্দন বৰা, টিচি ৰাণা শইকীয়া, পিয়ন সৰ্বেশ্বৰ ভৰালী, দিচাং ধাই আলি পঞ্চায়তৰ আঞ্চলিক সদস্যা মালবিকা গগৈ, পঞ্চায়তৰ উপ-সভানেত্ৰী শান্তিপ্ৰিয়া দাস, ৱাৰ্ড সদস্য-সদস্যা সুশীল শইকীয়া, বিজুমণি গগৈ, দীপশিখা গগৈ, যতীন্দ্ৰ য়েইন, ৰিংকুমণি দাস, মুকিবুৰ ৰহমান, চৰিফুল আলি, আচলিমা বেগম, কোঁৱৰপুৰ মণ্ডলৰ উপ-সভাপতি হেমেন ৰাজখোৱা, কোঁৱৰপুৰ মণ্ডলৰ সম্পাদিকা জোনমণি মিলি, দিচাংমুখ পঞ্চায়তৰ নৱনিৰ্বাচিত সভাপতি সঞ্জয় পাংগিং, উপ-সভাপতি জিতুমণি দাস, ৰঞ্জন বৰুৱা, শোণিত গগৈকে আদি কৰি বহু কেইজন কৰ্মকৰ্তাৰ লগতে শতাধিক ৰাইজ উপস্থিত থাকে।

# বৰপথাৰৰ গেলাবিলৰ মৰেল পুলিচিঙৰ ঘটনা-সাংবাদিকক দুৰ্ব্যৱহাৰৰ গৰিহণা নিখিল ভাৰত যুৱ ফেডাৰেচনৰ

## ঘটনাস্থলীত নীৰৱ দৰ্শক হৈ থকা আৰক্ষী বিষয়াক তদন্তৰ আওতালৈ অনা আৰু নিলম্বন দাবী

**অসম বাৰ্তা, মেৰাপানী, ৬ আগষ্ট ঃ** মানৱ সমাজক লজ্জানত কৰা বৰপথাৰৰ নৃশংস মৰেল পুলিচিঙৰ ঘটনাক তীব্ৰ ধিক্কাৰ দিয়াৰ লগতে আৰক্ষীৰ পক্ষপাতমূলক আচৰণ আৰু সাংবাদিকক কৰা দুৰ্ব্যৱহাৰৰ গৰিহণা দিছে নিখিল ভাৰত যুৱ ফেডাৰেচনে। সংগঠনটোৱে এক প্ৰেছ বিবৃতিৰ জৰিয়তে কয় যে শাসকীয় দলৰ নেতা, ছাত্ৰ নেতা আৰু এজন শিক্ষকৰ দৰে বৃত্তিত থকা সমাজৰ আগশাৰীৰ ব্যক্তিৰ নেতৃত্বত নৃশংস মৰেল পুলিচিঙৰ ঘটনা সংঘটিত কৰি সমগ্ৰ অসমকে লজ্জানত কৰিছে। এই ব্যক্তিকেইজন আচলতে সমাজৰ নেতৃত্বত থকাৰ যোগ্য নহয়। ভুক্তভোগী যুৱক আৰু নাবালক কিশোৰজনে যদি কিবা অপৰাধ কৰিছিল তেন্তে তেওঁলোকক আৰক্ষী গতাই নিদি নিজে আইন হাতত তুলি ল'বলৈ তেওঁলোকক কোনে অধিকাৰ দিলে? আনহাতে ভুক্তভোগীয়ে কৈছে যে ঘটনা সংঘটিত হোৱাৰ সময়ত সেই স্থানত বৰপথাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীও উপস্থিত আছিল। আৰক্ষী বিষয়াগৰাকীৰ সমৰ্থন নাথাকিলে এনে নাৰকীয় ঘটনা তেওঁৰ সন্মুখতে সংঘটিত হ'ব নোৱাৰিলেহেঁতেন। দেখা গৈছে যে আৰক্ষী বিষয়াগৰাকীৰ আচৰণত অপৰাধী কেইগৰাকীক ৰক্ষণাবেক্ষণ দিয়া কথা ফুটি উঠিছে। তাৰবাবে তেওঁ আনকি সাংবাদিককো দুৰ্ব্যৱহাৰ কৰিবলৈ পিছহুহকা নাই। ইফালে মূল অভিযুক্তজন সৰুপথাৰৰ বিধায়কৰ সোঁহাত বুলি আৰু সেইবাবেই অপৰাধীৰ ক্ষেত্ৰ আৰক্ষী নৰম বুলি ইতিমধ্যে বাতৰিত প্ৰকাশ হৈছে। বিধায়কগৰাকীয়ে অপৰাধী তেওঁৰ দলৰ বাবে জোখতকৈ বেছিয়ে শাস্তি পাব বুলি কৈ সেয়া মানুহক দেখুৱাবলৈহে কৈছে সেয়া নিজে প্ৰমাণ দি দিছে। কাৰণ অপৰাধীয়ে আইন মতেহে শাস্তি পাব, বিধায়কৰ মুখৰ কথা মতে জোখতকৈ বেছি নহয়। সংগঠনটোৰ ৰাজ্যিক যুটীয়া সম্পাদক বিতোপন গগৈয়ে এই ঘটনাৰে জড়িত ৰাজু, শশাংক, আৰু ৰঞ্জিত শ্ৰেষ্ঠক আইন মতে কঠোৰতম শাস্তিৰ দাবী কৰাৰ লগতে বিধায়কৰ হৈ অপৰাধী উদ্ধাৰ অভিযানত নামি পৰা আৰু ঘটনাস্থলীত নীৰৱ দৰ্শক হৈ থকা বৰপথাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক নিলম্বন কৰি তদন্তৰ আওতালৈ আনিবলৈ দাবী জনাইছে।

## সম্পাদকীয়

# গেলাবিল কাণ্ড: অভিযুক্তক আপ্যায়ন

গোলাঘাট জিলাৰ বৰপথাৰত এজন নাবালকৰ ওপৰত চলোৱা নিৰ্মম অত্যাচাৰৰ ঘটনাই সমগ্ৰ অসমক স্তম্ভিত কৰিছে। এই বৰ্বৰতাক ন্যায়ৰ কাঠগড়াত দাঙি ধৰাটো সময়ৰ দাবী। কিন্তু আৰক্ষী থানাত অভিযুক্তক 'চাহৰ আতিথ্য' প্ৰদানৰ দৃশ্যই ন্যায় ব্যৱস্থাৰ প্ৰতি আমাৰ বিশ্বাসক আৰু এক প্ৰশ্নৰ সন্মুখীন কৰিছে। অভিযুক্ত ৰাজু শ্ৰেষ্ঠ, ৰঞ্জিত শ্ৰেষ্ঠ আৰু শশাংক শ্ৰেষ্ঠই নাবালকজনক ভোট জলকীয়া আৰু নিমখেৰে অত্যাচাৰ চলোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হৈছে। এই নৃশংসতাই আমাৰ সমাজৰ নৈতিক ভেটিকেই কম্পিত কৰি তুলিছে। আহত নাবালকজনৰ চিকিৎসাৰ প্ৰতি সকলোৰে দৃষ্টি ৰাখিবলগীয়া হৈছে। গ্ৰেপ্তাৰৰ পিছত থানাৰ ভিতৰত অভিযুক্তক হাঁহি-খিলিকালিৰে চাহ খুৱাই থকাৰ দৃশ্যই জনসাধাৰণৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এনে গুৰুতৰ অপৰাধৰ অভিযুক্তক এনে 'আপ্যায়ন'ৰ অৰ্থ কি? এই কাৰ্য্যই ন্যায় প্ৰক্ৰিয়াৰ প্ৰতি আমাৰ বিশ্বাসক আঘাত কৰিছে। আৰক্ষীৰ কৰ্তব্য হৈছে নিৰপেক্ষ তদন্ত কৰা, অপৰাধীক কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা—অপৰাধীক 'আতিথেয়তা' প্ৰদান কৰা নহয়। ইতিমধ্যে স্থানীয় ছাত্ৰ সংগঠন আৰু ৰাজনৈতিক দলে অভিযুক্তসকলক সংগঠনৰ পৰা বহিষ্কাৰ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কঠোৰ শাস্তিৰ প্ৰতিশ্ৰুতি দিলেও, এই প্ৰতিশ্ৰুতি কাৰ্য্যত পৰিণত হ'ব নে সেইটোৱেই এতিয়াৰ প্ৰধান প্ৰশ্ন। গেলাবিলৰ এই ঘটনাই আমাৰ সমাজৰ এক কদৰ্য্য ছবি উন্মোচন কৰিছে। নাবালকৰ ওপৰত অত্যাচাৰ—ইয়াৰ তুলনাতকৈ অধিক নিকৃষ্ট অপৰাধ কমেই আছে। আমাৰ দাবী হ'ব—এই কাণ্ডক কেৱল এটা বিচ্ছিন্ন ঘটনা হিচাপে নাচাই, আমাৰ সমাজত বাস কৰি থকা এই নিৰ্যাতনৰ সংস্কৃতিৰ প্ৰতি সজাগ হ'বলৈ। ন্যায়ই যেন বিলম্ব নকৰে, সেইদিশে চৰকাৰ, আৰক্ষী আৰু ন্যায়ালয়ৰ ওপৰত আমাৰ দৃষ্টি থাকিব।




> আন্তৰ্জাতিক পুঁজিৰ আগ্ৰাসনৰ বিৰুদ্ধে মানুহ বিক্ষুব্ধ হৈছে, কিন্তু এই বিক্ষোভ যাতে সংগঠিত ৰাজনৈতিক বিক্ষোভলৈ ৰূপান্তৰিত নহয় তাৰ বাবে শাসক গোষ্ঠীয়ে সমাজৰ মূল সমস্যাসমূহক আঁতৰত ৰাখি অগৌণ সমস্যাসমূহক মুখ্য সমস্যা হিচাপে দাঙি ধৰিবলৈ ন ন বিষয় বা ইছুৰ সৃষ্টি কৰিছে। কাল্পনিক ইছুবোৰত বিভিন্ন তথ্য আৰু ৰহণ সানি সেইবোৰকেই মুখ্য বুলি বুলি সমাজত বিয়পাই দিয়া হৈছে। এইবোৰ মিছাক সঁচা প্ৰতিপন্ন কৰিবলৈ বিভিন্ন প্ৰযুক্তি, বিভিন্ন সামাজিক মাধ্যম, ইউ-টিউব, কৃত্ৰিম বুদ্ধিমত্তা, সামাজিক-ৰাজনৈতিকভাৱে প্ৰতিস্থিত চতুৰ প্ৰবক্তা আদিক ব্যৱহাৰ কৰা হৈছে। বৰ্তমান তিনিটা মূল সমস্যাই আমাৰ সাধাৰণ গাঁৱলীয়া মানুহক জুৰুলা কৰিছে- কৰ্মসংস্থানহীনতা, ভূমিহীনতা আৰু ক্ৰয়ক্ষমতাহীনতা।

# প্লাষ্টিকৰ ব্যৱহাৰ আৰু ত্ৰিমাত্ৰিক গোলকীয় সংকট

অংকুমণি বৰা

আমাৰ চৌপাশৰ গছ গছনি, নদ-নদী, পশু পক্ষী, মাটি, বায়ু আদি সকলো খিনিক সামৰি আমাৰ পৰিৱেশ গঠিত হৈছে। এই পৰিৱেশৰ সুৰক্ষা কৰাটো পৃথিৱীত বসবাস কৰা সকলো জীৱৰে কৰ্তব্য। পৰিৱেশৰ ওপৰত আমাৰ মানৱ সমাজেই আটাইতকৈ বেছি প্ৰভাৱ পেলাইছে ।পৰিৱেশ সজাগতাৰ ধাৰনাটো ভাৰতত নতুন নহয়। পুৰনি ভাৰতত বহুল ভাৱে প্ৰচলিত সংস্কৃত ভাষাৰ পৰ্যাৱৰণ শব্দটো পৰিৱেশৰ লগত জড়িত। ইয়াৰ অৰ্থ হৈছে, যিয়ে আমাক আগুৰি ধৰিছে, অৰ্থাৎ যিটো আমাৰ চৌদিশে বিৰাজমান। অথৰ্ববেদত এই শব্দৰ সমাৰ্থক কিছুমান শব্দ ব্যৱহাৰ কৰা হয়; যেনে বৃতাবৃত, অভিৱৰহ, অবৃত, পৰিবৃত ইত্যাদি। পৰিৱেশৰ প্ৰতি বৈদিক দৃষ্টিভংগী অথৰ্ববেদত সুনিৰ্দিষ্ট ভাৱে সন্নিৱিষ্ট হৈছে, য'ত আমাৰ চৌপাশৰ তিনিটা আৱৰণৰ কথা উল্লেখ কৰা হৈছে। বিদ্বান সকলৰ মতে এই তিনিটা উপাদান বৈচিত্ৰ্যময়, দৃশ্যমান আৰু বিভিন্ন গুণেৰে ভৰপুৰ। এইবোৰ হ'ল পানী, বায়ু আৰু উদ্ভিদ বা বনৌষধি। পৃথিৱীত আদিৰে পৰাই এই সমূহৰ অস্তিত্ব আছে। এই সমূহক 'সকলোতে উপলব্ধ আৱৰণ' বুলি কোৱা হয়। প্ৰাচীন গ্ৰন্থ সমূহত বৰ্নিত এনেবোৰ কথাই ভাৰতবৰ্ষত বৈদিক যুগৰ পৰাই পৰিৱেশৰ প্ৰতি থকা সচেতনতাৰ ইংগিত বহন কৰে।

বৰ্তমান সময়ত পৰিৱেশ প্ৰদুষণ এটি বিভীষিকা হিছাপে পৰিগনিত হৈছে। পৰিৱেশৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ পৰিপ্ৰেক্ষিতত ১৯৭২ চনত ৰাষ্ট্ৰসংঘৰ ষ্টকহ'ম অধিৱেশনত প্ৰতি বছৰে ৬জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস উৎযাপন কৰাৰ সিদ্ধান্ত লোৱা হয়। মানৱ জাতিয়ে পৰিৱেশৰ ওপৰত কৰা অত্যধিক বিৰূপ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা আৰু এই বিষয়ে সজাগতা বৃদ্ধি কৰাই এই দিৱস উৎযাপনৰ মুল লক্ষ্য। ১৯৭৪ চনত আমেৰিকাৰ স্পকেন চহৰত প্ৰথমবাৰৰ বাবে পৰিৱেশ দিৱস পালন কৰা হয়। সেই বছৰৰ বিষয়বস্তু আছিল 'কেৱল এখন পৃথিৱী' আৰু তেতিয়াৰ পৰাই প্ৰতি বছৰে এই দিৱসটো এটা বিশেষ পৰিৱেশ বিষয়ক লৈ উণ্‌যাপন কৰা হয়। বিশ্বজুৰি প্লাষ্টিক নিৰ্মূলকৰণ এই বছৰৰ ৰাষ্ট্ৰসংঘৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয় বস্তু আছিল। যাক তেওঁলোকে ইংৰাজীত Ending Plastic Pollution Globally বুলি উল্লেখ কৰিছে। আয়োজক দেশ হৈছে দক্ষিন কোৰিয়া বা কোৰিয়া গনৰাজ্য।

প্লাষ্টিক হৈছে সাধাৰণতে পেট্ৰ'কেমিকেল বা চেলুল'জ আৰু ষ্টাৰ্চৰ দৰে বস্তুৰ পৰা আহৰণ কৰা কৃত্ৰিম বা অৰ্ধকৃত্ৰিম পদাৰ্থ। প্লাষ্টিক তৈয়াৰ কৰিবলৈ মূল উপাদানবোৰ ৰাসায়নিকভাৱে পৰিশোধন কৰি পলিমাৰ তৈয়াৰ কৰা হয়, যিবোৰ মুলতঃ অণুৰ দীঘলীয়া শৃংখল। প্লাষ্টিক হিচাপে ব্যৱহাৰ কৰা পলিমাৰৰ বহুতো ৰাসায়নিক নাম প্ৰায়ভাগৰে পৰিচিত যদিও কিছুমানৰ সংক্ষিপ্ত ৰূপ বা বাণিজ্যিক নামেৰে বেছি চিনাকি। এইদৰে পলিইথাইলিন টেৰেফ্থালেট আৰু পলিভিনাইল ক্লৰাইডক সাধাৰণতে পিইটি আৰু পিভিচি বুলি কোৱা হয়, আনহাতে ফেনযুক্ত পলিষ্টাইৰিন আৰু পলিমিথাইল মিথাক্ৰাইলেটক ইয়াৰ ট্ৰেডমাৰ্ক নাম ষ্টাইৰ'ফ'ম আৰু প্লেগ্লাছ (বা পাৰ্স্পে')ৰে জনা যায়। প্লাষ্টিকৰ বিশেষ কিছুমান ধৰ্ম যেনে কম ঘনত্ব, কম বৈদ্যুতিক পৰিবাহিতা, স্বচ্ছতা, আৰু কঠিনতাৰ সৈতে সংযুক্ত হোৱাৰ ফলত প্লাষ্টিকৰ পৰা বহু ধৰণৰ সামগ্ৰী তৈয়াৰ কৰিব পৰা যায়। এনে ধৰণৰ সুবিধাৰ কাৰণেই লাহে লাহে আমাৰ মাজত প্লাষ্টিক জনপ্ৰিয় হৈ পৰিছে। কিন্তু ইয়াৰ পৰিনামত পৃথিৱীয়ে লাভ কৰিছে কিছুমান পৰিৱেশৰ লগত জীন নোযোৱা বিষাক্ত আৱৰ্জনা। প্লাষ্টিক আৱৰ্জনাই আমাক চাৰিওফালৰ পৰা গ্ৰাস কৰিছে - আমি উশাহ লোৱা বতাহত, মাউণ্ট এভাৰেষ্টৰ হিমবাহৰ বৰফত, আমাৰ খোৱা পানীত, আমি খোৱা মাছত প্লাষ্টিকৰ অৱশিষ্ট পোৱা যায়। আনকি শেহতীয়াকৈ মানুহৰ প্লেচেণ্টাতো প্লাষ্টিক আৱিষ্কাৰ কৰা হৈছে। বৰ্তমান পাকঘৰৰ পৰা আৰম্ভ কৰি খেলপথাৰলৈকে সকলোতে আমি ব্যৱহাৰ কৰা অধিকাংশ বস্তুয়েই প্লাষ্টিকেৰে তৈয়াৰী। পৰিণতি দৃশ্যমান বা স্পষ্ট যেন নালাগিলেও আমাৰ জীৱনত প্লাষ্টিকৰ যথেষ্ট প্ৰতক্ষ বা পৰোক্ষ নেতিবাচক প্ৰভাৱ পৰিছে।

ৰাষ্ট্ৰসংঘৰ তথ্য মতে,পৃথিৱীত প্ৰতি বছৰে ৫০০ বিলিয়ন প্লাষ্টিকৰ মোনা আৰু ১মিলিয়ন প্লাষ্টিক বটল ব্যৱহাৰ হয় আৰু ১৩ মিলিয়ন টন প্লাষ্টিক সাগৰৰ পানীত মিহলি হয়। আনহাতে প্লাষ্টিকৰ উৎপাদনৰ বাবে প্ৰতি বছৰে ১৭ মিলিয়ন বেৰেল খাৰুৱা তেল ব্যৱহাৰ হয়। প্লাষ্টিকৰ এই ব্যাপক ব্যৱহাৰৰ ফলত প্ৰতিবছৰে ১লাখ সাগৰীয় প্ৰানীৰ মৃত্যু ঘটে। প্লাষ্টিকৰ ভয়াৱহতা ইমান বৃদ্ধি হৈছে যে বৰ্তমান পৃথিৱীৰ ৯০ শতাংশ বটলত পোৱা পানী আৰু ৮৩শতাংশ নলৰ পানীত প্লাষ্টিক কণিকা পোৱা গৈছে । আনহাতে বৰ্তমান ব্যৱহৃত প্লাষ্টিকৰ ৫০শতাংশ ই একক ব্যৱহাৰ যোগ্য প্লাষ্টিক আৰু মানৱ সৃষ্ট আৱৰ্জনাৰ ১০শতাংশ ই প্লাষ্টিক হোৱা পৰিঘটনাই এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ মতে প্লাষ্টিকৰ ব্যৱহাৰে গোলকীয় ত্ৰিমাত্ৰিক সংকটৰ সৃষ্টি কৰিছে। সেয়া হ'ল জলবায়ু পৰিৱৰ্তনৰ সংকট, প্ৰকৃতি, ভূমি আৰু জৈৱ বৈচিত্ৰ্য্য ক্ষতিৰ সংকট তথা প্ৰদুষণ আৰু আৱৰ্জনাৰ পৰা হোৱা সংকট।

প্লাষ্টিক প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তন আন্তঃসংলগ্ন আৰু ইয়াৰ ফলত পৰিৱেশত যথেষ্ট নেতিবাচক প্ৰভাৱ পৰে। প্লাষ্টিক উৎপাদন জীৱাশ্ম ইন্ধনৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল, যাৰ ফলত এই সমস্ত উৎপাদন প্ৰক্ৰিয়াত সেউজ



গৃহ গেছৰ নিৰ্গমন হয়। ২০১৯ চনত প্লাষ্টিক উৎপাদনত ১.৮ বিলিয়ন টন সেউজ গৃহ গেছ নিৰ্গমন হৈছিল যি বিশ্বৰ মুঠ নিৰ্গমনৰ ৩.৪ শতাংশ। ২০৬০ চনৰ ভিতৰত এই মাত্ৰা তিনিগুণ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। অনুমান কৰা হৈছে যে কেৱল এই জীৱাশ্ম ইন্ধনসমূহ নিষ্কাশন কৰি প্লাষ্টিক কাৰখানালৈ পৰিবহণ কৰিলেই ১৫ৰ পৰা ১ কোটি ২৫ লাখ মেট্ৰিক টন সেউজ গৃহ গেছ নিৰ্গত হয়। প্লাষ্টিক প্ৰদূষণৰ বৃদ্ধি পৃথিৱীৰ জৈৱ বৈচিত্ৰ্য্যৰ বাবে অত্যন্ত ক্ষতিকাৰক হোৱাই নহয় জলবায়ু পৰিৱৰ্তনতো ই অৰিহণা যোগায়। আজি উৎপাদিত একক ব্যৱহাৰ যোগ্য প্লাষ্টিকৰ প্ৰায় ৯৮ শতাংশ পেট্ৰ'কেমিকেল - তেল আৰু গেছৰ পৰা আহৰণ কৰা উপাদানৰে নিৰ্মিত। সেই জীৱাশ্ম ইন্ধনসমূহৰ নিষ্কাশন আৰু পৰিবহণ তথা প্লাষ্টিক নিৰ্মাণ আৰু নিষ্কাশনে বহুতো কাৰ্বন নিৰ্গমন কৰে যি গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে দায়ী।

প্লাষ্টিক প্ৰদূষণৰ বিষক্ৰিয়া জৈৱ বৈচিত্ৰ্য্যৰ প্ৰতি এক উল্লেখযোগ্য ভাবুকি। ই পৰিৱেশ তন্ত্ৰ, প্ৰাণী আৰু উদ্ভিদ প্ৰজাতিৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে, যাৰ ফলত পৰিৱেশৰ ভাৰসাম্য ৰক্ষাত বাধাৰ সৃষ্টি হয়। প্লাষ্টিক নিষ্কাশন কৰাটোও সমস্যাজন। প্লাষ্টিকৰ আৱৰ্জনা জ্বলাই দিলে বিষাক্ত ৰাসায়নিক পদাৰ্থৰ লগতে মাইক্ৰ আৰু নেন'প্লাষ্টিক বতাহত নিৰ্গত হয়, আনহাতে মাটিত পেলাই থোৱাৰ ফলত মাটি আৰু পানী দূষিত হয়। এনে পৰিপ্ৰেক্ষিতত এই সকলোবোৰ উপাদানে বিশ্বব্যাপী জৈৱ বৈচিত্ৰ্য্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। সাগৰত প্লাষ্টিকৰ ব্যাপক প্ৰভাৱ বৰ্তমান সময়ত অতি চিন্তনীয় বিষয় ।যিহেতু সাগৰপৃষ্ঠ স্থল ভাগৰ পৰা তলত, গতিকে স্থলভাগত উৎপন্ন হোৱা প্লাষ্টিকআৱৰ্জনাসমূহৰ বেছিভাগেই নানা কাৰনত সাগৰত গৈ পৰেগৈ। প্ৰতি বছৰে কেইবা নিযুত টন ধ্বংসাৱশেষ সাগৰত পেলোৱা হয় আৰু ইয়াৰ বহুখিনিয়েই অনুচিতভাৱে পেলোৱা প্লাষ্টিকৰ আৱৰ্জনা। ২০১৪ চনত প্ৰথম মহাসাগৰৰ প্লাষ্টিকৰ ধ্বংসাৱশেষৰ পৰিমাণ পৰীক্ষা কৰা সাগৰীয় অধ্যয়ন প্ৰকাশ পাইছিল ।এই অধ্যয়নত অনুমান কৰা হৈছিল যে প্ৰায় ২৪৪,০০০ মেট্ৰিক টন ওজনৰ কমেও ৫.২৫ ট্ৰিলিয়ন প্লাষ্টিক কণা সাগৰ পৃষ্ঠৰ ওপৰত বা ঠিক তলত ভাঁহি আছে। ২০২১ চনৰ এক অধ্যয়নত পোৱা গৈছে যে নদী, সাগৰ আৰু সাগৰ তীৰত থকা প্লাষ্টিক ধ্বংসাৱশেষৰ ৪৪ শতাংশ বেগ, বটল আৰু প্লাষ্টিক পেকেটৰ সৈতে জড়িত সামগ্ৰীৰে গঠিত।

আমেৰিকা যুক্তৰাষ্টৰ চিকিৎসা বিজ্ঞানৰ ৰাষ্ট্ৰীয় পুথিভঁৰাল ৰ তথ্য মতে প্ৰতি কিলোগ্ৰাম মাটিত ২১২৮ মিলিগ্ৰাম ৰ পৰা ১৪,৪৩৫ মিলিগ্ৰামত কৈ বেছি মাইক্ৰ'প্লাষ্টিক থকা অনুচিত। বৰ্তমান প্লাষ্টিক প্ৰদুষণৰ প্ৰভাৱত মাটিত এই মাইক্ৰ'প্লাষ্টিক বৃদ্ধি পাইছে। ইয়াৰ ফলশ্ৰুতিত মাটিৰ উৰ্বৰা শক্তি হ্ৰাস পাব ধৰিছে আৰু গছ গছনিৰ বিকাশ বাধাগ্ৰস্ত হৈছে। এনে পৰিঘটনাই অনাগত দিন বোৰত গুনগত মানৰ খাদ্য উৎপাদন হ্ৰাস কৰাৰ লগতে মানৱ স্বাস্থ্যৰ প্ৰতি অধিক ভাবুকি সৃষ্টি কৰিব।

সেয়ে এই প্লাষ্টিক প্ৰদূষণ নিৰ্মুল কৰাটো এই শতিকাৰ উল্লেখনীয় প্ৰত্যাহ্বান। প্লাষ্টিক প্ৰদুষণ ৰোধ কৰাৰ প্ৰথম প্ৰচেষ্টা ঘৰখনৰ পৰাই আৰম্ভ কৰাতো জৰুৰী। একক ব্যৱহৃত প্লাষ্টিকতকৈ বহুব্যৱহৃত প্লাষ্টিকৰ ব্যৱহাৰে কিছু প্লাষ্টিক আৱৰ্জনা কমাব বুলি আশা কৰিব পাৰি। বজাৰলৈ গ'লে নিজৰ বেগটো লৈ যোৱা, প্লাষ্টিক পানীৰ বটলৰ ব্যৱহাৰ বন্ধ কৰা, পৰিৱেশ ৰ অনুকূল হোৱা বস্তুৰে নিৰ্মিত বেগহে ব্যৱহাৰ কৰা ইত্যাদি ধৰণৰ অভ্যাসে আমাক প্লাষ্টিকৰ পৰা কিছু সকাহ দিব বুলি ভাবিব পাৰি। প্লাষ্টিক সামগ্ৰীৰ ৰক্ষণাবেক্ষণ আৰু মেৰামতি কৰি যাতে সঘনাই সলনি কৰিব নালাগে তাৰ প্ৰতি লক্ষ্য ৰখা প্ৰয়োজন। পুনৰ ব্যৱহাৰ যোগ্য বস্তুৰে নিৰ্মিত সামগ্ৰী ক্ৰয় কৰাটোও অন্য এক গুৰুত্বপূৰ্ণ পদক্ষেপ। অপ্ৰয়োজনীয় প্লাষ্টিকৰ ব্যৱহাৰ ৰোধ কৰি বহনক্ষম বিকল্পৰ জৰিয়তে এক সুস্থিৰ পৰিৱেশ তন্ত্ৰৰ সূচনা কৰিব পাৰি। ই গোলকীয় সংকটৰ সমাধানৰ পথ প্ৰশস্ত কৰিব।

# ৰাজনীতিৰ মেৰপাকত জাতীয় দল-সংগঠনবোৰ সোমাই পৰিছে নেকি ?

ব্ৰজেন দাস

"ৰাজনীতিয়ে বিচ্ছিন্ন কৰে সাহিত্য- সংস্কৃতিয়ে একত্ৰিত কৰে" - নৱনীতা সেনগুপ্তাই কোৱা এই কথাষাৰ যথাৰ্থতা নুই কৰিব নোৱাৰি। সাম্প্ৰতিক অসমৰ দলীয় ৰাজনীতিত ভূমুকি মাৰিছে কেইবাটাও জাতীয় সংগঠনৰ প্ৰাক্তন ছাত্ৰনেতাই। দলীয় ৰাজনীতিলৈ যোৱাৰ আগতে এই জাতীয় সংগঠন সমূহৰ নেতাসকলে জাতিৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি কিমান সচেতন বা দায়বদ্ধতা প্ৰদৰ্শন কৰিছিল তাক তৎকালীনভাৱে ক'ব পৰা নাযায়। কিন্তু তাৰ উত্তৰ পৰৱৰ্তী সময়ত পোৱা যায় যদিও ৰাইজে সেইবোৰ পাহৰি যায়। জাতীয় সংগঠন আছু ৰ পৰা অসম গণ পৰিষদ সৃষ্টি হ'ল। আছুৰ নেতাৰ পৰা ৰাজনৈতিক নেতা হ'ল। সময় বাগৰিল। প্ৰতিচ্ছবি পৰিস্ফুট হ'ল। আপুনি মই উত্তৰ পালোঁ। কিন্তু লাভ কি হ'ল? আঞ্চলিকতাবাদী ৰাজনীতিৰ নামত এমখা ছাত্ৰনেতা ৰাজনীতিবিদ হ'ল। এটা সময়ত ৰাইজৰ প্ৰতিনিধি হিচাপে ন্যায়পালিকাৰ সদস্য হ'ল। জাতিৰ প্ৰতিনিধিত্ব কৰিবলৈ আগবাঢ়ি যোৱা সকলে নিৰ্বাচনত জয়লাভ কৰি ৰাজনৈতিক দলটোৰহে প্ৰতিনিধিত্ব কৰা দেখা গ'ল। কালিৰ জাতীয় সংগঠনৰ ভূমিকা পালন কৰা নেতা আজি একোটা ৰাজনৈতিক দলৰ নেতৃত্বৰ ভৃত্য হৈ পৰিল। থানবান হৈ পৰিল জাতীয় সত্তাৰ, বিচ্ছিন্ন হৈ পৰিল জাতীয় চেতনাৰ।

নৱনীতা সেনগুপ্তাই কোৱা কথাষাৰ বুজিবলৈ আৰু অকণমান আগলৈ যাওঁ বলক। অসমৰ যিকেইটা জাতীয় সংগঠন আৰু অনুষ্ঠান আছে "কা" আন্দোলনৰ সময়ত ৰাজপথলৈ ওলাই আহিল সকলো একেলগে। আন্দোলন চলি গ'ল। কাৰ কি লাভা- লাভ হ'ল আমি একোকে গম নাপালোঁ যদিও পাঁচ গৰাকী মাতৃৰ যে বুকু সুদা কৰি পাঁচজন ছাত্ৰ শ্বহীদ হ'ল তাৰ মৰ্মবেদনা কিন্তু উপলব্ধি হ'ল। "কা" আন্দোলন গ'ল, আহিল ৰাজনীতি। জাতীয় সংগঠনবোৰ ভাগি থানবান হ'ল। পদবী লোভ আৰু ক্ষমতাৰ খকে নেতাৰ মাজত খোৱা কামোৰা লাগিবলৈ উপক্ৰম হ'ল। দুই তিনিটা ৰাজনৈতিক দলৰ সৃষ্টি হ'ল। ফলাফল বাকী ৰ'ল। ভৱিষ্যত বাণী দিওঁতাসকলেও দি গ'ল মনৰ বতৰা। কিন্তু একো নৰজিল। পদ আৰু ক্ষমতাৰ লোভত বলীয়ান তথাকথিত নেতাসকলৰ দল বাগৰা ৰাজনীতিৰ জোৱাৰ বাঢ়ি গ'ল। এসময়ৰ ছাত্ৰনেতাই আজি ৰাজনৈতিক দলৰ গাদীত বহি পাহৰিলে নিজৰ আত্মপৰিচয়। এই পদবী লুভীয়া সকলৰ কথা উপলব্ধি কৰি প্ৰাক্তন ৰাষ্ট্ৰপতি, মিছাইল মানৱ খ্যাত ডঃ এ পি জে আব্দুল কালামে কৈছিল- জীৱনত নিজে জয়ী হোৱাতকৈ আনক জয়ী হোৱাত সহায় কৰাটোহে বেছি মহত্বপূৰ্ণ। তেখেতৰ মতে ভীৰুতাই সোধে এইটো নিৰাপদনে? লিপ্সাই সোধে ইয়াত কিবা লাভ আছেনে? গৰ্বই সোধে মই মহান হ'ব পাৰিমনে? কামনা বাসনাই সোধে-সুখ ভোগ আছেনে? কিন্তু বিবেকে সোধে- এইটো ঠিক বা উচিত হ'বনে?

আমি বিবেক বা অন্তৰাত্মাৰ আহ্বান কাণেৰে নুশুনো কিয়? গুৰুত্বপূৰ্ণ পদবীত কাৰ্যনিৰ্বাহ কৰি থকা মানুহে নিজৰ বিবেকৰ প্ৰতি হঠকাৰিতাৰ ভাব পোষণ কৰাতো স্বাভাৱিক। স্বচ্ছ বিবেকক ব্যৱহাৰ কৰাৰ বোধ বা জ্ঞান সকলোৰে নাথাকিব পাৰে, কিন্তু যাৰ আছে সি অপ্ৰিয় হ'লেও সঁচা কথাবোৰ নিশ্চয় উপলব্ধি কৰিবলৈ শিকিব। হয়তো কালামে সেয়েহে কৈছিল - বিবেক আত্মাৰ স্বৰ্গীয় জ্যোতি। বিবেক সত্যৰেই এটা স্বৰূপ। মহাত্মা গান্ধীয়েও সত্য, অহিংসা আৰু প্ৰেম মৈত্ৰীৰ অমোঘ বাণীৰে স্বাধীনতা সংগ্ৰাম খনক ত্বৰান্বিত কৰি তুলিব পাৰিছিল। উল্লেখযোগ্য যে একবিংশ শতিকাত এক নতুন সমাজৰ আগমন ঘটিছে। ভাৰ্চুৱেল পৃথিৱীত জ্ঞানৰ প্ৰসাৰ আৰু প্ৰচাৰ বহুলভাৱে হৈছে। সেয়েহে ক'ব খুজিছোঁ ব্যক্তিতকৈ দেশ আৰু জাতি শ্ৰেষ্ঠ। আমাৰ দেশৰ সংকটৰ সময়ত আমি ব্যক্তি বিশেষৰ জীৱনক চিত্ৰিত নকৰি হাতত হাত ধৰি সত্যৰ পথত একতাৰ দোলেৰে আগবঢ়াই নিয়াতো উচিত। কিন্তু পদবীলোভীয়া বহু নেতাই নিজৰ গাদীখন সুৰক্ষিত কৰি ৰাখিবলৈ এচাম তলতীয়া ভৃত্যৰ সৃষ্টি কৰে। যাৰ বিচাৰ বুদ্ধি ক'ম বা সঁচা কথা ক'বলৈ সাহস নকৰে। নিজকে ধুৱা তুলসীৰ পাত কৰি ৰাখিবলৈকে সেইচাম ভৃত্যৰ সৃষ্টি কৰি গৈ থাকে। ভৃত্যইও চৰ্দাৰজীৰ আদেশত দেশ আৰু জাতিৰ কথা কৈ টেঁটু ফালি পঠিয়ায়। কিন্তু জাতিৰ সংকটৰ সময়ত সিহঁতবোৰে চৰ্দাৰজীৰ কথামতে চকুমুদা কুলিৰ ভাও ধৰে। আজি দেশ আৰু জাতিৰ সংকটৰ সময়ত সিহঁতবোৰ যেন চিনেমা চাবলৈ বহি আছে -কাশ্মীৰ ফাইল।

অসমত এতিয়া নিৰ্বাচনৰ বতাহ বাৰুকৈয়ে বলিছে। দলীয় ৰাজনৈতিক দলবিলাকৰ নেতাসকলে লালিপপ খুৱাবলৈ উঠি পৰি লাগিছে। বুৰ্জোৱা শ্ৰেণীটোৰ মগজুত আউল লাগিছে। বি টি আৰৰ নিৰ্বাচনৰ ৰণডংকাই এক নতুন ৰাজনীতিৰ পথ প্ৰশস্ত কৰিছে। হোটেল ৰাজনীতি বুলি এমখা বুদ্ধিজীৱীয়েও সৰ্বসাধাৰণ ৰাইজৰ মুৰত আৰু এটা পোকৰ কামোৰণি তুলিছে। নতুন ৰাজনৈতিক দল কেইটাৰ সমীকৰণ ভুল হোৱাৰ পথো সুগম কৰি তোলা হৈছে। মুঠৰ ওপৰত কি জাতীয় সংগঠন, কি সাংস্কৃতিক সংগঠন, কি অনুষ্ঠান-প্ৰতিষ্ঠান সকলোৰে এক অবুজ ৰাজনীতিৰ মেৰপাকত সোমাই পৰিছে। পাবত গজা এচাম নেতাই পদবী আৰু পদৰ লালসাৰ দৌৰত এনেদৰে দৌৰিব লাগিছে যে সঠিক দিশৰ পৰা পিছলি পৰাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। ৰাস্তা, ঘাট, সভা, সমিতি সকলোতে ৰাজনীতি আৰু কূটনীতিৰে ভৰি পৰিছে। এতিয়া ইজনে সিজনক টুপী পিন্ধোৱাৰ ৰাজনীতিৰ মেৰপাকত সোমাই পৰিছে। ৰাজনীতিৰ এই মেৰপাকৰ পৰা দল সংগঠনবোৰ ওলাই আহিব নোৱাৰিলে মহাভাৰতৰ অভিমন্যুৰ দশা যে নহ'ব তাক নুই কৰিব নোৱাৰি। এতিয়াও সময় আছে। জাতীয় দল সংগঠনবোৰৰ নেতাই যথাৰ্থ ৰূপত নিজৰ দায়িত্ব পালন কৰক। খিলঞ্জীয়া শব্দ পৰিহাৰ কৰি আমি যে অসমীয়া তাক প্ৰতিফলিত কৰাৰ প্ৰয়োজন। কাৰণ খিলঞ্জীয়াৰ সংজ্ঞা আজিও পৰিস্ফুট নহয়। সেয়েহে ৰাজনীতিৰ মেৰপাকৰ পৰা জাতীয় দল সংগঠনবোৰ দূৰৈত থকাটোহে যুগুত বুলি মনে হয়।

## ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতা

# পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ শক্তিশালী সিদ্ধান্ত

দেৱৰ্ষি গৌতম

ইংলেণ্ডত মুঠ ছয়খন দেশৰ ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰা নিৰ্দিষ্ট কিছু খেলুৱৈক লৈ ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে ভাৰত, পাকিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা, ৱেষ্ট ইণ্ডিজ দলে। উক্ত আটাইকেইখন দেশৰে অৱসৰপ্ৰাপ্ত কিছু পৰিচিত খেলুৱৈৰ অংশগ্ৰহণে প্ৰতিযোগিতাখন ক্ৰিকেট অনুৰাগীৰ মাজত অধিক জনপ্ৰিয় কৰি তুলিছে। মূলত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা যুৱৰাজ সিং, সুৰেশ ৰাইনা, হৰভজন সিং আদিৰ দৰে প্ৰাক্তন তাৰকা ক্ৰিকেটাৰ সকলক পুনৰ এবাৰ খেলপথাৰত প্ৰত্যক্ষ কৰাৰ হেঁপাহত ক্ৰিকেট অনুৰাগী সকল আনন্দিত হৈ পৰা পৰিলক্ষিত হয়। ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতাৰ এইটো দ্বিতীয়টো সংস্কৰণ। প্ৰথম সংস্কৰণত ভাৰতীয় দলটোৱে বিজয়ী হবলৈ সক্ষম হৈছিল। চলিত দ্বিতীয় সংস্কৰণটো ভাৰতীয় দলটোৰ পৰা ক্ৰিকেট অনুৰাগী সকলে অনুৰূপ প্ৰদৰ্শন আশা কৰিছিল। কিন্তু অনুৰাগীৰ আশাৰ বিপৰীতে ভাৰতীয় দলটোৱে কিন্তু চলিত সংস্কৰণত চূড়ান্ত খেললৈ যোগ্যতা অৰ্জন কৰা ব্যৰ্থ হয়। এইখিনিতে আটাইতকৈ উল্লেখনীয় কথাটো হৈছে যে প্ৰথম সংস্কৰণত ভাৰতীয় দলটোৱে চূড়ান্ত খেলখনত বিজয়ী হোৱাৰ পিছত ক্ৰিকেট অনুৰাগী সকল যিমান আনন্দিত হৈছিল তাৰ পৰিৱৰ্তে কিন্তু চলিত সংস্কৰণত ভাৰতীয় দলটোৱে চেমিফাইনেল পৰ্যায়ৰ পৰা বিদায় লোৱাৰ পিছতো ক্ৰিকেট অনুৰাগী সকল অধিক উৎসাহিত, উৎফুল্ল আৰু গৌৰৱ অনুভৱ কৰা পৰিলক্ষিত হৈছে। আচলতে ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতা গ্ৰুপ পৰ্য্যায়ৰ এখন খেল পাকিস্তানৰ বিৰুদ্ধে খেলিবলৈ ভাৰতীয় দলটোৱে অমান্তি হোৱাৰ পিছত সেই খেলখন বাতিল হৈছিল। তাৰ পিছত অন্য দল সমূহৰ বিৰুদ্ধে ভাৰতীয় দলটোৱে প্ৰতিযোগিতা খনত খেলিছিল আৰু অৱশেষত চেমিফাইনেল পৰ্যায়লৈকে উন্নীত হৈছিল। কিন্তু আটাইতকৈ ডাঙৰ কথাটো হল, এই প্ৰতিযোগিতাখনত চেমিফাইনেল পৰ্যায়লৈ উন্নীত হোৱা দল কেইটা আছিল ভাৰত, পাকিস্তান, দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়া। প্ৰথমখন চেমিফাইনেল খেল অনুষ্ঠিত হোৱা কথা আছিল ভাৰত আৰু পাকিস্তান দলদুটাৰ মাজত আৰু দ্বিতীয়খন খেল অনুষ্ঠিত হোৱা কথা আছিল অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকা দল দুটাৰ মাজত। প্ৰতিযোগিতাৰ নিয়ম অনুসৰি যেতিয়াই প্ৰথমখন চেমিফাইনেল খেল ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হোৱাৰ সূচী ঘোষণা হয় তাৰ লগে লগে কিন্তু এই খেলখন অনুষ্ঠিত হোৱাৰ ক্ষেত্ৰতো বিভিন্ন জল্পনা কল্পনা আৰম্ভ হৈ যায়। ভাৰতৰ ভূমিত সংঘটিত হোৱা পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিবাদ স্বৰূপে ভাৰতীয় খেলুৱৈ সকলে পাকিস্তানৰ বিৰুদ্ধে খেলপথাৰত ক্ৰিকেট খেলত অৱতীৰ্ণ নোহোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হব লগা প্ৰথম খেলখন গ্ৰুপ পৰ্য্যায়ৰ হোৱা বাবে সেই খেলখন ভাৰতীয় খেলুৱৈ সকলে খেলিবলৈ সন্মত নোহোৱা খবৰটোৱে যদিও ইমান প্ৰচাৰ হোৱা নাছিল কিন্তু চেমিফাইনেল পৰ্য্যায়ত পাকিস্তানৰ বিৰুদ্ধে ভাৰতীয় খেলুৱৈ সকলে খেলত অংশগ্ৰহণ নকৰাৰ বাবে লোৱা সিদ্ধান্তৰ সৰ্বস্তৰত চৰ্চা হোৱা পৰিলক্ষিত হৈছে। ভাৰতীয় খেলুৱৈ সকলৰ সিদ্ধান্তক প্ৰতিযোগিতাৰ পৰিচালনা সমিতিৰ তৰফৰ পৰাও সামাজিক মাধ্যম যোগে সন্মান প্ৰদান কৰা পৰিলক্ষিত হৈছে। ভাৰতীয় খেলুৱৈ সকলৰ এই সিদ্ধান্তৰ পিছত উৎফুল্ল ভাৰতীয় ক্ৰিকেট অনুৰাগী সকলে হয়তো দাবী উত্থাপন কৰিব যে ইণ্টাৰনেছনেল ক্ৰিকেট কাউন্সিল চমুকৈ আই চি চি আৰু এছিয়ান ক্ৰিকেট কাউন্সিল চমুকৈ এ চি চি ৰ অধীনত অনুষ্ঠিত হোৱা ক্ৰিকেট বিশ্বকাপ, চেম্পিয়নছ ট্ৰফী, এছিয়া কাপ আদিতো ভাৰতীয় দলে পাকিস্তানৰ বিৰুদ্ধে অনুষ্ঠিত হব লগীয়া খেল সমূহত ভাগ লব নালাগে। আচলতে বিশেষকৈ আই চি চি ৰ অধীনত অনুষ্ঠিত খেল সমূহত ভাগ নোলোৱাটো যথেষ্ট প্ৰত্যাহ্বানপূৰ্ণ। গতিকে যিকোনো আই চি চি ইভেণ্টত পাকিস্তানৰ বিৰুদ্ধে খেলত ভাল লোৱা বা নোলোৱা গ্ৰহণ কৰিবলৈ হলে বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ দৰকাৰ থাকে। কিন্তু ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ডৰ দৰে ক্ৰিকেট প্ৰতিযোগিতা সমূহ ব্যক্তিগত খণ্ডৰ প্ৰতিযোগিতা হোৱা



হেতুকে খেলুৱৈ সকলে কিছুমান সিদ্ধান্ত নিজাববীয়াকৈ লোৱাৰ স্বাধীনতা থাকে। ইয়াৰ উপৰিও এনে প্ৰতিযোগিতা অংশগ্ৰহণ কৰাৰ বাবে খেলুৱৈ সকলে নিজৰ পছন্দৰ হিচাপত আয়োজক সকলৰ সৈতে কিছু চৰ্ত আৰোপ কৰিহে নিৰ্দিষ্ট প্ৰতিযোগিতাত নিজৰ নাম পঞ্জীয়ন কৰিবলৈ স্বাধীনতা লাভ কৰে। ভাৰত আৰু পাকিস্তানৰ মাজত চলি থকা সংঘাত পূৰ্ণ সম্পৰ্কৰ বাবেই পাকিস্তানৰ লগতে প্ৰতিযোগিতাৰ আয়োজক সমিতিয়েও বুজন পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হল। ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হোৱা যিকোনো পৰ্য্যায়ৰ খেলতে দৰ্শকৰ সঁহাৰি যে অভূতপূৰ্ব সেয়া সৰ্বজনবিদিত। ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হোৱা ক্ৰিকেট খেলৰ পৰা লাভ কৰা ৰাজহৰ এক মোটা অংকৰ ধন পাকিস্তানৰ ক্ৰিকেট বোৰ্ড আৰু খেলুৱৈ সকলেও লাভ কৰে। ভাৰতীয় খেলুৱৈ সকলে যেতিয়াই ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতাত পাকিস্তানৰ বিৰুদ্ধে অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত ৰাজহুৱা কৰিছিল তেতিয়াই বিশেষকৈ পাকিস্তানৰ ফালৰ পৰা বিভিন্ন প্ৰতিক্ৰিয়া আহিবলৈ আৰম্ভ কৰিছিল। পাকিস্তানৰ ক্ৰিকেটাৰৰ পৰা ৰাজনৈতিক নেতালৈকে সকলোৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল যে ৰাজনীতি আৰু ক্ৰিকেট একাকাৰ কৰিব নালাগে। পাকিস্তানৰ বিৰুদ্ধে ভাৰতীয় ক্ৰিকেটাৰে খেলত অংশগ্ৰহণ নকৰাৰ বাবে লোৱা সিদ্ধান্ত সম্পূৰ্ণ ভুল সিদ্ধান্ত। এই সিদ্ধান্তৰ বাবে ক্ৰিকেটৰ ক্ষতি হব। আচলতে পাকিস্তানৰ ৰাজনৈতিক নেতা সকলে প্ৰদান কৰা এই ভাষ্যৰ আঁৰত লুকাই আছিল তেওঁলোকৰ ব্যৰ্থতাৰ কাহিনী। আনহাতে পাকিস্তানৰ ক্ৰিকেটাৰ সকলে প্ৰদান কৰা এই মন্তব্যৰ আঁৰত লুকাই আছিল ভাৰতে পাকিস্তানৰ বিৰুদ্ধে খেলত অংশগ্ৰহণ নকৰিলে তেওঁলোকে লাভ কৰিবলগীয়া ধন নোপোৱাৰ ক্ষোভ। পাকিস্তানৰ ক্ৰিকেটাৰ অথবা ৰাজনৈতিক নেতা সকলৰ বাবে টকা সৰ্বোপৰি হব পাৰে কিন্তু ভাৰতৰ বাবে কেৱল টকা সৰ্বোচ্চ নহয় সেই কথাৰ প্ৰমাণ ইতিমধ্যে ভাৰতীয় খেলুৱৈ সকলে প্ৰদান কৰিছে। পাকিস্তান ক্ৰিকেট বোৰ্ডে ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰিছে যে পৰৱৰ্তী সময়ত যিকোনো ব্যক্তিগত ক্ৰিকেট লীগত পাকিস্তানৰ দেশৰ নাম ব্যৱহাৰ কৰাত অনুমতিপ্ৰদান কৰা নহব। ভাৰতীয় প্ৰাক্তন ক্ৰিকেটৰ সকলৰ দৃঢ়তাৰ বাবে যে পাকিস্তান ক্ৰিকেট বোৰ্ডে এই সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হৈছে সেই কথা নিশ্চিত। কাৰণ পাকিস্তান ক্ৰিকেট বোৰ্ডে এটা কথা ভালদৰে অৱগত যে বিশেষকৈ যিকোনো ব্যক্তিগত লীগত ভাৰতীয় প্ৰাক্তন ক্ৰিকেটাৰ সকলৰ পৰা যদি পুনৰ এনে পৰিস্থিতিৰ সন্মুখীন হব লগীয়া হয় তেনেহলে পাকিস্তান ক্ৰিকেটৰ ভৱিষ্যত সম্পূৰ্ণ অন্ধকাৰ দিশে গতি কৰিব। ভাৰতৰ প্ৰাক্তন ক্ৰিকেটাৰ সকলে গ্ৰহণ কৰা ভূমিকাই এটা কথা পুনৰ স্পষ্ট কৰি দিলে পাকিস্তানে যেতিয়ালৈকে সন্ত্ৰাসবাদীক প্ৰশ্ৰয় দি থাকিব তেতিয়ালৈকে ভাৰতে পাকিস্তানৰ সৈতে কোনো সম্পৰ্ক গঢ়িবলৈ আগবাঢ়ি নাহে। ভাৰতৰ এনে স্পষ্ট স্থিতিৰ পিছতো যদি পাকিস্তানে নিজকে সন্ত্ৰাসবাদ বিৰোধী দেশ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ পদক্ষেপ গ্ৰহণ নকৰে তেনেহলে ভাৰতৰ সৈতে যে কেতিয়াও কোনো ক্ষেত্ৰতে পাকিস্তানৰ সম্পৰ্ক মধুৰ নহয় সেই কথা নিশ্চিত।

# কামৰূপ জিলাত 'আলাবৈ ৰণস্মৃতি দিৱস' উদ্‌যাপন

**অসম বাৰ্তা, চাংসাৰি, আমিনগাঁও, ৬ আগষ্ট ঃ** অসমীয়া সৈন্যৰ পৰাক্ৰম আৰু আত্মত্যাগেৰে ৰঞ্জিত ঐতিহাসিক আলাবৈ ৰণৰ পৱিত্ৰ সোঁৱৰণত আজি কামৰূপ জিলাত 'আলাবৈ ৰণস্মৃতি দিৱস' উদ্‌যাপন কৰা হয়। অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ উদ্যোগত আৰু কামৰূপ জিলা প্ৰশাসন আৰু শৰাইঘাট জাৰ্নেলিষ্ট ফ'ৰামৰ সহযোগত আলাবৈ ৰণস্মৃতি ক্ষেত্ৰ আৰু কামৰূপৰ সংহত জিলা কাৰ্যালয়ত আয়োজিত আজিৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু সন্মানীয় অতিথিৰূপে উপস্থিত থাকে ৰাজ্য চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী যোগেন মহন। অনুষ্ঠানৰ আৰম্ভণিতে আজি আমিনগাঁওস্থিত সংহত জিলা কাৰ্যালয়ৰ সন্মুখত অৱস্থিত আলাবৈ ৰণস্মৃতি ক্ষেত্ৰত আলাবৈ ৰণত বীৰত্ব আৰু দেশপ্ৰেমৰ চানেকি দাঙি মৃত্যুবৰণ কৰা সৈনিকসকলৰ সন্মানাৰ্থে গাৰ্ড অৱ অনাৰ প্ৰদৰ্শন কৰা হয় আৰু শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। পিছত কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। সভাত বক্তব্য ৰাখি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে আগ্ৰাসী মোগল সেনাৰ বিৰুদ্ধে আলাবৈৰ ৰণত বীৰ লাচিত বৰফুকনৰ নেতৃত্বাধীন ১০ হাজাৰ সেনাই বীৰত্বৰে যুঁজ দি প্ৰাণত্যাগ কৰিবলগীয়া হৈছিল। এই ৰণত প্ৰাণত্যাগ কৰা বীৰ সৈনিকসকলে দেশপ্ৰেমৰ যি অতুলনীয় নিদৰ্শন দাঙি ধৰিছিল, সেয়া ভৱিষ্যত প্ৰজন্মৰ বাবে অনুকৰণীয় হৈ ৰ'ল। অসম বুৰঞ্জীৰ এক উল্লেখনীয় ঘটনা আলাবৈৰ ৰণৰ স্মৃতি জাউতিযুগীয়া কৰি তোলাৰ বাবে কামৰূপ জিলাৰ পছৰীয়াত আলাবৈ ৰণক্ষেত্ৰৰ স্মৃতি সৌধ নিৰ্মাণৰ কাম চলি আছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে এই স্মৃতিসৌধ সম্পূৰ্ণ হৈ উঠিলে ই এক পৰ্যটনৰ কেন্দ্ৰ হৈ উঠিব আৰু তাত থাকিবলগীয়া পুথিভঁৰালে নৱপ্ৰজন্মক আলাবৈ ৰণ সম্পৰ্কে অধ্যয়নৰ সমলো প্ৰদান কৰিব। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত বুৰঞ্জীয়ে এটা জাতিৰ মূল ভেঁটি বুলি অভিহিত কৰি এই বুৰঞ্জীৰ পৰাই এটা জাতি কিমান শক্তিশালী তাৰ উমান পাব পাৰি বুলি মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে লগতে বীৰ লাচিত বৰফুকনৰ বীৰত্ব সম্পৰ্কে সমগ্ৰ দেশবাসীক অৱগত কৰাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰা উদ্যোগৰ শলাগ লৈ অসম বুৰঞ্জীৰ ওপৰত অধিক গৱেষণা আৰু বুৰঞ্জী সাহিত্য সৃষ্টিৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেতিয়াহে অসমীয়া জাতিৰ ইতিহাস সম্পৰ্কে আনসকলো অৱগত হ'ব পাৰিব বুলি তেওঁ উল্লেখ কৰে। সভাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকি অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি আদি বিভাগৰ মন্ত্ৰী যোগেন মহনে কয় যে আলাবৈ ৰণত পৰাজিত হ'লেও এই যুদ্ধই আহোম সৈন্যক পৰৱৰ্তী শৰাইঘাট ৰণকে আদি কৰি আন আন যুদ্ধৰ বাবে সাহস আৰু অনুপ্ৰেৰণা প্ৰদান কৰিছিল। বৰ্তমান সময়ৰ প্ৰেক্ষাপটত আলাবৈ ৰণ আৰু অসম বুৰঞ্জীৰ বহু সমলৰ ওপৰত অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে। মন্ত্ৰী গৰাকীয়ে অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগক আলাবৈ ৰণৰ স্মৃতি ৰক্ষা সন্দৰ্ভত চৰকাৰৰ কৰণীয় আৰু কেনেকৈ আগন্তুক দিনত বিভাগটোয়ে ৰণৰ স্মৃতি ৰক্ষাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব তাৰ সন্দৰ্ভত যাৱতীয় পৰামৰ্শ প্ৰদান কৰিবলৈ সংশি-ষ্ট সকলোকে আহ্বান জনায়। অনুষ্ঠানত বক্তব্য ৰাখি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আলাবৈ ৰণক ঐতিহাসিক শৰাইঘাট ৰণৰ পটভূমি বুলি অভিহিত কৰি কয় যে আলাবৈ ৰণত বীৰ লাচিতৰ নেতৃত্বত যুঁজ দি দেশৰ বাবে প্ৰাণত্যাগ কৰা দহহাজাৰ সৈনিকৰ ত্যাগেই আহোমৰ স্বাভিমান আৰু আত্মসন্মান জগাই তুলিছিল। যিয়ে পৰৱৰ্তী সময়ত মোগলক অসমৰ পৰা বিতাড়িত কৰিবলৈ সক্ষম হৈছিল। প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ সঞ্চালিকা ড° দিপীৰেখা কুলীয়ে আদৰণি ভাষণ প্ৰদান কৰা সভাত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাও উপস্থিত থাকে। সভাত বিশিষ্ট বুৰঞ্জীবিদ অধ্যাপক যোগেন্দ্ৰ নাথ ফুকন আৰু শৰাইঘাট জাৰ্ণেলিষ্ট ফ'ৰামৰ সম্পাদক মধুসুদন মেধিয়েও বক্তব্য ৰাখে।

# জাগুনত ড্ৰাগছ সহ এজনক আটক



**অসম বাৰ্তা, জাগুন, ৬ আগষ্ট ঃ** মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত জাগুনত ব্যাপক ৰূপত বৃদ্ধি নিষিদ্ধ ড্ৰাগছৰ সেৱন তথা সৰবৰাহ। এই নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে লেখপানী আৰু জাগুন আৰক্ষীয়েও অব্যাহত ৰাখিছে ড্ৰাগছ বিৰোধী অভিযান। আজিও আৰক্ষীয়ে ড্ৰাগছ বিৰোধী এক অভিযানত জাগুন সোণালী জনজাতি দেউৰী গাঁৱত নিষিদ্ধ ড্ৰাগছ সহ এজনক আটক কৰে। জাগুন আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভৰেশ ৰয়ৰ নেতৃত্বত এক গুপন সূত্ৰৰ খবৰৰ ভিত্তিত ড্ৰাগছ ব্যৱসায়ৰ লগত জৰিত মৃদুল চেতিয়াক নিজ গৃহৰ পৰা নিষিদ্ধ ড্ৰাগছ সহ আটক কৰিবলৈ সক্ষম হয়। আটকাধীন মৃদুল চেতিয়া বহুদিনৰ পৰাই নিষিদ্ধ ড্ৰাগছ ব্যৱসায়ৰ সৈতে জড়িত হৈ অহাৰ অভিযোগ উত্থাপন হৈ আহিছে। আৰক্ষী আৰু গাঁওবাসীৰ চকুত ধৰা নপৰাকৈ দীৰ্ঘ দিনৰ পৰা ড্ৰাগছ সৰবৰাহ তথা বিক্ৰেতা হিচাবে নিজকে জৰিত ৰাখি অৱশেষত আজি জাগুন আৰক্ষীৰ জালত পৰে। মৃদুল চেতিয়া পৰা জব্দ কৰা ড্ৰাগছ খিনিৰ পৰিমান যদিও ৯ গ্ৰাম কিন্তু আটকাধিন মৃদুলৰ পৰা আৰু অধিক ড্ৰাগছ উদ্ধাৰৰ বাবে জেৰা অব্যাহত ৰাখিছে জাগুন আৰক্ষীয়ে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে যোৱা ৩০ জুলাই তাৰিখেও লেখাপানী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিতু চাংমাই আৰু জাগুন আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভৰেশ ৰয়ে এখন বিলাসী বাহনৰ পৰা ৫২ গ্ৰাম নিষিদ্ধ ড্ৰাগছ সহ দুগৰাকী সৰবৰাহকাৰীক জাগুন আটক কৰি জেললৈ প্ৰেৰণ কৰিছিল।

## মাজুলীত লোক কল্যাণ দিৱসৰ জিলা স্তৰীয় অনুষ্ঠান

# মাজুলীৰ মুখ্য কোষাগাৰ গাণনিক বিষয়া পবিত্ৰ মেধি, জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক অনন্ত দাসক 'জিলা পৰ্যায়ৰ লোক সেৱা বঁটা, ২০২৫' প্ৰদান

**অসম বাৰ্তা, উজনী মাজুলী/বনগাঁও, ৬ আগষ্টঃ** লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে দেশৰ স্বাধীনতা সংগ্ৰামত ভাগ লোৱাৰ উপৰি 'গ্ৰুপিং' পৰিকল্পনাৰ পৰা অসমক সুৰক্ষিত কৰিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অসমক গ্ৰুপিঙৰ জৰিয়তে পূব পাকিস্তানৰ অন্তৰ্ভুক্তিৰ পৰা ৰক্ষা কৰা লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি জনজাতীয় বেল্ট আৰু ব্লকৰ সৃষ্টি কৰিছিল। বৰদলৈৰ এই প্ৰচেষ্টাই আধুনিক অসমৰ ৰূপৰেখা প্ৰস্তুতকৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। আজি ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭৫ সংখ্যক পুণ্যতিথি উপলক্ষে আয়োজিত 'লোক কল্যাণ দিৱস'ৰ জিলা স্তৰীয় অনুষ্ঠানৰ সঞ্চালনা কৰি মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে এনেদৰে কয়। জিলা আয়ুক্ত গৰাকীয়ে কৰ্মচাৰীসকলক ৰাজ্যবাসীৰ প্ৰতি আগবঢ়োৱা তেওঁলোকৰ সেৱাৰ স্বীকৃতিস্বৰূপে এই বঁটাসমূহ প্ৰদান কৰি অহা হৈছে বুলি উল্লেখ কৰাৰ লগতে তেওঁলোকে কৰ্মক্ষেত্ৰত দেখুওৱা দায়বদ্ধতা তথা পাৰদৰ্শিতা, জনসাধাৰণৰ জীৱনলৈ ইতিবাচক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত গ্ৰহণ কৰা অপৰিসীম ভূমিকাক প্ৰেৰণা যোগাবলৈ এই বঁটা চৰকাৰে আৰম্ভ কৰিছিল বুলি তেওঁ উল্লেখ কৰে। সেই অনুসৰি মাজুলী জিলাতো লোক কল্যাণ দিৱসৰ লগত সংগতি ৰাখি জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক অনন্ত দাস আৰু মুখ্য কোষাগাৰ গাণনিক পবিত্ৰ মেধিক অসম চৰকাৰৰ জিলা পৰ্যায়ৰ লোকসেৱা বঁটা ২০২৫ প্ৰদান কৰা বুলি লগতে তেওঁ উল্লেখ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মাজুলীৰ বিধায়ক ভুৱন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ লগতে জিলা খনৰ গণ্য মান্য ব্যক্তিয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক বিনোদ চন্দ্ৰ বৰাই কয় অসমবাসীৰ মনত চিৰপ্ৰবহমান এটি নাম লোকপ্ৰিয় গোপীনাথ বৰদলৈ। আধুনিক অসম নিৰ্মাণৰ স্বপ্নদ্ৰষ্টা বৰদলৈ ৰাষ্ট্ৰ নিৰ্মাণ আৰু সু-প্ৰশাসনৰ দিশত থকা অৱদানসমূহে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰেৰণা যোগাই থাকিব বুলি উল্লেখ কৰি গোপীনাথ বৰদলৈৰ দৰ্শন আৰু আদৰ্শৰে অনুপ্ৰাণিত হৈ ৰাজ্যৰ লোক সেৱকসকলে চৰকাৰৰ সুশাসনৰ পদক্ষেপক ন ৰূপত আগুৱাই লৈ যোৱা উচিত বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ আৰু কয় ভাৰত ৰত্ন গোপীনাথ বৰদলৈৰ ওচৰত অসম চিৰ ঋণী। তেখেতৰ নিৰ্ণায়ক ভূমিকাৰ বাবেই অসম ভাৰতৰ এক অপৰিহাৰ্য অংগ হিচাপে পৰিচিত হৈছিল। গ্ৰুপিং নীতিৰ বিৰুদ্ধে তেখেতে গুৰুত্বপূৰ্ণ ভূমিকা পালন নকৰিলে অসম পূৰ্বৰ পূব পাকিস্তান আৰু এতিয়া বাংলাদেশৰ সৈতে সংযুক্ত হ'লহেঁতেন বুলি উল্লেখ কৰে। তেওঁ আলাবৈ ৰণৰ শ্বহীদসকলকো গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আলাবৈত আহোম সৈন্যই নিজৰ শৌৰ্য প্ৰদৰ্শন কৰি দেশপ্ৰেমৰ অতুলনীয় স্বাক্ষৰ বহন কৰিছিল বুলি উল্লেখ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মাজুলীৰ বিধায়ক ভুৱন গামেও লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে অসমৰ প্ৰতি যোগাই যোৱা অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। ইয়াৰ পিছতে অনুষ্ঠানতে কোষাগাৰ প্ৰাধিকাৰী কাৰ্যালয়, গড়মূৰ কোষাগাৰ, মাজুলীৰ মুখ্য কোষাগাৰ গাণনিক বিষয়া পবিত্ৰ মেধি আৰু জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক অনন্ত দাসক মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আনুষ্ঠানিকভাৱে "জিলা পৰ্যায়ৰ লোক সেৱা বঁটা, ২০২৫" প্ৰদান কৰে। জনসেৱাৰ ক্ষেত্ৰত নিৰালস্য পৰিশ্ৰম আৰু দায়িত্বশীলতাৰে দায়িত্ব পালন কৰাৰ স্বীকৃতি হিচাপে দুয়োগৰাকীকে এই বঁটা প্ৰদান কৰে। বঁটা প্ৰাপক দুয়োগৰাকীকে বঁটাৰ লগত গামোচা, চেলেং, মানপত্ৰ, নগদ ধনেৰে সন্মান প্ৰদান কৰে। অনুষ্ঠানতে কৰ্মচাৰী পৰিষদৰ অন্যতম সদস্য জিলা পৰ্যায়ৰ লোক সেৱা বঁটা ২০২৫ প্ৰাপক পবিত্ৰ মেধিক জিলা কৰ্মচাৰী পৰিষদে আদৰণি জনায়। প্ৰতাপ বৰুৱাই আঁত ধৰা অনুষ্ঠানত মাজুলীৰ অতিৰিক্ত জিলা আয়ুক্ত ভৰত কোঁৱৰ, অতিৰিক্ত আয়ুক্ত সৰোজ সোণোৱাল, সহকাৰী আয়ুক্ত সকলৰ লগতে জিলাৰ বিভাগীয় মুৰব্বী সকলৰ লগতে মাজুলীৰ দল-সংগঠনৰ প্ৰতিনিধি, গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে।

## অভিনন্দন অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা যোগায় আৰু দায়িত্ববোধ বঢ়ায় ঃ নগেন দাস

### উত্তৰ পশ্চিম বৰক্ষেত্ৰী মাধ্যমিক পৰীক্ষা পৰিষদৰ উদ্যোগ

# ২০ কৃতিমানক অভিনন্দন; সদ্য অৱসৰী ১৩ শিক্ষক-কৰ্মচাৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, দৌলাশাল, ৬ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত কালদিস্থিত কালদি গোপালথান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কৃতিমান ছাত্ৰ-ছাত্ৰী আৰু সদ্য অৱসৰী শিক্ষক-কৰ্মচাৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উত্তৰ পশ্চিম বৰক্ষেত্ৰী মাধ্যমিক পৰীক্ষা পৰিষদৰ উদ্যোগত কালদি গোপাল থান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অস্থায়ী সভাকক্ষত অনুষ্ঠিত হয় সম্বৰ্ধনা সভাখন। মুগদি মিলন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক মকবুল হকে আঁত ধৰা সভাখনত দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত বিদ্যালয়প্ৰধান ধীৰেণ হালৈয়ে বৰগীত পৰিৱেশন কৰি অনুষ্ঠান শুভাৰম্ভ কৰে। উত্তৰ পশ্চিম বৰক্ষেত্ৰী মাধ্যমিক পৰীক্ষা পৰিষদৰ সভাপতি জয়ন্ত কুমাৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত হয় সভাখন। পৰীক্ষা পৰিষদৰ সম্পাদক প্ৰদীপ বৰ্মনে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতেই কালদি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত বিদ্যালয়প্ৰধান চবিন চন্দ্ৰ কলিতাই আদৰণি ভাষণ প্ৰদান কৰে। ইয়াৰ পাছতেই ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫% বা তাতকৈ অধিক নম্বৰ লাভ কৰা পৰীক্ষা পৰিষদৰ অন্তৰ্ভুক্ত ২০ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনায়। কৃতিমানসকলক গামোচা, কিতাপৰ টোপোলা, কলম আৰু মানপত্ৰৰে অভিনন্দন জ্ঞাপন কৰে। মুগদি মিলন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দীপেন বৰ্মনে আঁত ধৰা অভিনন্দন অনুষ্ঠানত ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উচ্চ গণিতত ১০০ ৰ ভিতৰত ১০০ নম্বৰ লাভ কৰা বৰতলা শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰ মৃদুল মেধিক বিশেষভাৱে অভিনন্দন জনায়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত কালদি গোপাল থান উচ্চতৰ মাধ্যমিকৰ ছাত্ৰী ক্ৰমে মধুস্মিতা নাথ আৰু শ্যামন্তিকা বৰ্মনে আধুনিক নৃত্য পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। তাৰ পাছতেই বিগত বৰ্ষত পৰীক্ষা পৰিষদৰ অন্তৰ্ভুক্ত বিভিন্ন বিদ্যালয়ৰ সদ্য অৱসৰী ১৩ গৰাকী শিক্ষক-কৰ্মচাৰীক সম্বৰ্ধনা জনায়। অৱসৰী শিক্ষক-কৰ্মচাৰী সকলক গামোচা, জাপি, ধৰ্মগ্ৰন্থ, মানপত্ৰ আৰু ছাতিৰে সম্বৰ্ধনা জনায় পৰীক্ষা পৰিষদে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে চিন্তাশীল লেখক তথা কালদি গোপাল থান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক নগেন দাস। তেখেতে ভাষণ প্ৰসংগত কয় যে, অভিনন্দন অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা যোগায় আৰু দায়িত্ববোধ বঢ়ায়। অভিনন্দন অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ প্ৰতি দায়িত্বশীল হ'বলৈ শিকায়। নগেন দাসে ভাষণ প্ৰসংগত এইবুলিও কয় যে অধ্যায়নৰ বিকল্প নাই, অধ্যায়নে এগৰাকী মানুহক বিখ্যাত কৰি তুলিব পাৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে প্ৰচুৰ অধ্যায়ন কৰিব লাগে। অথনৈতিক দুৰৱস্থাই মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক বাধা দিব নোৱাৰে। আত্মবিশ্বাস থাকিলে লক্ষ্যত উপনীত হ'ব পাৰিব বুলিও কয়। বিশিষ্ট অতিথি নগেন দাসে ডং ৰুবুল মাউতৰ প্ৰসংগ উত্থাপন কৰি ছাত্ৰ-ছাত্ৰীসকলক বৰেণ্য বিজ্ঞানীগৰাকীক অনুসৰণ কৰিবলৈ আহ্বান জনায়। পৰীক্ষাৰ ফলাফলে দুৰ্দশাগ্ৰস্তৰ জীৱন জাকতজিলিকা কৰি তোলে বুলিও কয় দাসে। আজিৰ সমাজ ব্যৱস্থা অতি জটিল আৰু বিভিন্ন অপসংস্কৃতিয়ে আমাৰ সমাজ ব্যৱস্থা কোঙা কৰি ৰাখিছে বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি সমাজৰ পৰা অপশক্তি, অপসংস্কৃতি আদি আজিৰ প্ৰজন্মই নাইকিয়া কৰিব লাগিব বুলিও কয় নগেন দাসে। সভাত নলবাৰী জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক কৃষ্ণ মহন্তই অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি প্ৰেৰণাদায়ক মন্তব্য প্ৰদান কৰে। কৃষ্ণ মহন্তই শিক্ষক-কৰ্মচাৰীসকলৰ অৱদান কোনেও নুই কৰিব নোৱাৰে বুলিও মন্তব্য কৰে। সভাত সম্বৰ্ধিত অৱসৰী শিক্ষক-কৰ্মচাৰীসকলে মনৰ অনুভৱ প্ৰকাশ কৰে। অনুষ্ঠানত উত্তৰ পশ্চিম বৰক্ষেত্ৰী মাধ্যমিক পৰীক্ষা পৰিষদৰ অন্তৰ্ভুক্ত ১৮খন চৰকাৰী বিদ্যালয়ৰ বিদ্যালয়প্ৰধান আৰু বৰতলা শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য্যৰ লগতে একাংশ শিক্ষক-কৰ্মচাৰী আৰু কালদি গোপালথান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

### দৰঙৰ ওজা গুৰু সুৰেন্দ্ৰ নাথে ওজা প্ৰদৰ্শন কৰি সমাদৃত

# নতুন দিল্লীত ব্যাস সংগীত শিল্পী সুৰেন্দ্ৰনাথৰ ওজা প্ৰদৰ্শন

**অসম বাৰ্তা, নামখলা, ৬ আগষ্ট ঃ** অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষতে কিছুমান বেচৰকাৰী সংস্থা, ব্যক্তিগত সস্থাৰ আশাশুধীয়া প্ৰচেষ্টাত কলা-সংস্কৃতি, সাহিত্যৰ ক্ষেত্ৰখন যথেষ্ট আগবাঢ়ি যাবলৈ সক্ষম হৈছে। এই সস্থাসমূহে কলা-সংস্কৃতি- সাহিত্যৰ প্ৰচাৰ -প্ৰসাৰ, চৰ্চা, সংগ্ৰহ, পুনৰুদ্ধাৰ, সংৰক্ষণ, সংবৰ্ধন, গৱেষণা, দেশ-বিদেশত অনুষ্ঠান আয়োজন, আলোচনা চক্ৰ, প্ৰশিক্ষণ, উৎসৱ -মেলা, প্ৰদৰ্শনী আদিৰে সমাজৰ সাংস্কৃতিক বিকাশত বিপুল অহৰিহণা আগবঢ়াই আহিছে। নিজৰ কলা সংস্কৃতিক বিশ্ব দৰবাৰত পৰিচয় কৰি দিবলৈ তেওঁলোকে অহৰহ কাম কৰি আছে। এনে এক উল্লেখনীয় সস্থা হৈছে, আন্তঃ ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন সত্ৰীয়া নৃত্য। মুম্বাইত অৱস্থিত, প্ৰতিশ্ৰুতি ফাউণ্ডেচনৰ গৱেষিকা প্ৰতীশা সুৰেশৰ তত্ত্বাৱধানত গঢ় লৈ উঠিছে সত্ৰীয়া নৃত্য। ৩০ বছৰে এই সস্থাই অসমৰ বিভিন্ন ঠাইত কলা সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে কাম কৰি আহিছে। এওঁলোকৰ উদ্দেশ্য হ'ল ব্যক্তিগত উদ্ভাৱনী ক্ষমতা বঢ়োৱা, সৃষ্টিশীলতা আৰু নিজৰ সংস্কৃতিৰ প্ৰতি গভীৰ অনুৰাগ বঢ়োৱা। ভাৰতীয় মাৰ্গদৰ্শন তথা শাস্ত্ৰীয় সংগীতৰ আধাৰত সৃষ্টি হোৱা ব্যাসৰ ওজাপালিক বিশেষ ভাৱে গুৰুত্ব প্ৰদান কৰি দেশ-বিদেশলৈ প্ৰচাৰ- প্ৰসাৰ কৰা। প্ৰতি বছৰে অনুষ্ঠিত কৰি অহাৰ দৰে এইবেলিও দিল্লীত ২৭ জুলাই ২০২৫ তাৰিখে এদিনীয়া কাৰ্যসূচীৰে এক আলোচনা চক্ৰ আৰু ব্যাস ওজাপালি প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল। য'ত ব্যাসৰ ওজা প্ৰদৰ্শন বাবে বিশেষভাৱে আমন্ত্ৰিত হৈছিল দৰঙৰ লোক পৰিৱেশ্য কলা ব্যাস সংগীতৰ বিশিষ্ট শিল্পী সন্মান প্ৰাপক 'ওজা গুৰু সুৰেন্দ্ৰ নাথ ওজা' আৰু তেওঁৰ পাঁচ জনীয়া দলটি। দলটিত আছিল উদীয়মান যুৱক জয়ন্ত নাথ, সুনীল শইকীয়া, মণ্টু কুমাৰ নাথ, ভুৱন বড়া আৰু ডাইনাপালি দুৰ্গেশ্বৰ মেধি। নতুন দিল্লীৰ Indian Habitat Centre ত অনুষ্ঠিত এই এদিনীয়া কৰ্মশালা আৰু আলোচনা চক্ৰৰ লক্ষ্য আছিল পণ্ডিত, অনুশীলনকাৰী, আৰু ছাত্ৰ-ছাত্ৰীসকলক একত্ৰিত কৰি ভাৰতৰ নাটকৰ পৰম্পৰাৰ বিৱৰ্তনক কেন্দ্ৰ কৰি অৰ্থপূৰ্ণ আলোচনাৰ লগতে সংগীত আৰু দৰ্শনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা। উক্ত অনুষ্ঠানত সুৰেন্দ্ৰ নাথ ওজা আৰু তেওঁৰ দলটিৰ লগতে মুখ্য অতিথী হিচাপে উপস্থিত আছিল ক্ৰমে DR VINOD NARAYAN INDURKAR CHAIRMAN, CCRT, NEW DELHI, PROF DEEPTI OMCHERRY BHALLA Mohiniattam exponent, Former Dean ও Head, Dept. of Music, Delhi University, DR. PRDIP JYOTI MAHAÍÔÁ Professor, Royal school of Languages, assam royal Global university, SHRI PIYAL BHATTACHRYA Receipient of SNA Award & Tagore National Scholarship. অনুষ্ঠানৰ আঁত ধৰিছিল প্ৰতিশ্ৰুতি ফাউণ্ডেচনৰ সঞ্চালিকা প্ৰতীশা সুৰেশে। এদিনীয়া কৰ্মশালা আৰু আলোচনা চক্ৰত অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা সুন্দৰ ভাৱে প্ৰদৰ্শন কৰি সুৰেন্দ্ৰ নাথ ওজা আৰু তেওঁৰ দলটিয়ে ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়। অসমৰ এই লোক পৰিৱেশ্য কলাবিধ সমগ্ৰ ভাৰতবৰ্ষতে যাতে প্ৰচাৰ -প্ৰসাৰ লাভ কৰে তাৰ বাবে সকলোৰে কামনা কৰে। সুৰেন্দ্ৰ নাথ ওজা দৰঙৰ কলাইগাঁও থানাৰ অন্তৰ্গত ঝাকুৱাপাৰাৰ পৰা গৈ এখন ৰাজ্যক প্ৰতিনিধিত্ব কৰি ভাৰতৰ বিভিন্ন ঠাইত নিজৰ কৃষ্টি প্ৰদৰ্শন কৰি সম্বৰ্ধনা, বঁটা বুটলিবলৈ সক্ষম হোৱাত জিলাবাসী গৌৰৱান্বিত। সুৰেন্দ্ৰ নাথ ওজাই এই কৃষ্টিবিধ প্ৰচাৰ -প্ৰসাৰৰ লগতে সংৰক্ষণৰ ক্ষেত্ৰত বহুতো উচ্চ শিক্ষিত যুৱকক প্ৰশিক্ষণ দি এই কৃষ্টি প্ৰদৰ্শনৰ বাবে পাৰ্গত কৰি তুলিছে। সুৰেন্দ্ৰনাথ ওজাই কৃষ্টিবিধৰ সম্পূৰ্ণ দায়িত্ব লৱ পৰাকৈ দৰঙৰে উচ্চ শিক্ষিত যুৱক তথা যুৱ, লোকশিল্পী জয়ন্ত নাথ, সুনীল শইকীয়াক পৰামৰ্শ আগবঢ়াই। সংস্কৃতি হ'ল জাতি এটাৰ অস্তিত্ব ৰক্ষাৰ প্ৰাণকেন্দ্ৰ তাৰ বাবে লাগিব কঠোৰ সাধনা। সুৰেন্দ্ৰনাথ ওজাৰ প্ৰচাৰ -প্ৰসাৰ, চৰ্চা, সংৰক্ষণ, সংবৰ্ধনৰ যি একান্ত প্ৰচেষ্টা তাক অধিক আগবঢ়াই নিবলৈ সহায়ৰ হাত আগবঢ়ায় আহিছে মহাৰাষ্ট্ৰৰ মুম্বাইৰ 'প্ৰতিশ্ৰুতি ফাউণ্ডেশ্যন'ৰ স্বত্বাধিকাৰী প্ৰতীশা সুৰেশে। কলা সংস্কৃতিক দিশত সমগ্ৰ পৃথিৱীখনতে চিনাকি কৰি দিয়াৰ যি সপোন সেয়া 'বাস্তৱত ৰূপায়িত হওক প্ৰতিশ্ৰুতি ফাউণ্ডেশ্যন'ৰ।

# ৰক্তিম নেওগলৈ অসম চৰকাৰৰ কৰ্ম দক্ষতাৰ বঁটা

**অসম বাৰ্তা, নিমাতীঘাট, ৬ আগষ্ট ঃ** আধুনিক অসমৰ অন্যতম খনিকৰ ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭৫ সংখ্যক স্মৃতি দিৱসত অসম চৰকাৰে কৰ্মক্ষেত্ৰত প্ৰদৰ্শন কৰা পাৰদৰ্শিতাৰ বাবে প্ৰদান কৰা জিলা ভিত্তিক দক্ষতাৰ বঁটা লাভ কৰি উত্তৰ যোৰহাটৰ চাৰিগাঁও মৌজাৰ কমাৰ গাঁৱৰ ৰক্তিম নেওগে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কনিষ্ঠ জিলা প্ৰশাসনিক সহায়ক ৰূপে সেৱা আগবঢ়োৱা কৰ্মচাৰীজনে ২০১৪ চনৰ ফেব্ৰুৱাৰীত মাজুলীত কৰ্মজীৱন আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ যোৰহাটলৈ বদলি হৈছিল। তথ্য - প্ৰযুক্তিৰ স্নাতক ৰক্তিম অতুল চন্দ্ৰ নেওগ আৰু অমিয়া নেওগৰ পুত্ৰ। উল্লেখ্য বিগত বৰ্ষত একেখন গাঁৱৰে ৰণ্টো নেওগে এই বঁটা লাভ কৰিছিল।



# দেৰগাঁও নেঘেৰিটিং শিৱদৌলৰ বৰ পূজাৰীৰ দেহাৱসান

**অসম বাৰ্তা, দেৰগাঁও, ৬ আগষ্ট ঃ** গোলাঘাট জিলাৰ দেৰগাঁও ঐতিহাসিক শিৱদৌলৰ বৰ পূজাৰী প্ৰফুল্ল বৰঠাকুৰে ০৬ আগষ্ট তাৰিখে পুৱা ১১.১৫ বজাত দেৰগাঁও কুমাৰ গাঁৱৰ নিজা বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। কিছু বছৰ ধৰি ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা ব্যক্তি গৰাকী এগৰাকী আদৰ্শ সমাজকৰ্মী হোৱাৰ উপৰিও বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সামাজিক সেৱা কৰ্মৰে সকলোৰে মাজত প্ৰিয়ভাজন ব্যক্তি গৰাকী এজন পুৰুহিত হিচাপেও সু-পৰিচিত আছিল। মৃত্যুৰ সময়ত চাৰিজন পুত্ৰ, দুগৰাকী জীয়ৰী-জোঁৱাই,নাতি-নাতিনী সহ বহু আত্মীয়ক এৰি থৈ গৈছে।সৰবৰহী ব্যক্তি গৰাকীৰ মৃত্যুত দেৰগাঁৱত পৰিছে শোঁকৰ ছাঁ।

# কামৰূপত লোক কল্যাণ দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ আগষ্ট ঃ** ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যুদিৱসৰ সৈতে সংগতি ৰাখি আজি কামৰূপ জিলাৰ সংহত জিলা কাৰ্যালয়ত লোক কল্যাণ দিৱস পালন কৰা হয়। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত লোক কল্যাণ দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে উপস্থিত থাকে ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু সন্মানীয় অতিথিৰূপে উপস্থিত থাকে ৰাজ্য চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী যোগেন মহন। ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণৰে আৰম্ভ হোৱা আজিৰ লোক কল্যাণ দিৱসৰ কাৰ্যসূচীত বক্তব্য ৰাখি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এগৰাকী আগশাৰীৰ নেতা গোপীনাথ বৰদলৈৰ অসম আৰু অসমীয়াৰ প্ৰতি থকা অৱদানৰ বিষয়ে উল্লেখ কৰে। গান্ধীজীৰ জীৱন দৰ্শনৰে অনুপ্ৰাণিত হোৱা বৰদলৈয়ে দেশপ্ৰেম আৰু কৰ্ম প্ৰেৰণাৰ ভেটি নিৰ্মাণ কৰিছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে লোকপ্ৰিয় উপাধিৰে বিভূষিত গোপীনাথ বৰদলৈয়ে কেবিনেট মিছনৰ গ্ৰুপিঙ প্ৰস্তাৱৰ বিৰোধিতা কৰি কিদৰে অসমীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিছিল তথা অসমবাসীৰ মাজত সম্প্ৰীতিৰ এনাজৰী শক্তিশালী কৰি বিশ্বৰ বুকুত অসমীয়া জাতিক সগৌৰৱে থিয় হৈ থাকিবলৈ সাহস আৰু প্ৰেৰণা দিছিল সেইবিষয়েও উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সকলোকে কৰ্মক্ষেত্ৰত আগবাঢ়ি যাবলৈ আহ্বান জনায়। সভাত বক্তব্য ৰাখি ৰাজ্য চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী যোগেন মহনে আজি লোক সেৱা পুৰস্কাৰপ্ৰাপ্তসকলৰ আদৰ্শৰে সকলো বিষয়া-কৰ্মচাৰীকে সততা আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত কামৰূপ জিলাৰ তিনিগৰাকী অ-ৰাজপত্ৰিত কৰ্মচাৰী ক্ৰমে কামৰূপ জিলা আয়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক দিবাকৰ বড়ো, ৰঙিয়া সমজিলা আয়ুক্ত কাৰ্যালয়ৰ কাৰ্যালয় পিয়ন ৰাধাৰাম ব্ৰহ্ম, কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক তথা গাণনিক বিমান চন্দ্ৰ বড়াক মন্ত্ৰীদ্বয়ে লোক সেৱাৰ ক্ষেত্ৰত অনন্য পাৰদৰ্শিতা আগবঢ়োৱাৰ বাবে লোক সেৱা বঁটা ২০২৫ৰ লগতে মানপত্ৰ, ফুলাম গামোচা আৰু শৰাইৰে সন্মানিত কৰে। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণি ভাষণ প্ৰদান কৰা সভাত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তকে ধৰি জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

### মহাভৈৰৱৰ পৰা নগাঁও চহৰস্থিত ঘৰলৈ আনি ধৰ্ষণৰ অপচেষ্টা

# চামগুৰিৰ ৰঙাগড়াস্থিত ফুড ক্ৰাফট ইনষ্টিটিউটৰ অধ্যক্ষৰ বিৰুদ্ধে যুৱতীক অসৎ কাৰ্য চৰিতাৰ্থ কৰাৰ অভিযোগ

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়াস্থিত অসম চৰকাৰৰ পৰ্যটন নিগমৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ফুড ক্ৰাফ্ট ইনষ্টিটিউটৰ অধ্যক্ষই এগৰাকী অসহায় যুৱতীক অসৎ কাৰ্য্য চৰিতাৰ্থ কৰিবলৈ লোৱা এক জঘন্য কাণ্ড পোহৰলৈ অহাৰ পাছতেই বৃহত্তৰ চামগুৰি অঞ্চলত সৃষ্টি হৈছে ব্যাপক প্ৰতিক্ৰিয়া। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, ৰঙিয়াৰ এগৰাকী অনাথ যুৱতী তথা ফুড ক্ৰাফ্ট ইনষ্টিটিউটৰ উদ্যোগত অনুষ্ঠিত হৈ যোৱা বিগত এটা কৰ্মশালৰ প্ৰাক্তন প্ৰশিক্ষাৰ্থী গৰাকীক হোটেলত কৰ্মসংস্থাপন দিয়াৰ অজুহাতত অধ্যক্ষ প্ৰবাল শৰ্মা বৰদলৈয়ে তেজপুৰৰ মহাভৈৰৱৰ ওচৰৰ পৰা নগাঁও চহৰস্থিত ঘৰলৈ আনি ধৰ্ষণৰ অপচেষ্টা কৰা বুলি এক অভিযোগ উত্থাপিত হৈছে। এই কুকৰ্মৰ ঘটনাটো যোৱা ২৯ জুলাইৰ নিশাৰ ভাগত অধ্যক্ষ প্ৰবাল শৰ্মা বৰদলৈৰ নগাঁওস্থিত বাসগৃহত সংঘটিত হৈছিল বুলি ভুক্তভোগী যুৱতীগৰাকীয়ে অধ্যক্ষ বৰদলৈৰ বিৰুদ্ধে গুৰুত্বৰ অভিযোগ উত্থাপন কৰিছে। ভুক্তভোগী যুৱতী গৰাকীৰ ভাষ্য অনুসৰি ঘটনা সন্দৰ্ভত জানিব পৰা মতে, যুৱতীগৰাকীয়ে হোটেল-ৰেষ্টুৰেণ্টত কৰ্মসংস্থাপন বিচাৰি অধ্যক্ষগৰাকীৰ লগত যোগাযোগ কৰিছিল আৰু তাৰ পাছতেই অধ্যক্ষ প্ৰবাল শৰ্মা বৰদলৈয়ে নগাঁৱৰ এখন ৰেষ্টুৰেণ্টত কৰ্মসংস্থাপন দিবৰ বাবে ২৯ জুলাইত তেজপুৰৰ পৰা নগাঁৱলৈ বুলি লৈ আহিছিল যুৱতীগৰাকীক। অধ্যক্ষ গৰাকীয়ে যুৱতীগৰাকীক নগাঁৱৰ ৰিলে' নামৰ ৰেষ্টুৰেণ্টত পুৱাৰ ভাগত কৰ্মসংস্থাপন দিয়াৰ কথাকৈ নিশাটো নিজৰ ঘৰতেই আশ্ৰয় দি নিশা কটাবলৈ দিছিল। তাৰ পাছতেই অধ্যক্ষ গৰাকীয়ে অধ্যক্ষগৰাকীৰ ঘৰত পৰিয়ালৰ কোনো লোক নথকাৰ সুযোগ গ্ৰহণ কৰিয়েই নিশাৰ ভাগত যুৱতীগৰাকীক যৌন সম্পৰ্কৰ অভিজ্ঞতাৰ জ্ঞান দি ধৰ্ষণৰ অপচেষ্টা কৰা বুলি ভুক্তভোগী যুৱতীগৰাকীয়ে অভিযোগ উত্থাপন কৰিছে। যুৱতীগৰাকীয়ে এজন বন্ধুক সামগ্ৰীক ঘটনাটোৰ বিষয়ে কোৱাৰ পাছতেই পোহৰলৈ আহে অধ্যক্ষ প্ৰবাল বৰদলৈৰ কু-কৰ্মৰ কথা। সম্প্ৰতি পিতৃ-মাতৃ নথকা অনাথ যুৱতীগৰাকী বৰ্তমান এই ঘটনাৰ পাছতেই মানসিকভাৱে ভাঙি পৰাৰ লগতে ন্যায়ৰ বাবে ইতিমধ্যে অধ্যক্ষগৰাকীৰ বিৰুদ্ধে আৰক্ষীৰ কাষ চাপিছে বুলি জানিব কৰা গৈছে।

# ৰামদিয়াত অৰ্ধ-শতাধিক ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, হাজো, ৬ আগষ্ট ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়া সমাজ উন্নয়ন সভাৰ উদ্যোগত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ অৰ্ধশতাধিক কৃতিমান ছাত্ৰ-ছাত্ৰীক আজি সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে আবেলি ৫-৩০ বজাত ৰামদিয়া নামপাৰাৰ বজাৰ গৃহত অনুষ্ঠিত হয় এক ৰাজহুৱা সভা। ৰামদিয়াৰ স্থানীয় শিল্পী সকলে পৰিবেশন কৰা এটি সমবেত সংগীতেৰে আৰম্ভ কৰা অভিনন্দন অনুষ্ঠানত উদ্বোধনী ভাষণ ৰাখি সাংস্কৃতিক আলোচনী "দাপোন"ৰ মুখ্য সম্পাদক দিনমণি ভাগুৱাৰ কায়স্থই শিক্ষাৰ জৰিয়তে সমাজ গঠনত ছাত্ৰ ছাত্ৰীৰ দায়িত্ব আৰু কৰ্তব্য কি তাক সুন্দৰকৈ ব্যাখ্যা কৰি অনুশীলন, একাগ্ৰতা, নিষ্ঠা আৰু সততাৰে জীৱন সংগ্ৰামত ব্ৰতী হ'বলৈ ছাত্ৰ ছাত্ৰী সকলক আহ্বান জনায়। এমট্ৰনৰ উপ প্ৰবন্ধক তথা সমাজৰত্ন বঁটা প্ৰাপক ভাগুৱাৰ কায়স্থই পুনৰ কয় যে, অকল মেধাবী ছাত্ৰ ছাত্ৰী সকলক গুৰুত্ব দিলেই নহ'ব, সাধাৰণভাৱে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলকো আমি সমানে চোৱাটো দৰকাৰ। কিয়নো ভৱিষ্যত সমাজ গঠনত, সমাজ পৰিচালনাৰ ক্ষেত্ৰত এই সকল শিক্ষাৰ্থীয়ে যথেষ্ট অৰিহণা আগবঢ়াব বুলিহে তেওঁ ভাষণত প্ৰকাশ কৰে। সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি ভট্টদেৱ বিশ্ব বিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° বিৰিঞ্চি কুমাৰ দাসে ভাষণ প্ৰসংগত ১৯৯১ চনৰে পৰাই তেওঁ নিজেই শিক্ষা বৃত্তিৰ লগত জড়িত বুলি উল্লেখ কৰি ৰামদিয়াৰ সু সন্তান তথা বৰেণ্য ব্যক্তি জ্যোতিপ্ৰসাদ মেধি, কালিৰাম মেধি, সৌৰভ কুমাৰ চলিহাৰ জীৱন বৃত্তান্তৰ আলোকপাত কৰি ছাত্ৰ ছাত্ৰী সকলক এইসকল ব্যক্তিক অনুকৰণ কৰি ভৱিষ্যত জীৱন যাত্ৰাত আগবাঢ়ি যাবলৈ পৰামৰ্শ আগবঢ়ায়। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত বক্তব্য ৰাখি তেওঁ অসমীয়া ভাষাক গুৰুত্ব সহকাৰে লৈ অসমীয়া ভাষাৰ সঠিক ভাৱে প্ৰয়োগ কৰিবলৈ মেধাবী ছাত্ৰ ছাত্ৰী সকলৰ প্ৰতি আহ্বান জনায়। সভাত মুখ্য অতিথিৰ ভাষণত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ অধ্যক্ষ ড° বিশ্বজিৎ দাসে জীৱনত সফলতা আৰু বিফলতা থাকিবই বুলি উল্লেখ কৰি একাংশ মহৎ লোকৰ জীৱন গাঁঠাৰ ব্যাখ্যা কৰি ছাত্ৰ- ছাত্ৰী সকলক ভাষণৰ জৰিয়তে উৎসাহিত কৰে। ৰামদিয়া সমাজ উন্নয়ন সভাৰ সম্পাদক দিলীপ ঠাকুৰীয়াই আঁত ধৰা অভিনন্দন অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ অনুসূচীত জাতিৰ অসম প্ৰদেশৰ উপসভাপতি প্ৰকাশ চন্দ্ৰ দাস আৰু গেট হস্পিতালৰ পৰিচালন সঞ্চালক ড০বেদব্ৰত পাঠকে সমাজ ব্যৱস্থাৰ লগত ছাত্ৰ-ছাত্ৰী সকলক জড়িত হৈ সুস্থ সমাজ গঠনত অৰিহণা আগবঢ়াবলৈ ছাত্ৰ ছাত্ৰী সকলক ভাষণৰ জৰিয়তে আহ্বান জনায়। এই সভাতে ৩ নং পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্যা ৰেৱতী ডেকা মজুমদাৰ আঞ্চলিক সদস্যা প্ৰণিতা বৈশ্য মেধি সভানেত্ৰী জ্যোতিশিখা ভৰালীৰ লগতে কেইবাজনো পঞ্চায়ত প্ৰতিনিধিক সম্বৰ্ধনা জনোৱাৰ লগতে ৰামদিয়া অঞ্চলৰ অৰ্ধশতাধিক মেধাৱী ছাত্ৰ ছাত্ৰীক ফুলাম গামোছা, মানপত্ৰ আদিৰে বিপুলভাৱে সম্বৰ্ধনা জনায়। সভাত ৰামদিয়া সমাজ উন্নয়ন সভাৰ সভাপতি বৰুণ চন্দ্ৰ তালুকদাৰ, কুমুদ চন্দ্ৰ ডেকা, ৰাজ্যিক বঁটা প্ৰাপক কৃতি শিক্ষক ৰজত চন্দ্ৰ ভৰালীৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।



# ফ্লীটু ইলেকট্ৰিক স্কুটীৰ মণ্ডল এণ্টাৰপ্ৰাইজ শ্ব'ৰুম মুকলি

**অসম বাৰ্তা কয়াকুছি, ৬ আগষ্ট ঃ** পেট্ৰ'ল-ডিজেলৰ অত্যধিক মূল্য বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি কয়াকুছি বজাৰত শুভাৰম্ভ হল ইলেকট্ৰিক স্কুটীৰ ছেলাৰ পইণ্ট মণ্ডল এণ্টাৰপ্ৰাইজ নামৰ ইলেকট্ৰিক স্কুটীৰ শ্বো-ৰোম। বি বি ৰোডত কয়াকুছি বজাৰ তিনি আলিৰ নুৰুল ইছলাম মাৰ্কেটত শুভ উদ্বোধন কৰিল ফ্লীটু ইলেকট্ৰিক স্কুটীৰ মণ্ডল এণ্টাৰপ্ৰাইজ শ্বো-ৰোম খন। নিম্নতম ৫৭৫০০ টকাৰ পৰা ৮৩৫০০ টকালৈ মিনিলাইটবিহানজাগুৱাৰমেগনাম আৰু উদ্দান নামেৰে বিভিন্ন ৰং আৰু ডিজাইনৰ স্কুটীবোৰ মণ্ডল এণ্টাৰপ্ৰাইজ শ্বো-ৰোমত উপলব্ধ হ'ব বুলি উদ্যোক্তাসকলে উপস্থিত ৰাইজ আৰু গ্ৰাহকৰ জ্ঞানাৰ্থে জনায়। আবেলি শ্বো-ৰোম শুভাৰম্ভ উপলক্ষে মোনাজাত আৰু দোৱা প্ৰাৰ্থনাৰে ৰঙাফিতা কাটি শুভাৰম্ভ কৰে। ৰঙাফিতা কাটি শুভাৰম্ভ কৰে কয়াকুছি বজাৰ কমিটিৰ প্ৰাক্তন সম্পাদক তথা বিশিষ্ট ব্যৱসায়ী ছাদেক আলী আহমেদে। স্বত্বাধিকাৰী সাজাহান আলী মোজাম্মেল হক আৰু আব্দুৰ ৰহিমৰ উদ্যোগত নুৰুল ইছলাম মাৰ্কেটত আৰম্ভ হোৱা শ্বো-ৰোমৰ গৰাকীয়ে জানিবলৈ দিয়ামতে দুঘণ্টামান চাৰ্জ কৰিলেই প্ৰায় এক শ কিলোমিটাৰ চলাব পৰা যাব স্কুটীখন। আধাৰ কাৰ্ড পান কাৰ্ড আৰু নিজস্ব মোবাইল নম্বৰৰ সৈতে গ্ৰাহক উপস্থিত হলেই সহজলভ্যকৈ গ্ৰাহকে লাভ কৰিব ইলেকট্ৰিক স্কুটী। যিটো স্কুটী চলাওতে ইঞ্চিউৰেঞ্চ আৰু আৰচিৰ কোনো প্ৰয়োজন নহব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। সদ্যহতে কোম্পানীয়ে সহজলভ্যকৈ স্কুটীৰ লগত এটা ৰেজিষ্ট্ৰেচন কাৰ্ড যোগান ধৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। পেট্ৰ'ল-ডিজেলৰ অত্যধিক মূল্যবৃদ্ধিৰ প্ৰতি লক্ষ্য কৰি ফ্লীটু ইলেকট্ৰিক স্কুটীবোৰ কম মূল্যত গ্ৰাহকে উপলব্ধ হোৱাকৈ পাবলৈ জিলাখনৰ বিভিন্ন প্ৰান্তৰ সচেতন গ্ৰাহকৰ দৃষ্টি আকৰ্ষণ কামনা কৰিছে উদ্যোক্তাসকলে। বি বি ৰোড কয়াকুছি বজাৰ তিনিআলি নুৰুল ইছলাম মাৰ্কেট মণ্ডল এণ্টাৰপ্ৰাইজৰ লগত যোগাযোগৰ বাবে ৬০০৩৮৯৫১১৭-৯৮৫৪৯৯৭৩৯১-৮৬৩৮৯৫১৯৪৪ নম্বৰত কল কৰিব পাৰিব বুলি আহ্বান জনাইছে উদ্যোক্তাসকলে। শুভাৰম্ভ অনুষ্ঠানত আলোপতি-মাজৰ চৰৰ মিৰ্জা নেৱাজ শ্বৰীফ হাউলীৰ বিশিষ্ট ব্যৱসায়ী আবু তাহেৰ আছাদী আল আমিন মিছন একাডেমীৰ সঞ্চালক আব্দুছ ছবুৰ যুৱ নেতা আলেপ খান সমন্বয় সাহিত্য গোষ্ঠীৰ মুখ্য সম্পাদক ছাহেদ আলী আহমেদকে আদি কৰি বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত থাকি উদ্যোক্তাসকলক আন্তৰিক শুভেচ্ছা জনায়।

# ৰূপহীহাটৰ গড়াজানত চুলাই মদৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান এজনক আটক

**অসম বাৰ্তা, ৰূপহীহাট, ৬ আগষ্ট ঃ** ৰূপহীহাটৰ গড়াজানত চুলাই মদৰ বিৰুদ্ধে আজি দুপৰীয়া আৰক্ষীয়ে চলাই এক অভিযান। ৰূপহীহাটৰ গড়াজান আৰক্ষী পহৰা চকীৰ আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি আমৰাকান্ধাত চুলাই মদৰ বিৰুদ্ধে চলাই এই অভিযান। আৰক্ষীৰ অভিযানত কেবাটাও চুলাই মদৰ ড্ৰাম সহ আটক কৰে এজন মদ বেপাৰীক। ধৃত মদ বেপাৰীজন হল অজয় মণ্ডল। অজয় মণ্ডলে দীৰ্ঘদিন ধৰি চুলাই মদৰ ৰমৰমীয়া বেহা চলাই আহিছিল। আৰক্ষীয়ে অজয় মণ্ডৰ ঘৰৰ পৰা উদ্ধাৰ হোৱা চুলাই মদৰ ড্ৰাম সমূহ আৰক্ষীয়ে নষ্ট কৰি পেলায়। উল্লেখ্য যে আজি দুপৰীয়া অজয় মণ্ডলৰ ঘৰৰ পৰা মদ খাই মংগল নামৰ এজন লোক পুখুৰীত পৰি আছিল। স্থানীয় ৰাইজে পুখুৰীত পৰি থকা লোকজনক উদ্ধাৰ কৰি অতি সংকটজনক অৱস্থাত নগাঁও মেডিকেল কলেজত ভৰ্তি কৰায়। গড়াজান আৰক্ষীয়ে ধৃত অজয় মণ্ডলক জেৰা অব্যাহত ৰাখিছে।

# গোলাঘাটত লোকপ্ৰিয় গোপীনাথ বৰদলৈ মৃত্যু তিথি লোক কল্যাণ দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৬ আগষ্ট ঃ** গোলাঘাটত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু তিথি উপলক্ষে সমগ্ৰ অসমৰ লগতে গোলাঘাট জিলাৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত লোক কল্যাণ দিৱস পালন কৰা হয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈ দেৱৰ আলোকচিত্ৰত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে আৰম্ভ হোৱা আজিৰ এই সভাত অসম চৰকাৰৰ মাননিয়া বিত্ত মন্ত্ৰী তথা গোলাঘাট সমষ্টিৰ সন্মানীয় বিধায়িকা অজন্তা নেওঁগ অসম চৰকাৰৰ মন্ত্ৰী তথা বোকাখাত সমষ্টিৰ সন্মানীয় বিধায়ক অতুল বৰা, সৰুপথাৰ সমষ্টিৰ সন্মানীয় বিধায়ক বিশ্বজিৎ ফুকন, বিশিষ্ট সমাজকৰ্মী ড° নৃপেন বৰুৱা উপস্থিত থাকি অনুষ্ঠানটোৰ শোভাবৰ্দ্ধন কৰে। এই অনুষ্ঠানটোত গোলাঘাট জিলাৰ এই বাৰৰ পঞ্চায়ত নিৰ্বাচনৰ নিৰ্বাচিত জিলা পৰিষদৰ সভাপতিসকল, জিলা প্ৰশাসনৰ লগতে বিভাগীয় বিষয়াসকল, জিলাখনৰ বিভিন্ন বিভাগৰ কৰ্মচাৰীসল, সাংবাদিকসকল লগতে আন জ্যেষ্ঠ নাগৰিকৰ উপস্থিতিত ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ দেৱৰ সত্তা আৰু আদৰ্শ সকলোৰে স্মৰণ কৰে। বিশিষ্ট অতিথিয়ে নিজৰ ভাষণত অসমীয়া সত্তা, সুৰক্ষা, আদৰ্শগত ৰাজনীতি, খিলঞ্জীয়া সত্তাৰ ৰক্ষা কৱচ নিৰ্মাণ, ভূমি সংস্কাৰ, উচ্চ শিক্ষাৰ অসমত প্ৰাসংগিকতাৰ অৱলোকন আদি ক্ষেত্ৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অৱদান আৰু বৰ্তমান সময়তো সেই প্ৰৱহমান ধাৰাৰ প্ৰতিচ্ছবি যে প্ৰতিফলিত হোৱাতো জৰুৰী তাক লৈ আলোকপাত কৰে আৰু অসমৰ এই মহান মনিষীগৰাকীক সোঁৱৰে। উল্লেখযোগ্য যে আজিৰ এই অনুষ্ঠানটোত জিলাখনৰ চাৰিজন নিৰ্বাচিত কৰ্মচাৰীক তেওঁলোকৰ নিঃস্বাৰ্থ আৰু উৎকৃষ্ট সেৱাৰ বাবে "লোক সেৱা পুৰস্কাৰ" প্ৰদান কৰা হয়। গোলাঘাট জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ত কৰ্মৰত বিমান পাথৰী, দক্ষিণ গোলাঘাট খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী দিল বাহাদুৰ ছেত্ৰী, জিলাৰ প্ৰাথমিক শিক্ষা বিভাগৰ কাৰ্য্যালযৰ কৰ্মচাৰী দিগন্ত গগৈ আৰু দেৰগাঁৱ সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰী কৰুণা কান্তৰাজবংশী। নিজৰ কৰ্তব্য আৰু সেৱা সোঁৱৰাই দিয়া আজিৰ এই দিনটোৰ অনুষ্ঠানটোত প্ৰতিজন অতিথি আৰু উপস্থিত ৰাইজে একেমুখে লোকপ্ৰিয় গোপীনাথ বৰদলৈ দেৱৰ কৰ্মৰাজি স্মৰণ কৰে আৰু সেৱা মনোভাৱ বৰ্তাই ৰাখি নিজৰ নিজৰ কামত নিয়োজিত হোৱাৰ প্ৰয়োজনীয়তা একেমুখে স্বীকাৰ কৰে।

# বিশিষ্ট শাস্ত্ৰীয় সংগীতজ্ঞ সত্যকৃষ্ণ মিশ্ৰৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, বৰপেটা সদৰ, ৬ আগষ্ট ঃ** শাস্ত্ৰীয় সংগীতজ্ঞ তথা বিশিষ্ট বেহেলা বাদক, অৱসৰপ্ৰাপ্ত শিক্ষক, বৰপেটাৰ সমাজ জীৱনৰ অভিভাৱকস্বৰূপ সত্যকৃষ্ণ মিশ্ৰৰ আজি পুৱা ৮বাজি ৪৬ মিনিটত বাৰ্ধক্যজনিত কাৰণত বৰপেটাৰ গলিয়া হাটীৰ নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৯ বছৰ। এক বৰ্ণাঢ্য জীৱন পৰিক্ৰমাৰে সমাজক নেতৃত্ব দিয়া প্ৰয়াত মিশ্ৰৰ ১৯২৬ ত গলিয়াহাটীৰ সাংস্কৃতিক চৰ্চাৰ অন্যতম কেন্দ্ৰ থকা এটা পৰিয়ালত জন্ম হৈছিল। শাস্ত্ৰীয় সংগীতৰ লগতে সত্ৰীয়া সংস্কৃতিৰ বিশেষ চৰ্চা থকা পৰিয়ালটোত সত্যকৃষ্ণ মিশ্ৰয়ো সৰুৰে পৰা ইয়াৰ চৰ্চাত নিমগ্ন হৈছিল। সমান্তৰালভাৱে বিদ্যায়তনিক ক্ষেত্ৰখনতো তেওঁ আগবাঢ়ি গৈ পৰৱৰ্তী সময়ত শিক্ষকতাৰ ক্ষেত্ৰখনত জড়িত হয়। তেওঁ বৰপেটা বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথমজন অধ্যক্ষ আছিল। এজন জনাজাত ফুটবল খেলুৱৈ আৰু অভিনেতাবুলি পৰিচয় থকা প্ৰয়াত মিশ্ৰ বিশেষভাৱে বেহেলা বাদনৰ চৰ্চাত ওৰে জীৱন নিমগ্ন আছিল। অসমৰ বিভিন্ন মঞ্চৰ লগতে দেশৰ কেবাখনো ৰাজ্যৰ আগশাৰীৰ শাস্ত্ৰীয় সংগীতৰ অনুষ্ঠানত তেওঁ বেহেলা বাদন পৰিৱেশন কৰিছিল। তেওঁ দুই পুত্ৰ ওস্তাদ প্ৰদ্যুত কৃষ্ণ মিশ্ৰ আৰু বিদ্যুত কৃষ্ণ মিশ্ৰও শাস্ত্ৰীয় সংগীত তথা বেহেলাৰ বিশিষ্ট বাদক। সত্যকৃষ্ণ মিশ্ৰই ইহসংসাৰত এৰি থৈ যোৱা পত্নী নিৰুপমা মিশ্ৰ এগৰাকী বিশিষ্ট শিশু সাহিত্যিক। ২০০৫ ত অসম চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰা প্ৰয়াত মিশ্ৰ " বৰপেটা ৰত্ন", " বৰপেটা শিৰোমণি", "সংগীত ভগীৰথ" আদি সন্মানেৰে বিভূষিত হৈছিল। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ জ্যেষ্ঠ কৰ্মকৰ্তা থকা প্ৰয়াত মিশ্ৰ বৰপেটা জিলা ভাৰতীয় জনতা পাৰ্টিৰ ১৯৮৮ চনত সভাপতিও আছিল।

# ঘগ্ৰাপাৰৰ খাটিকুছি আৰু দলুৱাত শিক্ষক প্ৰশিক্ষণ আৰম্ভ

**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ৬ আগষ্ট ঃ** ঘগ্ৰাপাৰত অৱস্থিত বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত ক্ৰমে খাটিকুছি আৰু দলুৱাৰ দুখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত 'সঠিক স্তৰত শিকন' সন্দৰ্ভত শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী আজি আনুষ্ঠানিকভাৱে আৰম্ভ হয়। খাটিকুছিত অৱস্থিত পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কেন্দ্ৰৰ শুভাৰম্ভ কৰে বিদ্যালয়ৰ অধ্যক্ষা মঞ্জুৰাণী ভুএগ্ৰাই। উদ্বোধনী সভাত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ ৰাজ্যিক সমল গোটৰ সদস্য সুভাষ বৰ্মনে প্ৰশিক্ষণটোৰ লক্ষ্য, উদ্দেশ্য আৰু প্ৰাসংগিকতা সন্দৰ্ভত আলোচনা কৰে। তেওঁ কয় যে এই প্ৰশিক্ষণে শিক্ষকৰ শিকন-শৈলীৰ দিশত ইতিবাচক পৰিৱৰ্তন আনিব আৰু শিক্ষাৰ্থীৰ শিকন প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ হ'ব। একেদিনাই দলুৱাত অৱস্থিত বিষ্ণুজ্যোতি উচ্চতৰ মাধ্যমিক বিদ্যালয়তো প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্বোধন অনুষ্ঠিত হয়। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীধৰ বেজবৰুৱাৰ উপস্থিতিত প্ৰশিক্ষণ উদ্বোধন কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্যই। তেওঁ নিজৰ ভাষণত কয়—"এই ধৰণৰ প্ৰশিক্ষণত শিকা কথাবোৰকে শিক্ষা প্ৰতিষ্ঠানত সঠিকভাৱে কাৰ্যকৰী ৰূপত প্ৰয়োগ কৰাটো অতি জৰুৰী। শিক্ষক সকলে এই প্ৰশিক্ষণত আহৰণ কৰা কথা নিজ নিজ বিদ্যালয়ত বাস্তৱায়িত কৰিলে শিকন ফলাফলত দৃশ্যমান পৰিৱৰ্তন আহিব।" প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন কৰে নলবাৰী জিলা মিছন সমন্বয়ক তথা অতিৰিক্ত আয়ুক্ত জোনটি ডেকাই। তেওঁ শিক্ষকসকলৰ উৎসাহ, কৰ্মস্পৃহা আৰু প্ৰশিক্ষণৰ পৰিপাটিতাত সন্তোষ প্ৰকাশ কৰে। লগতে শিক্ষক-প্ৰশিক্ষণ বিভাগৰ জিলা আঁচনি বিষয়া কীৰ্তি গোস্বামী আৰু ডায়েট, নলবাৰীৰ প্ৰতিনিধি দলেও প্ৰশিক্ষণ প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰে আৰু প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়। চাৰিদিনীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীৰ পৰিচালনাত সহায় কৰে বি আৰ পি সুভাষ বৰ্মন, নৱ কুমাৰ দাস, চি আৰ চি চি পৱন কুমাৰ দাস, পংকজ দাস, অৰূপজ্যোতি দাস, মহেশ কলিতা আৰু ৰীমা বৈশ্যই। প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে আৰম্ভ হোৱাৰ বাবে জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকাই সকলো প্ৰশিক্ষক, আয়োজক আৰু সহায়কৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে আৰু আগন্তুক দিনত এই প্ৰশিক্ষণৰ ফল শিক্ষাৰ্থী পৰ্যায়লৈ সফলভাৱে প্ৰৱাহিত হ'ব বুলি আশা প্ৰকাশ কৰে।

## চোৰৰ উপদ্ৰৱত নিদ্ৰাহৰণ ৰাইজৰ

# মুকালমুৱাত ই-ৰিক্সাসহ চোৰক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৬ আগষ্ট ঃ** মুকালমুৱাত এতিয়া চোৰৰ উপদ্ৰৱত ত্ৰাহি মধুসূদন সোঁৱৰিবলগীয়া হৈছে সাধাৰণ লোকে। বৃহত্তৰ অঞ্চলটোত নিতৌ চুৰিৰ ঘটনা সংঘটিত হোৱাৰ ফলত অতিষ্ঠ হৈ পৰিছে স্থানীয় লোকসকল। উল্লেখ্য যে আৰক্ষী প্ৰশাসন তথা গাঁওৰক্ষী বাহিনীৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ অঞ্চলটোত গৰু চুৰিকে ধৰি বিভিন্ন সা-সামগ্ৰী চুৰিকাণ্ড হৈ আহিছে। মুকালমুৱা থানাৰ অন্তৰ্গত আদাবাৰী পহৰা চকীৰ আৰক্ষীয়ে অলপতে ই-ৰিস্কা চুৰিৰ অভিযোগত এটা চোৰক গ্ৰেপ্তাৰ কৰে। ধৃত চোৰটো হৈছে মুকালমুৱা থানাৰ অন্তৰ্গত সূতাৰকুছি গাঁৱৰ মকচেদ আলীৰ পুত্ৰ ৰকী আলী (২৫)। জানিব পৰা মতে নিশা লাউতোলা গাঁৱৰ মণ্টুল আলী নামৰ লোকজনৰ এখন নম্বৰপ্লেটবিহীন ই-ৰিস্কা চুৰি হৈছিল। চুৰি হোৱা ই ৰিস্কাখনৰ সন্ধান বিচাৰি লোকজনে আদাবাৰী পহৰা চকীৰ আৰক্ষীক দাখিল কৰা এজাহাৰৰ ভিত্তিত আদাবাৰী পহৰা চকীৰ আৰক্ষীয়ে অভিযান চলাই হামলাকুৰ গাঁৱৰ পৰা চোৰটোক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে চোৰটোক গাড়ীৰে আনি থাকোঁতে চোৰটোৱে গাড়ীৰ পৰাই পলায়ন কৰিছিল যদিও আৰক্ষীয়ে চোৰটোক খেদি খেদি কৰায়ত্তকৰে। ধৃত ৰকী আলীক পূৰ্বতে ড্ৰাগছ সেৱনকে ধৰি বিভিন্ন অপৰাধমূলক কামত জড়িত থকাৰ অপৰাধত মুকালমুৱা আৰক্ষীয়ে একাধিক গোচৰত গ্ৰেপ্তাৰ কৰিছিল বুলিও জানিব পৰা গৈছে। ভাৰতীয় ন্যায় সংহিতাৰ ৩০৩(২)১১৮(২) আৰু ১৩২ ধাৰাৰ অধীনত ১৯৪/২৫ নম্বৰত মুকালমুৱা থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত ধৃত চোৰটোক গ্ৰেপ্তাৰ কৰি ইতিমধ্যে জে'ললৈ প্ৰেৰণ কৰিছে আৰক্ষীয়ে।

# কচুৱাত অসম গৰীয়সী পুথি সংৰক্ষণ আৰু সাহিত্য-সংস্কৃতি বিকাশ মঞ্চৰ অনুষ্ঠান

## ২৪ গৰাকী ব্যক্তিলৈ অসম গ্ৰাম্য শিৰোৰত্ন বঁটা

**অসম বাৰ্তা, কচুৱা, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ কচুৱা তিনিআলিস্থিত জ্ঞানজ্যোতি বিদ্যাপীঠত অসম গৰীয়সী পুথি সংৰক্ষণ আৰু সাহিত্য সংস্কৃতি বিকাশ মঞ্চৰ উদ্যোগত বিশ্বৰ প্ৰয়াত মাতৃ সকলৰ সোঁৱৰণত ২০২৪-২৫ বৰ্ষৰ অসম গ্ৰাম্য শিৰোৰত্ন বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটোত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা সাহিত্য সংস্কৃতিৰ লগত জড়িত থকা বহু বৰ্নাঢ্য গণ্য মান্য ব্যক্তি সকলৰ উপস্থিতিত ২৪ গৰাকী বিশিষ্ট ব্যক্তিক বিশেষ সম্বৰ্দ্ধনা জনোৱা হয়। সভাত অসম গৰীয়সী পুথি সংৰক্ষণ আৰু সাহিত্য সংস্কৃতি বিকাশ মঞ্চৰ সভাপতি সভাৰাম বৰা, সম্পাদক শৈলেন চৰকাৰ, সাংস্কৃতিক সম্পাদক কুমুদ নাথ, পশ্চিম কাৰ্বি আংলং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নিত্যানন্দ গোস্বামী, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য অতুল বৰুৱা, বিশিষ্ট কবি তথা কণ্ঠ শিল্পী ড° আফতাব হুছেইন চৌধুৰী, বিশিষ্ট সমাজ সেৱক শনিৰাম বৰা, শিক্ষাবিদ বাহাৰুল ইছলাম, হুছেইন আলীৰ লগতে গাম্ভীৰ্যপূৰ্ণ সভাত বহু গণ্য মান্য ব্যক্তি সকল উপস্থিত থাকে।

# গোলাঘাটৰ ঘিলাধাৰী আৰু মক্ৰ চাহ বাগিচাত ব'ল বমত অংশগ্ৰহণ কৰা লোকক খোৱাপানী-ফল-মূল বিতৰণ

**অসম বাৰ্তা, মেৰাপানী, ৬ আগষ্ট ঃ** আজি পবিত্ৰ শাওন মাহৰ তৃতীয়টো সোমবাৰ। এই পবিত্ৰ দিনটোতে গোলাঘাট বিধান সভা সমষ্টিৰ অন্তৰ্গত ঘিলাধাৰী আৰু মক্ৰং চাহ বাগিচাৰ ৰাইজৰ উদ্যোগত আয়োজিত ব'ল ব'মৰ পদযাত্ৰাত গোলাঘাট জিলা কংগ্ৰেছৰ যুৱ নেতা দীপাংকৰ বৰাই অংশগ্ৰহণ কৰি ব'ল বমৰ পদযাত্ৰী সকলক খোৱা পানী, চৰবত আৰু বিভিন্ন ফল মূল বিতৰণ কৰে দুয়োখন বাগিচাৰ কংগ্ৰেছ কৰ্মীসকলৰ সহযোগত যুৱ নেতা তথা অসম প্ৰদেশ কংগ্ৰেছৰ সদস্য দীপাংকৰ বৰাৰ নেতৃত্বত কৰা এই মহান পদক্ষেপ অঞ্চলবাসী ৰাইজে শলাগ জ্ঞাপন কৰিছে। আনহাতে উক্ত কাৰ্যসূচীত জিলা কংগ্ৰেছৰ বিভিন্ন বিষয়ববীয়া সকলৰ লগতে কংগ্ৰেছ নেতা নিজাম আহমেদ, জেষ্ঠ কংগ্ৰেছ কৰ্মী ভাস্কৰ সন্দিকৈ, অপূৰ্ব শইকীয়া, গুনিন্দ্ৰ নাথ বৰা বৰা, ঘিলাধাৰী বাগিচাৰ ৱাৰ্ড সদস্য মেঘাৰাম মহালি যুৱ কংগ্ৰেছ কৰ্মী তথা অধিবক্তা ৰমেন বৰা, ৰুবুল শইকীয়া আদি উপস্থিত থাকি সহযোগিতা আগবঢ়াই। আনহাতে গোলাঘাট গৌৰৱ গগৈ অন্যতম ঘনিষ্ঠ হিচাপে এগৰাকী যুৱ নেতা দীপাংকৰ বৰা অৰ্থাৎ সমাজিক কামত হৰ্থাৎ সক্ৰিয় হৈ পৰাত গোলাঘাট বিধান সভাৰ সমষ্টিৰ পৰা প্ৰাৰ্থীত লাভ কৰাৰ সম্ভাৱনা আছে। ইতিমধ্যেই কংগ্ৰেছৰ ঘনিষ্ঠ সূত্ৰই প্ৰকাশ কৰা অনুসৰি দীপাংকৰ বৰা ২০২৬ বিধানসভা নিৰ্বাচন বাবে প্ৰাৰ্থীত্বৰ অন্যতম দাবীদাৰ।

## নগাঁৱত "লোক কল্যাণ দিৱস" উদ্‌যাপন

# আয়ুক্ত কাৰ্যালয়ৰ প্ৰশাসনিক পৰ্যবেক্ষক সহায়ক বিপুল চন্দ্ৰ বৰালৈ লোকসেৱা বঁটা

**অসম বাৰ্তা, নগাঁও, ৬ আগষ্ট ঃ** নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭৫ সংখ্যক মৃত্যু তিথি উপলক্ষে লোক কল্যাণ দিৱসটি আজি নগাঁও জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয়। এই দিৱসতেই কৰ্ম ক্ষেত্ৰত বিভিন্ন দিশত পাৰদৰ্শিতা আগবঢ়োৱা ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীলৈ মুখ্যমন্ত্ৰীৰ "কৰ্মশ্ৰী" আৰু "লোকসেৱা" বঁটা আগবঢ়োৱা হয়। এই বঁটাৰ মূল উদ্দেশ্য হৈছে জনসেৱাৰ প্ৰতি উৎসাহ প্ৰদান, চৰকাৰী সেৱাৰ গুণগত মানৰ উন্নয়ন, দায়িত্ববান, নিষ্ঠাবান আৰু উদ্যমী কৰ্মচাৰী চিনাক্তকৰণ আৰু আদৰ্শ স্থাপন কৰি আনক উৎসাহিত কৰা ইত্যাদি। আজিৰ সভাৰ আৰম্ভণিতে জিলা আয়ুক্তৰ লগতে উপস্থিত বিশিষ্ট ব্যক্তিসকলে লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। অসম সংগীতেৰে আৰম্ভ হোৱা এই অনুষ্ঠানটিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অতিৰিক্ত জিলা আয়ুক্ত মনোৰমা মৰাঙে। সভাত ভাষণ প্ৰদান কৰি আয়ুক্ত গৰাকীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ দেৱে স্বাধীন অসম গঢ়াৰ ক্ষেত্ৰত সামাজিক, সাংস্কৃতিক আৰু প্ৰশাসনিক দিশত আগবঢ়োৱা অৱদানক সোঁৱৰণ কৰি বক্তব্য আগবঢ়াই। এখন সুস্থ সবল সমাজ গঢ়াৰ ক্ষেত্ৰত সকলো কৰ্মচাৰীকে লোকসেৱাৰ মনোভাৱেৰে আগবাঢ়ি যাবলৈ আয়ুক্ত গৰাকীয়ে আহ্বান জনায়। এইবাৰৰ নগাঁও জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ত কৰ্মৰত, জিলা প্ৰশাসনিক পৰ্য্যবেক্ষক সহায়ক বিপুল চন্দ্ৰ বৰালৈ আগবঢ়োৱা হৈছে অসম চৰকাৰৰ চলিত বৰ্ষৰ "লোকসেৱা বঁটা"। ১৯৯৮ চনত কলিয়াবৰৰ মহকুমাধিপতিৰ কাৰ্যালয়ত চৰকাৰী কৰ্মচাৰী হিচাপে যোগদান কৰি প্ৰায় ২৪ বছৰে সেৱা আগবঢ়োৱা তথা পৰৱৰ্তী ২০২১ চনত নগাঁৱৰ জিলা আয়ুক্ত কাৰ্যালয়লৈ বদলি হৈ অহা বিপুল চন্দ্ৰ বৰাই বিগত প্ৰায় ২৬ বছৰে বিভিন্ন শাখাত নিষ্ঠা আৰু সততাৰে ৰাইজৰ সেৱা আগবঢ়ায় আহিছে আৰু জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্ম ব্যস্ততাৰ মাজতো সমাজৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত হৈ আহিছে। জিলা খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উপ পৰিদৰ্শক পলাসী বৰাই সুন্দৰ উপস্থাপনেৰে আঁতধৰা উক্ত অনুষ্ঠানটিত বঁটাপ্ৰাপক বিপুল চন্দ্ৰ বৰাৰ পিতৃ তথা অৱসৰ প্ৰাপ্ত ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত কৃতি শিক্ষক কমলা কান্ত বৰাই সাৱলীল বক্তব্য আগবঢ়াই। আজিৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নগাঁও পৌৰসভাৰ সভানেত্ৰী অম্বিকা মজুমদাৰ, নগাঁও পৌৰসভাৰ উপ সভাপতি সীমান্ত বৰা, অতিৰিক্ত আয়ুক্ত সকল, সহকাৰী আয়ুক্তসকল, জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, গণ্যমান্য ব্যক্তিসকলকে প্ৰমুখ্য কৰি জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে বঁটাপ্ৰাপ্ত বিপুল চন্দ্ৰ বৰাদেৱৰ পৰিয়ালবৰ্গ উপস্থিত থাকে।

# সত্ৰকণৰাৰ এটি পৰিয়াললৈ সম্প্ৰতি নামি আহিছে অন্ধকাৰ

## মুখ্যমন্ত্ৰীলৈ সহায় ভিক্ষা পৰিয়ালৰ

**অসম বাৰ্তা, বাঘবৰ, ৬ আগষ্ট ঃ** বৰপেটা জিলাৰ পূৰ্বৰ বাঘবৰ সমষ্টি তথা বৰ্তমানৰ নৱগঠিত মন্দিয়া সমষ্টিৰ সত্ৰকণৰাৰ এটি অসহায় পৰিয়াললৈ সম্প্ৰতি নামি আহিছে অন্ধকাৰ। মন্দিয়া চাচৰা গাঁওখনৰ সামেজ উদ্দিনৰ পুত্ৰ ৰবিদুল ইছলামৰ (২৩) বছৰীয়া এগৰাকী যুৱকজন হাউলি স্থিত এটা গেৰেজত কৰ্মৰত আছিল যুৱ জন। উক্ত গেৰেজৰ মালিকে যুৱক জনক পাঠশালাত এখন বাছ মেৰামতি কৰিবলৈ গৈছিল দুজন যুৱকে। উল্লেখযোগ্য হঠাৎ বাছ মেৰামতি কৰা অৱস্থাত জেক পিছলি আকস্মিক দুৰ্ঘটনা সংঘটিত হৈ যুৱক জনৰ ৰাজহাড় ভাঙি যায়। বিছনাত শয্যাগত জনক সম্প্ৰতি প্ৰয়োজন হৈছে জটিল অস্ত্ৰোপ্ৰচাৰৰ। কিন্তু দৰিদ্ৰ পৰিয়ালটিয়ে অৰ্থৰ অভাৱত যুৱক জনৰ উন্নত চিকিৎসা কৰিবলৈ অপাৰগ হৈ পৰিছে। সেয়ে এতিয়া ভুক্তভোগী দুৰ্ভুগীয়া পৰিয়ালটিৰ লগতে ৰুগীয়া যুৱক জনে বিচাৰিছে মুখ্যমন্ত্ৰী তথা সু-হৃদ জনৰ সহায় ভিক্ষা। যুৱক জনক কোনো হৃদয়ৱানে সহায় কৰিব বিচাৰিলে যুৱক জনৰ পৰিয়ালৰ ভাৰতীয় ষ্টেট বেংকৰ একাউণ্ট নম্বৰ ৩৪৪০৬৫৩৪৮৮২ আই এফ এছ চি কো'ড এছ বি আই এন ০ এল ০০০৯১৫০ নম্বৰত সহায় কৰিবলৈ কাতৰ আহ্বান জনাইছে পৰিয়ালৰ লোকে।

## নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগ

# পদ্মশ্ৰী, সাহিত্যাচাৰ্য মহিম বৰাৰ স্মৃতি দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ৬ আগষ্ট ঃ** নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগত আৰু ৰামানুজন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনৰ সভাগৃহত সাহিত্যাচাৰ্য, পদ্মশ্ৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহিম বৰাৰ স্মৃতিদিৱস উদ্‌যাপন কৰা হয়। অনুপমা শৰ্মা বৰুৱাই বন্তি প্ৰজ্বলনৰে স্মৃতিদিৱসৰ শুভাৰম্ভ কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে কবি দ্বীজেন্দ্ৰ নাথ হাজৰিকাই। নগাঁও জিলা সাহিত্য সন্মিলনীৰ সভাপতি ঋষেশ্বৰ ঠেঙাল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভা উদ্বোধন কৰে ৰামানুজন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ দিলীপ বৰাই। সভাত মহিম বৰাৰ গল্প সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰি বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে মহিম বৰাৰ গল্পৰ বিষয়ে আলোকপাত কৰি কয় যে মহিম বৰা মুলত আছিল গল্পকাৰ আৰু কবি। কাকতিয়ে মহিম বৰাৰ কাঠনীবাৰীঘাট, মাছ, মানুহ আদি ৰচনাশৈলীৰ বিষয়ে আলোকপাত কৰি কয় যে তেওঁৰ গল্পত মানৱতাবাদ আৰু শিপাৰ সন্ধানৰ উমান পোৱা যায়। মহিম বৰা এই শতিকাৰ এগৰাকী শ্ৰেষ্ঠ সাহিত্য কাণ্ডাৰী। কাকতিয়ে উল্লেখ কৰে যে মহিম বৰাৰ কাঠনীবাৰীঘাটে মানুহৰ অন্তৰ চুই যায়। নগাঁও জিলা সাহিত্য সন্মিলনীৰ সম্পাদিকা নিজৰা শইকীয়াই আতধৰা সভাত মহিম বৰাৰ কবিতা সন্দৰ্ভত ভাষণ প্ৰদান কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপিকা ডঃ চাহিন জাফৰিয়ে কয় যে মহিম বৰাৰ কবিতাত লোক জীৱনৰ কথা পোৱা যায়। তেওঁৰ সৃষ্টিৰাজি সহজ আৰু সৰল। মহিম বৰাৰ কবিতাৰ আৰত একো একোটা কাহিনী আছে বুলি ডঃ জাফৰিয়ে উল্লেখ কৰি কয় মহিম বৰাৰ কবিতাই নতুনৰ সন্ধান দিয়ে। মহিম বৰা সামাজিক - ৰাজনৈতিক ভাৱে সচেতন ব্যক্তি বুলি ডঃ জাফৰিয়ে মন্তব্য কৰে। সভাত নগাঁও জিলা সাহিত্য সন্মিলনীৰ মাহেকীয়া বাৰ্তালোচনী মাহিলী উন্মোচন কৰে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা ডঃ অমিয়া পাটৰে। সভাত সাংবাদিক কনক হাজৰিকা, কবি অশোকৰাম ভট্টাচাৰ্য্য, ৰঞ্জিত মহন্ত, গুণকান্ত শৰ্মা, ৰাম চন্দ্ৰ গোস্বামী, অজিতা ভট্টাচাৰ্য্য, ত্ৰিবেণী শৰ্মা বৰুৱা, ডঃ টুলুমণি দেৱী, হৰিদেৱ মহন্ত, মালা শইকীয়া জুলি বৰা, অনিমা বৰা, লক্ষিমী মহন্ত, মুন্নী কাকতি, স্বপ্না দেৱী, কবিতা বৰা, অৰূপ গোস্বামী, প্ৰণিতা মহন্ত আদি ভালেকেইজ বিশিষ্ট ব্যক্তি আৰু বিদ্যালয়খনৰ ছাত্ৰ - ছাত্ৰী সকল উপস্থিত থাকে।

## বৰপেটা প্ৰেছ ক্লাবত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন

# বিশিষ্ট সংগীতজ্ঞ, প্ৰখ্যাত বেহেলা বাদক, শাস্ত্ৰীয় সংগীত বিশাৰদ শিৰোমণি বঁটা প্ৰাপক সত্যকৃষ্ণ মিশ্ৰৰ দেহাৱসান

**অসম বাৰ্তা, বৰপেটা সদৰ, ৬ আগষ্ট ঃ** ৮ ৰাজ্যৰ এগৰাকী বিশিষ্ট সংগীতজ্ঞ, বিশিষ্ট শিক্ষাবিদ, সুদক্ষ খেলুৱৈ, শতায়ুৰ দুৱাৰ ডলিত ভৰি দিয়া, শিল্পী পেন্সনাৰ, বৰপেটা বিদ্যাপীঠৰ প্ৰথম গৰাকী অৱসৰী অধ্যক্ষ, প্ৰখ্যাত বেহেলা বাদক, শাস্ত্ৰীয় সংগীত বিশাৰদ, অভিনেতা, সত্যকৃষ্ণ মিশ্ৰৰ বৰপেটা চহৰৰ গলিয়াহাটীৰ নিজ বাসভৱনত আজি পুৱা ৮- ৪৬ বজাত বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৯ বছৰ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সহপাঠী বন্ধু ৰাম ৰাম গুৰুৰ বংশধৰ পণ্ডিতপ্ৰৱৰ স্বৰ্গীয় নাৰায়ণ দেৱমিশ্ৰ আৰু স্বৰ্গীয়া হেমপ্ৰভা দেৱীৰ সুযোগ্য সন্তান, সংগীত সাধক সত্যকৃষ্ণ মিশ্ৰৰ জন্ম হৈছিল ১৯২৬ চনৰ ১৪ ছেপ্টেম্বৰত বৰপেটাৰ গলিয়াহাটীত। তেখেতে ১৯৪৬ চনত বৰপেটা বিদ্যাপীঠ উচ্চ মাধ্যমিক (বৰ্তমান উচ্চতৰ মাধ্যমিক) বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত দক্ষতাৰে উত্তীৰ্ণ হৈ ১৯৪৮ চনত ইণ্টাৰমিডিয়েট পৰীক্ষা আৰু ১৯৫০ চনত কটন কলেজৰ পৰা দৰ্শন বিষয়ত সন্মানসহ বি.এ. ডিগ্ৰী লৈছিল। তাৰ পিছত বি. টি. ডিগ্ৰীও লয়। ককায়েক স্বৰ্গীয় গংগাধৰ মিশ্ৰৰ তত্বাৱধানত ১৯৩৪ চনৰ পৰা সংগীত শিক্ষা আৰম্ভ কৰা সত্যকৃষ্ণ মিশ্ৰই ১৯৩৫ চনত বিষ্ণুৰাভাৰ সান্নিধ্যত তেজপুৰত সংগীত পৰিৱেশন কৰিছিল। ১৯৪৪ চনৰ পৰা ১৯৪৬ চনলৈ বৰপেটা কলা সংঘৰ দ্বাৰা অনুষ্ঠিত হোৱা সংগীত প্ৰতিযোগিতাত সত্যকৃষ্ণ মিশ্ৰই সংগীতত কেবাটাও বঁটা লাভ কৰিছিল। ভাতখণ্ডেৰ পাঠ্যক্ৰমৰ পৰা সংগীতৰ বিভিন্ন ৰাগসমূহৰ জ্ঞান আহৰণ কৰা মিশ্ৰই ১৯৪৬ চনৰ পৰা কটন কলেজত অনুষ্ঠিত হোৱা সংগীত সমাৰোহত বেহেলা বজাই তেখেতৰ পাৰদৰ্শিতা দেখুৱায়। সৰুৰে পৰাই তেওঁ কণ্ঠসংগীত আৰু তবলাৰ চৰ্চা কৰিছিল। মিশ্ৰ এগৰাকী সুদক্ষ অভিনেতাও আছিল। প্ৰভাত গোস্বামীৰ 'পৰিণাম' নাটকৰ যাদৱ চৰিত্ৰ, 'শকুনিৰ প্ৰতিশোধ' নাটকৰ শ্ৰীকৃষ্ণৰ চৰিত্ৰ, কিৰণ দাসৰ 'পুষ্পলতা'ত পুষ্পৰ চৰিত্ৰ আৰু অতুল চন্দ্ৰ হাজৰিকাৰ 'শিৱাজী' নাটকত 'ৰামদাস'ৰ চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ প্ৰশংসা বুটলি আনিছিল। সংগীত বিদ্যাত পাৰদৰ্শী মিশ্ৰ সুদক্ষ ফুটবল, ভলীবল আৰু সাঁতোৰবিদ হিচাপেও পৰিচিত। তেওঁ ১৯৫৬ চনত বৰপেটা বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে কামত যোগদান কৰি ১৯৮৮ চনত অধ্যক্ষ হিচাপে অৱসৰ লয়। মিশ্ৰই ভাৰতীয় জনতা পাৰ্টী বৰপেটা জিলাৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ১৯৮৮ চনৰ পৰা ১৯৯৭ চনলৈ দহ বছৰ কাল একেৰাহে সভাপতি হোৱাৰ উপৰিও ১৯৯০ চনৰ পৰা একেৰাহে ন বছৰ বৰপেটা শংকৰদেৱ শিশু নিকেতন পৰিচালনা সমিতিৰ সভাপতি আছিল। বৰপেটাৰ অন্যতম সংগীতানুষ্ঠান 'জয়কৃষ্ণ সংগীত মহাবিদ্যালয়' পৰিচালনা সমিতিৰ সভাপতিও আছিল মিশ্ৰ। মিশ্ৰই মিয়মিতভাৱে সংগীত চৰ্চা কৰি অসমৰ বিভিন্ন ঠাইত বেহেলা আৰু সৰোদ বজাই শ্ৰোতাক মুগ্ধ কৰি কৰিছিল শাস্ত্ৰীয় সংগীতৰ কাণ্ডাৰী সত্যকৃষ্ণ মিশ্ৰক ২০০৫ চনত অসম চৰকাৰে শিল্পী পেন্সনাৰ হিচাপে সন্মানিত কৰে। শান্ত সৌম্য, মৃদুভাষী গুণৰ অধিকাৰী মিশ্ৰ বৰপেটা ৰত্ন বঁটা, সংগীত সূৰ্য বঁটা, বৰপেটা শিৰোমণি বঁটা, সংগীত ভগীৰথ বঁটা, তাঁতীকুছি বঁটা, হাউলী বঁটা আদিৰ উপৰিও শতাধিক অনুষ্ঠান -প্ৰতিষ্ঠানৰ দ্বাৰা সম্বৰ্ধনাৰে সম্বৰ্ধিত যশস্বী শিল্পী। বৰপেটা সাহিত্য সভাৰ সদস্য, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰবীন কাৰ্যকৰ্তা মিশ্ৰই কটন কলেজত পঢ়ি থাকোঁতে বিশিষ্ট সংগীত পৰিচালক ব্ৰজেন বৰুৱাৰ লগত অৰকেষ্টা নামেৰে সংগীতৰ দল গঠন কৰি সুৰ সমলয়ৰে দৰ্শকৰ মন মুগ্ধ কৰিছিল। মিশ্ৰ বৰপেটা গ্ৰন্থমেলা সমিতি আৰু সদৌ বৰপেটা ৰঙালী বিহু উদযাপন সমিতিৰ মুখ্য উপদেষ্টা আছিল। বাৰ্ধক্যজনিত কাৰণত বিগত ডেৰমাহ তেওঁ গুৱাহাটীস্থ পুত্ৰৰ বাসগৃহত অসুস্থ হৈ থকাৰ পাছত যোৱা ৩১ জুলাইত মিশ্ৰক বৰপেটাৰ বাসগৃহলৈ অনা হয় আৰু আজি পুৱা ৮ - ৪৬ বজাত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ পৰলোক হোৱাৰ বাতৰি পোৱাৰ লগে লগে অসংখ্য গুণমুগ্ধৰে বাসগৃহত শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে গুনমুগ্ধই ভিৰ কৰে। আজি দুপৰীয়া তেওঁৰ নশ্বৰদেহ এখন সুসজ্জিত স্বৰ্গৰথত তুলি একাদিক্ৰমে শংকৰদেৱ শিশু- বিদ্যা নিকেতন, জুৰোৱাম পাঠক ছোৱালী হাইস্কুল আৰু বৰপেটা বিদ্যাপীঠলৈ নিয়া হয়। তাত ছাত্ৰ-ছাত্ৰী, শিক্ষক - শিক্ষয়িত্ৰী সকলে শেষ শ্ৰদ্ধা জনোৱাৰ পিছত ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে বৰপেটা প্ৰেছ ক্লাব চৌহদলৈ অনা হয়। বৰপেটা প্ৰেছ ক্লাবৰ সভাপতি মহানন্দ পাঠকে আঁত ধৰা ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বৰপেটা প্ৰেছ ক্লাব, বৰপেটা সাহিত্য সভা, বৰপেটা গ্ৰন্থমেলা সমিতি, সদৌ বৰপেটা ৰঙালী বিহু উদযাপন সমিতি, বৰপেটা লেখিকা সমাৰোহ সমিতি, মথুৰাপুৰী শাখা সাহিত্য সভা, অসম কবি সন্মিলন, বৰপেটা জিলা মহিলা সমিতি, শংকৰদেৱ কলা ক্ষেত্ৰ বৰপেটা, সদৌ অসম. উকীল সন্থা, ৰাইজিং ক্লাব, অসম কেশৰী অম্বিকাগিৰী স্মৃতিৰক্ষা সমিতি, ৰংঘৰ বৰপেটা, অগপ বৰপেটা জিলা সমিতি, অসম জাতীয় মহাসভা, বৰপেটা শিৰোমণি বঁটা প্ৰদান সমিতি, পুৰুযোত্তম দাস স্মৃতিৰক্ষা সমিতি গুৱাহাটী, বৰপেটা উকীল সন্থা, ক্লাব ৰাইনো, জয়কৃষ্ণ সংগীত বিদ্যালয়, এম চি কলেজ ছাত্ৰ একতা সভা, মিলিত যুৱক সংঘ আৰু পুথিভঁড়াল, সেৱা ভাৰতী বৰপেটা, শ্ৰীশ্ৰীশংকৰদেৱ থান পাটবাউসী সত্ৰ, বৰপেটা জিলা বেডমিণ্টন সন্থা, ভাতকুছি আতাৰ থান, চুণপোৰা ভিঠি থান, বৰপেটা আঞ্চলিক ছাত্ৰ সন্থা, অসম উন্নতি সভাকে ধৰি অৰ্ধশতাধিক অনুষ্ঠান - প্ৰতিষ্ঠানৰ উপৰিও বৰপেটাৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, বৰপেটা পৌৰসভাৰ পৌৰপতি চবিলাল দাস, বৰপেটা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অনিল কুমাৰ দাস, সদৌ অসম উকীল সন্থাৰ সাধাৰণ সম্পাদক দীপক কুমাৰ দাস, অসম কবি সন্মিলনৰ সভাপতি দীনেশ চন্দ্ৰ দাস, বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰ আদি ব্যক্তি বিশেষেও ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মিশ্ৰলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। অসম চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসেও বৰপেটা বিদ্যাপীঠত গৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। মিশ্ৰৰ মৃত্যুত ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস, অৱসৰী প্ৰশাসনিক বিষয়া থানেশ্বৰ মালাকাৰ, খিলঞ্জীয়া সুৰক্ষা বাহিনী আদিয়ে শোক প্ৰকাশ কৰিছে। ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ পাছত মিশ্ৰৰ নশ্বৰদেহ বৰপেটা জিলা বি জে পিৰ কাৰ্যালয়লৈ নিয়া হয়। তাত জিলা সভাপতি মহেন্দ্ৰ দাস সম্পাদকদ্বয় হেমন্ত কুমাৰ দেউৰী আৰু কপিল ভূঞা প্ৰমুখ্যে দলৰ কাৰ্যকৰ্তা সকলে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছতে বৰপেটাৰ নখান্দা নদীৰ পাৰৰ শশ্মানঘাটত অসংখ্য গুণমুগ্ধৰ উপস্থিতিত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ বিশিষ্ট শিশু সাহিত্যিক পত্নী নিৰুপমা মিশ্ৰৰ উপৰিও পুত্ৰদ্বয় সংগীত শিল্পী বিদ্যুৎ কুমাৰ মিশ্ৰ, প্ৰদ্যুৎ মিশ্ৰ আৰু জীয়াৰী কৃষ্ণা কুমাৰী মিশ্ৰক এৰি থৈ য়ায়। মিশ্ৰৰ বিয়েগত বৰপেটাত শোকৰ ছাঁ পৰিছে। বিশিষ্ট সঙ্গীতজ্ঞ সত্যকৃষ্ণ মিশ্ৰৰ মৃত্যুত খিলঞ্জীয়া সুৰক্ষা বাহিনী, অসমৰ অধ্যক্ষ গোবিন্দ গায়ন, সচিব প্ৰধান কৃষ্ণকান্ত দাস আৰু প্ৰচাৰ সচিব যুগান্ত বায়নে গভীৰ শোক প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ সভাপতি প্ৰদীপ দাস, অসম সেনাৰ প্ৰাক্তন উপ মুখ্য আহ্বায়ক হেমন্ত কুমাৰ দেউৰী, আছুৰ প্ৰাক্তন সতীৰ্থ সন্মিলনৰ বৰপেটা জিলা সমিতিৰ সভাপতি দীপক কুমাৰ দাস, কাৰ্যকৰী সভাপতি ধনজিৎ পাঠক, নকুল তালুকদাৰ, ডম্বৰুধৰ নাথ, খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমৰ বৰপেটা জিলা সমিতিৰ অধ্যক্ষ সত্যেন্দ্ৰনাথ দাস, সচিব প্ৰধান লুইত প্ৰবাল দাস, নগৰ সমিতিৰ উপাধ্যক্ষ পুৰুযোত্তম দাস, সচিব প্ৰধান বিদ্যুৎ দাসৰ লগতে বৰপেটা মহকুমা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি কুমাৰ দীপক দাসে গভীৰ শোক প্ৰকাশ কৰে।

# ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত 'লোক কল্যাণ দিৱস-২০২৫' উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ আগষ্ট ঃ** অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী [illegible] ৭৫ সংখ্যক পুণ্যতিথি উপলক্ষে সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড় জিলাতো ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত "লোককল্যাণ দিৱস" ডিব্ৰুগড় জিলা গ্ৰাম্য উন্নয়ন অভিকৰণৰ জাগৃতি প্ৰেক্ষাগৃহত উদ্‌যাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ শক্তি, দক্ষতা বিকাশ, নিয়োগ, উদ্যমিতা, স্বাস্থ্য শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন। "লোককল্যাণ দিৱস"ৰ কাৰ্যসূচীৰ আৰম্ভণিতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে পুষ্পাঞ্জলী অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ অৱদান শ্ৰদ্ধাৰে স্মৰণ কৰি তেখেতৰ আদৰ্শ আৰু চিন্তাধাৰা বৰ্তমানৰ সমাজ জীৱনৰ বাবে প্ৰেৰণাদায়ক বুলি উল্লেখ কৰাৰ লগতে ৰাজ্যখনৰ প্ৰতিগৰাকী ব্যক্তি তথা নৱপ্ৰজন্মৰ বাবে অনুকৰণীয় বুলি মন্তব্য আগবঢ়ায়। তেখেতে অসম চৰকাৰে কৰ্মদক্ষ, নিষ্ঠাবান তথা সৎ বিষয়া- কৰ্মচাৰীসকলক লোকসেৱাৰ পুৰস্কাৰেৰে পুৰস্কৃত কৰাৰ এই পদক্ষেপে অন্যান্য কৰ্মচাৰীসকলকো নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰাত যথেষ্ট উৎসাহিত কৰিব বুলি ভাষণত উল্লেখ কৰে। প্ৰতিগৰাকী চৰকাৰী কৰ্মচাৰীকে নতুনত্বক আদৰি পৰিৱৰ্তীত কৰ্মসংস্কৃতিৰ সৈতে নিজকে খাপ খুৱাই সততা আৰু নিষ্ঠাসহকাৰে ৰাইজৰ সেৱাত ব্ৰতী হবলৈয়ো মন্ত্ৰী গৰাকীয়ে আহ্বান জনায়। অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱাই উদ্দেশ্য ব্যাখ্যা তথা আদৰণি ভাষণ আগবঢ়োৱা "লোককল্যাণ দিৱস"ৰ কাৰ্য্যসূচীত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° কেশৱানন্দ হালৈ। তেখেতে লোকপ্ৰিয় গোপীনাথ বৰদলৈ ভাৰতৰ স্বাধীনতা আন্দোলনত আগবঢ়োৱা অৱদান বিতংকৈ উল্লেখ কৰাৰ লগতে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৰাজনৈতিক বিচক্ষণতাৰ ওপৰতো আলোকপাত কৰে। তেওঁ প্ৰশাসন যন্ত্ৰৰ লগতে প্ৰতিটো বিভাগ তথা কৰ্মস্থলীত কিদৰে পৰিৱৰ্তনৰ সূচনা হৈছে সেই বিষয়েও আলোকপাত কৰে। ডিব্ৰুগড় জিলা সাংস্কৃতিক উন্নয়ন বিষয়া সুদৰ্শন বৰাই আঁত ধৰা সভাত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাস, নিৰ্বাচনী বিষয়া প্ৰাঞ্জীল গগৈ, সহকাৰী আয়ুক্ত জুৰি দলে প্ৰমুখ্যে বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়া তথা কৰ্মচাৰীসকল আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## উৰিয়ামঘাটৰ ৰেঙমা জলসিঞ্চন আঁচনি পৰ্যবেক্ষণ অশোক সিংহলৰ

# গোলাঘাট জিলাৰ পাঁচখন চিকিৎসালয় পৰিদৰ্শন স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰীৰ

## বোকাখাট শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত উদ্বোধন ডায়েলাইছিছ ইউনিটৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৬ আগষ্ট ঃ** অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহলে আজি গোলাঘাট জিলা ভ্ৰমণ কৰে। মন্ত্ৰী গৰাকীয়ে পুৱা বোকাখাটৰ শ্বহীদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়ত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ কাৰ্যক্ৰমৰ অধীনত চাৰিখন বিছনাযুক্ত ডায়েলাইছিছ ইউনিটৰ শুভাৰম্ভ কৰে। মন্ত্ৰী মহোদয়ে ইয়াৰ পাছতেই চিকিৎসালয় খনৰ পঞ্জীয়ন কক্ষ, ফাৰ্মাচী, পৰীক্ষাগাৰৰ নমুনা সংগ্ৰহ, অ পি ডি, প্ৰসুতিগৃহ আদি পৰিদৰ্শন কৰাৰ লগতে আন্তঃ বিভাগত ভৰ্তি হৈ থকা ৰোগীৰ স্বাস্থ্যৰ বুজ লৈ এখন সভাত অংশগ্ৰহণ কৰি কয় যে এই চিকিৎসালয়খনে বোকাখাত সম জিলাকে ধৰি ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ প্ৰায় ২.৫ লাখ জনসাধাৰণক চিকিৎসা সেৱা প্ৰদানেৰে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। কিডনী ৰোগী সকলৰ সৈতে জড়িত যি ডায়েলাইছিচ সেৱা আজি আমি শুভাৰম্ভ কৰিলো, এই সেৱাই অঞ্চলবাসীক বিপুলভাৱে উপকৃত কৰি স্বাস্থ্যখণ্ডক নতুন মাত্ৰা প্ৰদান কৰিব। তদুপৰি বোকাখাতৰ দৰে এটি বৃহত্তৰ অঞ্চলৰ বৃক্কৰ সমস্যাত আক্ৰান্ত ৰোগীসকলক এই কেন্দ্ৰটিয়ে বিশেষভাৱে উপকৃত কৰিব বুলি মোৰ দৃঢ়বিশ্বাস। সভাৰ অন্তত অসম চৰকাৰৰ কৃষি আৰু আবকাৰী বিভাগৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক অতুল বৰাৰ উপস্থিতিত মন্ত্ৰীগৰাকীয়ে এখন বৈঠকত মিলিত হৈ চিকিৎসালয় খনৰ বিভিন্ন ব্যৱস্থাৱলী সম্পৰ্কে বুজ লয়। এই বৈঠকত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ সঞ্চালক ডাঃ লক্ষ্মণন এছ, স্বাস্থ্য সঞ্চালক কমলজিত তালুকদাৰ, জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ বডিলাল দেউৰী উপস্থিত থাকে। উল্লেখযোগ্য যে, আহি পুৱাৰ ভাগত মন্ত্ৰী অশোক সিংহলে কহৰাস্থিত শ্বহীদ বিজু বৈষ্ণৱ আদৰ্শ চিকিৎসালয় পৰিদৰ্শন কৰিছিল। ইয়াৰ পিছতেই মন্ত্ৰী অশোক সিংহলে খুমটাই আদৰ্শ চিকিৎসালয় পৰিদৰ্শন কৰে। এই পৰিদৰ্শনৰ সময়ত খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া, জিলা আয়ুক্ত পুলক মহন্ত, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ সঞ্চালক ডাঃ লক্ষ্মণন এছ আদিকে ধৰি বহুকেইজন শীৰ্ষ স্বাস্থ্য বিষয়া উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে আজি বিয়লি গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়-খনো পৰিদৰ্শন কৰে। চিকিৎসালয়খন পৰিদৰ্শনৰ পাছত মন্ত্ৰীগৰাকী এক বৈঠকত মিলিত হয় আৰু এই বৈঠকত গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ দিলীপ ডেকাই চিকিৎসালয়খনৰ কেইবাটাও সমস্যাৰ কথা মন্ত্ৰীগৰাকীক অৱগত কৰে। উল্লেখ্য যে, জিলা চিকিৎসালয়খন পৰিদৰ্শনৰ সময়ত অসম চৰকাৰৰ বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ সঞ্চালক ডাঃ লক্ষ্মণন এছ, স্বাস্থ্য সঞ্চালক কমলজিত তালুকদাৰ, জিলা আয়ুক্ত পুলক মহন্ত, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ বডিলাল দেউৰী উপস্থিত থাকে। ইয়াৰ পাছতেই মন্ত্ৰী জনে অসম নাগালেণ্ড সীমান্ত অঞ্চলৰ উৰিয়ামঘাটৰ ৰেংমা জলসিঞ্চন আঁচনি পৰিদৰ্শন কৰে। এই জলসিঞ্চন আঁচনিৰ বান্ধ সমূহৰ সুৰক্ষা ব্যৱস্থা, বিভিন্ন সমস্যা সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। মন্ত্ৰী জনে ৰেংমা জলসিঞ্চন আঁচনিৰ অধীনত অহা ১৫ আগষ্টৰ দিনাৰ পৰা কৃষকক কেনেলৰ জৰিয়তে খেতি পথাৰত পানী প্ৰদান কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ প্ৰদান কৰে। উল্লেখযোগ্য যে মন্ত্ৰী অশোক সিংহলে সন্ধিয়া সৰুপথাৰ সম জিলা অসামৰিক চিকিৎসালয়খন পৰিদৰ্শন কৰে আৰু চিকিৎসক তথা চিকিৎসক কৰ্মী সকলৰ লগত আলোচনাত সন্মিলিত হৈ চিকিৎসা সেৱাৰ সুবিধা সমূহক উন্নতিৰ দিশত আগবঢ়াই নিবলৈ সকলোকে প্ৰচেষ্টা লবলৈ আহ্বান জনাই। আজিৰ এই অনুষ্ঠানত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ সঞ্চালক ডাঃ লক্ষ্মণন এছ আদিকে ধৰি প্ৰমুখ্যে গণ্য মান্য ব্যক্তি সকল উপস্থিত থাকে।

# হাঁহচৰাত ড্ৰাগছ সহ দুজন সৰবৰাহ-কাৰীক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, মৈৰাবাৰী, ৬ আগষ্টঃ** ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে মৰিগাঁও জিলা আৰক্ষীয়ে। জিলা খনৰ ভেলোগুৰি আৰক্ষী থানাৰ অন্তৰ্গত হাঁহচৰাত জিলা আৰক্ষীৰ চোৰাংচোৱাই আৰক্ষীৰ সহযোগত চলোৱা বিশেষ অভিযানত দুজন ড্ৰাগছ বেপাৰীক আটক কৰিবলৈ সক্ষম হয় আৰক্ষী। আটক হোৱা দুজন ড্ৰাগছ সৰবৰাহকাৰী হৈছে শ্বব্দুল ৰহমান আৰু আবু বক্কৰ চিদ্দিক। অভিযুক্ত দুজনৰ পৰা আৰক্ষীয়ে ৩টা ড্ৰাগছ ভৰ্তি চাবোনৰ বাকচ উদ্ধাৰ কৰে। লগতে দুখন মটৰ চাইকেল আৰু দুটা মোবাইল ফোন জব্দ কৰে অভিযানকাৰী দলটোৱে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, ধৃত দুইজন ড্ৰাগছ সৰবৰাহকাৰীৰ সৈতে বৃহৎ জালৰ সম্পৰ্ক থকা সন্দেহ কৰা হৈছে। সেই সন্দৰ্ভত অধিক তথ্য সংগ্ৰহৰ বাবে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। আৰক্ষীয়ে জনাইছে যে, অঞ্চলটোত ড্ৰাগছ বিৰোধী অভিযান আৰু কঠোৰ পদক্ষেপ আগন্তুক দিনতো চলি থাকিব। স্থানীয় ৰাইজেও আৰক্ষীৰ এই পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰা পৰিলক্ষিত হৈছে।

### গ' বেক ধ্বনিৰে উত্তাল অভয়াপুৰী মহাবিদ্যালয়ৰ চৌহদ

# ছাত্ৰ-ছাত্ৰীক কলম বিতৰণ কৰিবলৈ গৈ বাধাৰ সন্মুখীন এন এছ ইউ আই কৰ্মী

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ৬ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক আজি কংগ্ৰেছ দলৰ ছাত্ৰ সংগঠন এন এছ ইউ আইৰ বঙাইগাঁও জিলা গোটৰ কৰ্মকৰ্তাসকলে কলম বিলাবলৈ যোৱাৰ সময়তে মহাবিদ্যালয় ছাত্ৰ একতাৰ কৰ্মীসকলে বাধা প্ৰদান কৰি এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰে ।ছাত্ৰ একতা সভাই এন এছ ইউ আই 'গ' বেক, বিধায়ক প্ৰদীপ সৰকাৰৰ দাদাগিৰি নচলিব, আব্দুল বাতিন খণ্ডকাৰ মুৰ্দাবাদ, ইয়াত ৰাজনীতি নচলিব আদি শ্লোগান দি এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰি মহাবিদ্যালয় চৌহদত এন এছ ইউ আইৰ কৰ্মীসকলক কলেজ চৌহদত প্ৰৱেশ কৰিবলৈ বাধা প্ৰদান কৰে। ছাত্ৰ একতা সভাই জানিবলৈ দিয়া মতে একতা সভাই মহাবিদ্যাখনৰ উন্নয়ণৰ বাবে বিধায়ক প্ৰদীপ সৰকাৰ সহযোগিতা বিচৰাত বিধায়ক সৰকাৰে এনেবোৰ কাম তেওঁৰ নহয় বুলি উল্লেখ কৰি ইয়াৰ বাবে মহাবিদ্যালয় পৰিচালনা সমিতি আছে বুলিনকৈ সহযোগিতা কৰাৰ পৰা বিৰত আছিল। এনে ক্ষেত্ৰত আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটৰ স্বাৰ্থতে কলম বিলাবলৈ অহা বুলি মন্তব্য কৰি ক্ষোভিত হৈ পৰে ছাত্ৰ একতা সভা। আনপিনে এন এছ ইউ আইৰ কৰ্মীৰ মতে প্ৰাক্তন মন্ত্ৰী প্ৰয়াত চন্দন কুমাৰ সৰকাৰৰ মহাবিদ্যালয়খনৰ উন্নয়নত যথেষ্ট অৱদান থকাৰ লগতে প্ৰয়াত সৰকাৰে কেবাখনো মহাবিদ্যালয় স্থাপন কৰি শিক্ষা গ্ৰহণ সহজ কৰি তুলিছিল। দুয়োপক্ষৰ যুক্তিতৰ্কই উত্তপ্ত কৰি তোলে পৰিৱেশ।

# ধনশ্ৰীঘাটত ভাৰতীয় সেনা জোৱান মহেন্দ্ৰ গৌতমৰ পথ দুৰ্ঘটনাত মৃত্যু; সামৰিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন

**অসম বাৰ্তা, মাজবাট, ৬ আগষ্ট ঃ** ৩৯ নং পাচনৈ চেৰফাং পৰিষদীয় সমষ্টিৰ মেৰাবিল ভিচিডিচিৰ গৰৈমাৰী নিৱাসী বিজেপি কিষান মৰ্চাৰ ওডালগুৰি জিলাৰ সভাপতি হোম গৌতমৰ তৃতীয় সন্তান গোৰ্খা ৰেজিমেন্টৰ লাডাখত কৰ্মৰত জোৱান মহেন্দ্ৰ গৌতম (২৬) পথ দুৰ্ঘটনাত মৃত্যু হয়। ঘটনা বিৱৰণী প্ৰকাশ যে ৪ আগষ্ট সোমবাৰে নিশা প্ৰায় ১১ বজাত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ধনশ্ৰীঘাট 'পাকঘৰ ধাবা'ৰ সমীপত ওৰাং দিশৰ পৰা বাইকেৰে ঘৰলৈ গৈ থকা অৱস্থাত একে দিশৰ পৰা আহি থকা মহেন্দ্ৰ ডি আই বাহনে পিছৰ পৰা খুন্দিয়াই দিয়াত বাইক আৰোহী দুজন পথত বাগৰি পৰে। পথচাৰীয়ে ততালিকে যুৱক দুজনক ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰি প্ৰাথমিক চিকিৎসাৰ অন্তত উন্নত চিকিৎসাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰাত চিকিৎসাধীন অৱস্থাতেই আজি ৫ আগষ্ট মঙ্গলবাৰে দিনৰ বাৰ বজাত সেনা জোৱান মহেন্দ্ৰ গৌতমৰ মৃত্যু হয়। মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগেই মৃতকৰ বাসগৃহত অগণন লোকে ভীৰ কৰে । পিতৃ হোম গৌতমে জানিবলৈ দিয়া মতে লাডাখত কৰ্মৰত ভাৰতীয় সেনা জোৱান মহেন্দ্ৰ গৌতম চুটিত ঘৰলৈ আহিছিল। মাজবাট বিধানসভা সমষ্টিৰ বিধায়ক চৰণ বড়ো, পাৰিষদ দীপক মৌৰ, প্ৰাক্তন পাৰিষদ জিতু কিষান, মাজবাট থানাৰ আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ডুৱে, বিজেপিৰ ওডালগুৰি জিলা আৰু পাচনৈ চেৰফাং মণ্ডল বিজেপিৰ কাৰ্যকৰ্তা সকল, গোৰ্খা ছাত্ৰ সন্থাৰ বিষয়ববীয়া সমন্বিতে অগণন লোকৰ উপস্থিতিত নিশা ৭ বজাত সামৰিক মৰ্যাদাৰে গৰৈমাৰী স্মশানত শেষ কৃত্য সম্পন্ন হয় । মৃত্যুৰ সময়ত মহেন্দ্ৰই পিতৃ-মাতৃ, ককায়েকক এৰি থৈ যায়। আনজন আহত যুৱক চিকিৎসাধীন হৈ আছে বুলি জানিবলৈ পাৰিছোঁ।

### ভালকৈ স্বাস্থ্য পৰীক্ষা কৰিলেহে গম পোৱা যায় আমাৰ শৰীৰৰ ভিতৰটো কি হৈ আছে; সময়ে সময়ে স্বাস্থ্য পৰীক্ষা কৰাটো এক জৰুৰী বিষয় ঃ ৰূপক বৈশ্য

# চামতাৰ কুলবিলঘাট ৰাজহুৱা শিৱালয়ত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন

**অসম বাৰ্তা, চামতা, ৬ আগষ্ট ঃ** "বাহিৰে বাহিৰে দেখা সুন্দৰ চেহেৰাটো স্বাস্থ্যবান নহ'বও পাৰে। পৰীক্ষাগাৰত ভালে পৰীক্ষা কৰিলেহে গম পোৱা যায় শৰীৰটোৰ ভিতৰিটো ক'ত কি হৈ আছে। মাজে সময়ে স্বাস্থ্য পৰীক্ষা কৰাটো এক জৰুৰী বিষয়।" এই মন্তব্য কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা প্ৰতিবেদক লাইভৰ সম্পাদক ৰূপক বৈশ্যৰ। চামতাৰ কুলবিলঘাট ৰাজহুৱা শিৱালয়ত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ শুভ উদ্বোধন কৰি দিয়া ভাষণত অধ্যক্ষ বৈশ্যই এই মন্তব্য কৰি লগতে আৰু কয় যে নিৰোগীজনেই প্ৰকৃতাৰ্থত চহকী আৰু নিজকে নিৰোগী কৰি ৰাখিবলৈ হ'লৈ নিয়মিতভাৱে সুষম আহাৰ গ্ৰহণ কৰাৰ উপৰি দৈনিক শাৰীৰিক ব্যায়াম কৰা উচিত। আজি পুৱা ১০ বজাত ফ'ৰ চিজন নিউট্ৰিচন ৱেলনেছ চেণ্টাৰৰ উদ্যোগত; কুলবিলঘাট ৰাজহুৱা শিৱালয় পৰিচালনা সমিতিৰ সহযোগত; চামতাৰ কুলবিলঘাট ৰাজহুৱা শিৱালয়ৰ হৰগৌৰী বিবাহ ভৱনত অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ এটি অনুষ্ঠিত হয়। উল্লেখ্য যে লক্ষ্যধৰ গগৈ আৰু প্ৰিয়ানুজা গোঁহাইৰ নেতৃত্বত এটি আঠজনীয়া দলৰ চেণ্টাৰটোৱে বিগত পাঁচ বছৰ ধৰি ৰাজ্যখনৰ বিভিন্ন স্থানত এনেধৰণৰ স্বাস্থ্যসন্মত সেৱামূলক কামেৰে ৰাইজৰ সেৱা আগবঢ়াই গৈ থকা সময়তে আজি নলবাৰী জিলাৰ চামতাৰ কুলবিলঘাট ৰাজহুৱা শিৱালয়ৰ হৰ-গৌৰী বিবাহ ভৱনত অঞ্চলটোৰ মানৱ সম্পদক নিৰোগী কৰি ৰখাৰ স্বাৰ্থত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰাত অঞ্চলটোৰ লোকে ভূয়সী প্ৰশংসা কৰে। হিন্দু যুৱ ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ উপদেষ্টা সুকুমাৰ কাকতিৰ বিশেষ তৎপৰতাত অনুষ্ঠিত এই শিবিৰত ১৮ বছৰ বয়সৰ ওপৰৰ ৩০ গৰাকী পুৰুষ মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। শিবিৰটোত কুলবিলঘাট ৰাজহুৱা শিৱালয় পৰিচালনা সমিতিৰ সভাপতি বলেন কুমাৰ গোস্বামী, সম্পাদক জয়ন্ত তালুকদাৰ; জ্যেষ্ঠ সাংবাদিক ৰাজেন বৈশ্য, সাংবাদিক তপন কুমাৰ শৰ্মা; সঞ্জয় তালুকদাৰ; দ্বীপজ্যোতি বৰ্মন; পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সম্পাদক অনিমেষ বৰ্মন আদি বাশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

# মাজুলী মহাবিদ্যালয়ৰ 'হেমচন্দ্ৰদেৱ গোস্বামী ভৱন' মেৰামতিৰ বাবে ডঃ পীতাম্বৰদেৱ গোস্বামীৰ অনুদান

**অসম বাৰ্তা, উজনী মাজুলী, ৬ আগষ্ট ঃ** মাজুলী মহাবিদ্যালয়ৰ ষাঠি বছৰ গৰকা ঐতিহ্য-ভৱন মেৰামতিৰ বাবে আউনীআটীয় সত্ৰাধিকাৰ ডঃ পীতাম্বৰদেৱ গোস্বামীয়ে আগবঢ়ালে পঞ্চাশ হাজাৰ টকা। ১৯৬২ চনতে প্ৰতিষ্ঠিত মাজুলীৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠানত আজিও জিলিকি আছে দুটাকৈ ঐতিহ্য-ভৱন ক্ৰমে আউনীআটীয় সত্ৰাধিকাৰ ভাগৱত-ভাস্কৰ হেমচন্দ্ৰদেৱ গোস্বামী ভৱন আৰু দক্ষিণপাটীয় সত্ৰাধিকাৰ হৰিদেৱ গোস্বামী ভৱন। দুয়োখন ঐতিহ্যমণ্ডিত ৰাজসত্ৰৰ দুগৰাকী মহানুভৱ সত্ৰাধিকাৰৰ বদান্যতাত ১৯৬৫ চনতে নিৰ্মিত ভৱন দুটিৰ বৰ্তমান সময়ত মেৰামতিৰ প্ৰয়োজন হোৱাত 'আউনীআটীয় সত্ৰাধিকাৰ ভাগৱত-ভাস্কৰ হেমচন্দ্ৰদেৱ গোস্বামী ভৱন'টি মেৰামতিৰ বাবে আজি বৰ্তমানৰ সত্ৰাধিকাৰ, আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য আৰু মাজুলী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডঃ পীতাম্বৰদেৱ গোস্বামীয়ে পঞ্চাশ হাজাৰ টকা আগ বঢ়ায়। আজি অনুষ্ঠিত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাত পৌৰোহিত্য কৰি সত্ৰাধিকাৰগৰাকীয়ে এই কথা ঘোষণা কৰাৰ লগে লগেই মহাবিদ্যালয় অধ্যক্ষ তথা সমিতিৰ সম্পাদক ডঃ দেৱজিৎ শইকীয়া, বিশ্ববিদ্যালয়ৰ মনোনীত সদস্য ডঃ অৰূপ বৰা, শিক্ষক প্ৰতিনিধি অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সম্পাদক তুলসী ৰাজখোৱা, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, অভিভাৱক সদস্য দিগন্ত শইকীয়া, ৰূপালী শইকীয়া, দাতা সদস্য বাসুদেৱ সেন, মহাবিদ্যালয় কৰ্মচাৰী সন্থাৰ সভাপতি পদ্মধৰ বৰুৱা প্ৰমুখ্য সদস্যসকলে সন্তোষ প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই এই সন্দৰ্ভত মত প্ৰকাশ কৰি কয় যে ১৯৬২ চনৰ প্ৰলয়ংকৰী বানৰ মাজতে প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনিৰ প্ৰাৰম্ভকালত গাঁঠিৰ ধনেৰে দুটিকৈ স্থায়ী ভৱন নিৰ্মাণ কৰি দি দুগৰাকী কৃতবিদ্য সত্ৰাধিকাৰ ক্ৰমে হেমচন্দ্ৰদেৱ আউনীআটীয় গোস্বামী আৰু হৰিদেৱ দক্ষিণপাটীয় গোস্বামীয়ে কৰা মহৎতোমহৎ উপকাৰৰ কথা মাজুলীবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে। উল্লেখ্য, দুয়োগৰাকী ধৰ্মাধিকাৰৰ আশীৰ্বাদৰ চিন হিচাপে জিলিকি থকা 'ভাগৱত-ভাস্কৰ হেমচন্দ্ৰদেৱ গোস্বামী ভৱন' আৰু 'হৰিদেৱ গোস্বামী ভৱন' দুটিয়ে আজিও মহাবিদ্যালয়খনৰ এক মাত্ৰা প্ৰদান কৰাৰ লগতে সুকীয়া ঐতিহ্য বহন কৰি আহিছে। পূৰ্বসূৰী সত্ৰাধিকাৰগৰাকীৰ স্মৃতিত নিৰ্মিত ঐতিহ্য-ভৱনটি সুৰক্ষাৰ নিমিত্তে আউনীআটী সত্ৰৰ অধিকাৰ ডঃ পীতাম্বৰদেৱ গোস্বামীয়ে অনুদান আগবঢ়োৱাত মহাবিদ্যালয় পৰিয়ালৰ লগতে মাজুলীৰ বিদ্বৎ সমাজে সন্তোষ প্ৰকাশ কৰিছে।

# যোৰহাটত উপন্যাস পৰ্যালোচনা প্ৰতিযোগিতা; ফলাফল ঘোষণা

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৬ আগষ্ট ঃ** যোৰহাট জিলা লেখিকা সমাৰোহ সমিতিয়ে অনুষ্ঠিত কৰা উপন্যাস পৰ্যালোচনা প্ৰতিযোগিতাত ড° গীতিমণি হাটীমূৰীয়াই প্ৰথম, প্লাৱিতা বৰাই দ্বিতীয়, নীহাৰিকা সোণোৱালে তৃতীয় স্থান অধিকাৰ কৰে। যোৰহাট জিলা লেখিকা সমাৰোহ সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনত স্থানপ্ৰাপ্তসকলক অনুপ্ৰভা দলৈ সোঁৱৰণী বঁটা প্ৰদান কৰিব।

## জিলাখনৰ শৈক্ষিক উৰ্বৰতাৰ এক সজীৱ স্পন্দন হওক পলস ঃ যতীন বৰা

# চিৰাং জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ 'পলস' বাৰ্তালোচনীৰ শুভ উন্মোচন

**অসম বাৰ্তা, বাসুগাঁও, ৬ আগষ্ট ঃ** চিৰাং জিলাৰ শৈক্ষিক ক্ষেত্ৰখন আগুৱাই নিয়াৰ ক্ষেত্ৰত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান চিৰাং ডায়েটৰ উদ্ভাৱনীমূলক পদক্ষেপ সমূহে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজৰ বাবে প্ৰেৰণাৰ উৎস হিচাপে পৰিগণিত হৈছে। এই ধাৰাৰ এক মহৎ উদ্যোগ স্বৰূপে সোমবাৰে এক অনুষ্ঠানৰ জৰিয়তে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত চিৰাং জিলা আয়ুক্ত যতীন বৰাই ছয়মহীয়া এই বাৰ্তালোচনীটোৰ প্ৰথম সংখ্যাটোৰ শুভ উন্মোচন কৰে। "পলস" শব্দটোৱে জিলাখনৰ শৈক্ষিক উৰ্বৰতাৰ এক সজীৱ স্পন্দন বহন কৰিছে বুলি আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে। এই বাৰ্তালোচনীখন জিলা তথা ৰাজ্যিক পৰ্যায়ত এক উদাহৰণ হিচাপে বিবেচিত হ'ব বুলিও তেওঁ লগতে আশা প্ৰকাশ কৰে। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ঢালিগাঁওস্থিত ভাৰতীয় তেল নিগমৰ অধীনস্থ বঙাইগাঁও শোধনাগাৰৰ প্ৰবন্ধক মুচুখা বড়ো, অতিৰিক্ত আয়ুক্ত অৰূপ চৌধুৰী, বিদ্যালয় সমূহৰ পৰিদৰ্শক তথা জিলা শিক্ষা বিষয়া বিজয় বৈষ্ণৱ, চিৰাং ডায়েটৰ অধ্যক্ষ নাছিৰ উদ্দিনৰ উপৰিও কেবাগৰাকী বিশিষ্ট ব্যক্তি। উপস্থিত অতিথিয়ে নিজ বক্তব্যত ডায়েট পৰিয়ালৰ এই বৌদ্ধিক আৰু সৃষ্টিশীল প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে আৰু আগলৈও এনেধৰণৰ উদ্ভাৱনীমূলক কাৰ্য অব্যাহত ৰাখিবলৈ উৎসাহ প্ৰদান কৰে।

# যোগীঘোপা আৰক্ষীৰ জালত পাঁচ গভাইত চোৰ

## কাবাইটাৰী পঞ্চায়তৰ চুৰি সামগ্ৰী উদ্ধাৰ

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৬আগষ্ট ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত কাবাইটাৰী পঞ্চায়ত কাৰ্যালয়ত সংঘটিত চুৰিকাণ্ড সংঘটিত হোৱাৰ পিছতে আৰক্ষীয়ে অভিযান চলাই চুৰি সামগ্ৰীসহ পাঁচজনকৈ গভাইত চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত চোৰকেইজন ক্ৰমে- কাবাইটাৰী তৃতীয় খণ্ড গাঁৱৰ ছলিম উদ্দিন, জাকিৰ হুছেইন, ৰহিম বাদশ্বাহ, চলন্তাপাৰা খুটামাৰী গাঁৱৰ আব্দুৰ ৰাজ্জাক আৰু বৰজানা গাঁৱৰ নবিৰ হুছেইন বুলি আৰক্ষী সূত্ৰে জনা গৈছে। চোৰ কেইটাৰ পৰা এটা কম্পিউটাৰ ছেট, প্ৰিণ্টাৰ মেচিন, চাউণ্ড বক্স, ইনভাৰ্টাৰ আৰু বেটাৰী আদি চুৰি সামগ্ৰী উদ্ধাৰ কৰে আৰক্ষীয়ে। জানিব পৰা মতে, দেওবাৰে নিশা কাবাইটাৰী গাওঁ পঞ্চায়ত কাৰ্যালয়ত এক চুৰিকাণ্ডৰ ঘটনা সংঘটিত হয়। উক্ত চুৰিকাণ্ড ঘটনা সন্দৰ্ভত কালি পুৱাৰে পৰা যোগীঘোপা আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। এক গোপন খবৰৰ ভিত্তিত যোগীঘোপা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীননাথ মিলিৰ নেতৃত্বত উপ পৰিদৰ্শক ছফিকুল হুছেইনে যোগীঘোপা থানাৰ অন্তৰ্গত বিভিন্ন প্ৰান্তত যোৱা নিশা চোৰৰ বিৰুদ্ধে অভিযান চলায় যোগীঘোপাৰ চলন্তাপাৰা, কাবাইটাৰী আৰু বৰজানাত চোৰৰ বিৰুদ্ধে অভিযান চলাই গভাইত চোৰ পাঁচজনক গ্ৰেপ্তাৰ কৰে। কাবাইটাৰী পঞ্চায়ত কাৰ্যালয়ৰ ভিতৰৰ পৰা চুৰি কৰা সামগ্ৰীসমূহ চোৰকেইটাৰ ঘৰৰ পৰা উদ্ধাৰ কৰে আৰক্ষীয়ে। উল্লেখ্য যে, দেওবাৰে নিশা চোৰে কাবাইটাৰী পঞ্চায়ত কাৰ্যালয়ত মূল প্ৰৱেশদ্বাৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰিছিল। চোৰে কাৰ্যালয়ৰ ভিতৰত প্ৰৱেশ কৰি বিভিন্ন সা-সামগ্ৰী চুৰি কৰি লৈ যোৱাৰ লগতে পঞ্চায়তৰ প্ৰয়োজনীয় বহু নথি-পত্ৰ, সা-সামগ্ৰী লণ্ডভণ্ড কৰি থৈ গৈছিল।

# অন্তৰীপ দাস আৰু ৰিমলি দালৈ গুৰুগৰিমা সন্মান

## কটক কালিংগ উৎসৱত নৃত্য বিভাগত অসমৰ শিল্পীৰ সুনাম অৰ্জন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৬ আগষ্ট ঃ** কটক কালিংগ উৎসৱত অসমৰ পৰা যোৱা বহু কেইজন শিল্পীয়ে ৰাজ্যখনলৈ সুনাম অৰ্জন কঢ়িয়াই আনিবলৈ সক্ষম হয়। গুৱাহাটীস্থিত নৃত্য সাধনা সাংস্কৃতিক বিদ্যালয়ৰ প্ৰশিক্ষক গুৰু অন্তৰীপ দাস আৰু ৰিমলি দালৰ তত্ত্বাবধানত যোৱা ১২ জুলাই পৰা ১৩ জুলাই লৈকে অনুষ্ঠিত হোৱা উৎসৱত শিল্পী সকলে শাস্ত্ৰীয় নৃত্য, অৰ্ধ শাস্ত্ৰীয় নৃত্য, লোক নৃত্য আধুনিক নৃত্য আদি বহুকেইটা নৃত্য বিভাগত অংশগ্ৰহণ কৰি পুৰস্কাৰ পোৱাৰ লগতে পূবাশা দেৱানে সত্ৰীয়া নৃত্যত প্ৰথম স্থান, মেমৰা দাসে অৰ্ধ শাস্ত্ৰীয় নৃত্যত প্ৰথম স্থান, ভাগ্যশ্ৰী ডেকাই লোক নৃত্যত প্ৰথম স্থান, ৰহি চৌধুৰী আৰু পল্লবী ৰাভাই আধুনিক নৃত্যত প্ৰথম স্থান, অংকিতা কলিতা আৰু পাৰ্থপ্ৰতীম কলিতাই "নৃত্যশ্ৰী" সন্মান দিয়াৰ লগতে গুৰু অন্তৰীপ দাস আৰু ৰিমলি দালৈ গুৰুগৰিমা সন্মান প্ৰদান কৰা হয় উক্ত উৎসৱত।

# ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ প্ৰতিষ্ঠানত নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিৰ প্ৰশিক্ষণ আৰম্ভ

**অসম বাৰ্তা, জাঁজী, ৬ আগষ্ট ঃ** অসমত পঞ্চায়ত সমূহ নতুনকৈ গঠন হোৱাৰ পাছত নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। শিৱসাগৰ জিলাৰ জয়সাগৰস্থিত গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ প্ৰতিষ্ঠানত যোৱা 22 জুলাইৰ পৰা আৰম্ভ হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ চাৰিখনকৈ পঞ্চায়তৰ উপ সভাপতি আৰু ৱাৰ্ড সদস্যক একত্ৰিত কৰি পাঁচদিনকৈ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ইতিমধ্যে আঠখন পঞ্চায়তৰ প্ৰশিক্ষণ সফলতাৰে সম্পন্ন হৈছে। এই প্ৰশিক্ষণ কাৰ্যসূচীত ভাৰতীয় গণতন্ত্ৰৰ সংজ্ঞা, ভাৰতৰ পঞ্চায়তীৰাজ ব্যৱস্থা, অসম পঞ্চায়ত আইন, গাঁওসভা, পঞ্চায়তৰ নিজস্ব ৰাজহৰ উৎস, বাৰ্ষিক আয়-ব্যয়ৰ খচৰা, এম জি এনৰেগা, পঞ্চায়ত সমূহত প্ৰয়োগ কৰা বিভিন্ন মিছন আৰু যোজনা, বহনক্ষম উন্নয়নৰ লক্ষ্য, সামাজিক অনুষ্ঠানসমূহ পৰিচালনাত পঞ্চায়তৰ ভূমিকা, পঞ্চায়ত অগ্ৰগতি সূচাংক, উন্নয়নৰ বিভিন্ন পৰিকল্পনা, পঞ্চায়তত নেতৃত্বৰ বিকাশ আৰু তিনিওটা স্তৰৰ মাজত সম্পৰ্ক, পঞ্চায়তৰ বিভিন্ন আইন আদি বহু বিষয়ৰ ওপৰত প্ৰতিনিধি সকলক প্ৰশিক্ষণ দিয়া হৈছে। প্ৰতিষ্ঠানটোৰ জয়সাগৰ সম্প্ৰসাৰণ কেন্দ্ৰৰ অধ্যক্ষ প্ৰণৱ বড়াৰ পৰিচালনা আৰু পৰিকল্পনাত বিষয়া প্ৰমোদ বুঢ়াগোহাঁই, ফেকাল্টি সদস্য অনামিকা দাস, ডাঃ ডেনিচ গগৈ, ড০ প্ৰতিভা মহন আৰু দীপজ্যোতি মহন্তৰ তত্ত্বাৱধানত কেইবাজনো প্ৰশিক্ষণপ্ৰাপ্ত জিলা সমল ব্যক্তিয়ে এই প্ৰশিক্ষণ প্ৰদান কৰিছে। আজি পুনৰ আৰম্ভ হোৱা নতুনকৈ চাৰিখনকৈ পঞ্চায়তৰ প্ৰতিনিধিৰ প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে থাউৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে। আৰম্ভণিতে বিধায়কজনক প্ৰতিষ্ঠানটোৰ তৰফৰ পৰা উষ্ম আদৰণী জনোৱা হয়। গোঁহাই পুখুৰী, শুকান পুখুৰী, থাউৰা দ'ল আৰু চ'ৰগুৱা পঞ্চায়তৰ প্ৰতিনিধিসকলৰ আগত বিধায়কজনে এখন সুস্থ, সবল, শৃংখলাবদ্ধ আৰু আদৰ্শ পঞ্চায়ত গঢ় দিবলৈ হ'লে নিজকে সুপ্ৰশিক্ষিত কৰি সমাজৰ কাম কৰিবলৈ আহ্বান জনায়। জানিব পৰা মতে সোনকালেই চৰাইদেউ জিলাটো এনে প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হ'ব।



## লক্ষ্য আৰু উদ্দেশ্যবিহীন জীৱন অৰ্থহীন ঃ বিচিপিএলৰ পৰিচালন সঞ্চালক প্ৰাঞ্জল চাংমাই

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত নৱাগত আদৰণি সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ আগষ্ট ঃ** 'লক্ষ্য আৰু উদ্দেশ্যবিহীন জীৱন অৰ্থহীন।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি বি চি পি এলৰ পৰিচালন সঞ্চালক প্ৰাঞ্জল চাংমায়ে এইদৰেকয়। তেওঁ কয়— সকলোৰে জীৱনত এটা লক্ষ্য থকাতো প্ৰয়োজনীয়। লক্ষ্য আৰু উদ্দেশ্যবিহীন জীৱন এটা সঠিক পথেৰে পৰিচালনা কৰাতো কঠিন। মুখ্যদ্বাৰৰ পৰা আৰতি কৰি গায়ন-বায়ন, এন চি চিৰ কেডেটে উষ্ম আদৰণী জনায়। সভখনিত চাংমায়ে কয়- একাগ্ৰতা আৰু অধ্যৱসায়ৰ বলেৰেহে জীৱনৰ প্ৰকৃত লক্ষ্যত উপনীত হ'ব পাৰি। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত সমৱেত সংগীতেৰে শুভাৰম্ভ হোৱা সভাখনিত তেওঁ ছাত্ৰ- ছাত্ৰীসকলক উদ্দেশ্যি কয় তোমালোকে পিতৃ-মাতৃৰ যি সপোন আৰু আশা কঢ়িয়াই এই মহাবিদ্যালয়ত পদাৰ্পন কৰিছা সেই সপোন পূৰণ কৰিবলৈ শিক্ষাগুৰুসকলে দেখুওৱা পথেৰে আগবাঢ়িবলৈ যত্ন কৰিবা। তেওঁ ছাত্ৰ জীৱনৰ স্মৃতি ৰোমন্থন কৰে আৰু নিজেই এইখন মহাবিদ্যালয়ৰ প্ৰাক্তনছাত্ৰ হোৱাৰ বাবে গৌৰৱবোধ কৰে। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড0 গোপাল হাজৰিকাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কয়- - সময়ক মূল্য দিলে অজয়ক জয় কৰিব পাৰি। মহাবিদ্যালয়ৰ ছাত্ৰ গৌৰৱ চুতীয়া, কল্পজ্যোতি নেওগ, ৰাহুল শৰ্মা, ছাত্ৰী জ্যোতিষা মহন্তই আঁত ধৰা অনুষ্ঠানটিত ড0 হাজাৰিকাই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় -পৃথিৱীত নিজকে শক্তিশালী ব্যক্তি ৰূপে গঢ় দিবলৈ হ'লে সদায় নিজৰ ভুল স্বীকাৰ কৰিবলাগিব আৰু সদায় সত্য বচন ক'ব লাগিব। তেওঁ কয় যি সময়ক মূল্য দিব পাৰে তেওঁৰেই জীৱনত কৃতকাৰ্যতা লাভ কৰে। সময়ক মূল্য প্ৰদান কৰাৰ বাবেই কানৈ মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষই মহাবিদ্যালয়খনক উন্নতিৰ শিখৰত উপনীত কৰাবলৈ সক্ষম হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে। মংগলাচৰণ আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সভাখনিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি নৱাগত ছাত্ৰ-ছাত্ৰীসকলক সময়ক অধিক গুৰুত্ব দি জীৱনত সফলতা লাভ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানটিত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীণ ফুকনে কয় সময়ে মুকলি কৰি দিয়া সুযোগ গ্ৰহণ কৰি নিজৰ জীৱনত বাট বুলিব লাগিব। ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক চন্দন দত্তই উদ্দেশ্য ব্যাখ্যাকৰা অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, দাতা সদস্য জ্যোতি প্ৰসাদ কানৈ, ডিএইচ এছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈ, বি চি পি এলৰজন সম্পৰ্কৰক্ষী বিষয়া (মানৱ সম্পদ) জয়ন্ত বৰুৱা, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱাই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সাৱলীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত এক বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হয়।

## ৰাষ্ট্ৰীয় পৰ্যায়ত চেলেংহাটৰ অভিজ্ঞান বড়া

# ৪২ সংখ্যক ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত ৰূপৰ পদক অৰ্জন



**অসম বাৰ্তা, আমগুৰি, ৬ আগষ্ট ঃ** গুৱাহাটী মহানগৰীৰ বৰ্ষাপাৰা চাউথ পইণ্ট স্কুলত ২৯ জুলাইৰ পৰা ১ আগষ্টলৈ অনুষ্ঠিত ৪২তম ৰাষ্ট্ৰীয় পাঞ্জা চেম্পিয়নশ্বিপত যোৰহাট জিলাৰ চেলেংহাট পদুমণিৰ অভিজ্ঞান বড়াই অসম দলক প্ৰতিনিধিত্ব কৰি ৫৫ কেজি শাখাত ৰূপৰ পদক অৰ্জন কৰিছে। সদ্য সমাপ্ত নেশ্যনেল আৰ্ম ৰেছলিং চেম্পিয়নশ্বিপত সোঁ হাতৰ ছিনিয়ৰ শাখাত অংশগ্ৰহণ কৰা অভিজ্ঞানে ইতিমধ্যে দুয়োখন হাতেৰে সমানে পাঞ্জা খেলিব পৰা দক্ষতা অৰ্জন কৰিছে। অৰূপ বড়া আৰু পৰশমনী বড়াৰ জেষ্ঠ সন্তান অভিজ্ঞানে আমগুৰিৰ পূৰ্বাঞ্চল জীমত নিয়মীয়া প্ৰশিক্ষণাৰ্থী হিচাপে প্ৰশিক্ষণ গ্ৰহণ কৰি শিৱসাগৰ জিলাৰ হৈ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসম দলক প্ৰতিনিধিত্ব কৰে। উল্লেখ্য যে উক্ত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত অসমে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। পাঞ্জা উপৰিও বিভিন্ন খেলৰ প্ৰতি ধাউতি ৰখা অভিজ্ঞানে ইতিমধ্যে ৰাজ্যিক পৰ্যায়ৰ টাইকোৱাণ্ডো খেলতো জিলাক প্ৰতিনিধিত্ব কৰিছে। আমগুৰিৰ ডনবস্ক' স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ অভিজ্ঞানৰ এই সফলতাই অঞ্চলবাসীলৈ সন্মান আৰু গৌৰৱৰ বতৰা বতৰা কঢ়িয়াই আনিছে।

# স্মাৰ্ট বজাৰত গো-মাংস উদ্ধাৰক লৈ উত্তপ্ত পৰিস্থিতি, বন্ধৰ দাবী সংগঠনৰ

**অসম বাৰ্তা, বঙাইগাঁও, ৬ আগষ্ট ঃ** বঙাইগাঁও চহৰৰ মাজমজিয়াত অৱস্থিত স্মাৰ্ট বজাৰত আজি পুৱা গো-মাংস উদ্ধাৰ হোৱাৰ পিছত পৰিস্থিতি অতি উত্তপ্ত হৈ পৰে। জানিব পৰা মতে, বজাৰত কৰ্মৰত এগৰাকী ষ্টাফে প্ৰায়ে গো-মাংস লৈ অহাৰ অভিযোগ থাকে, যাৰ বিৰোধিতা কৰি বাকী ষ্টাফসকলে আজি বজাৰত প্ৰতিবাদ কৰে। প্ৰতিবাদকাৰী সকলৰ দাবী অনুসৰি, জনসাধাৰণৰ মাজত দ্বন্দ্বযুবমূলক পৰিস্থিতি সৃষ্টি কৰিব পৰা এনে কাৰ্যক সহ্য কৰিব নোৱাৰি তেওঁলোকে আজিৰ পৰা স্মাৰ্ট বজাৰখনত কৰ্মবিৰতি ঘোষণা কৰিছে। সংগঠন কেইটাৰো ফালৰ পৰা আজি সংবাদমাধ্যমত স্মাৰ্ট বজাৰ সোনকালে বন্ধ কৰি তদন্ত আৰম্ভ কৰিবলৈ প্ৰশাসনক আহ্বান জনায়। উল্লেখযোগ্য যে, স্মাৰ্ট বজাৰ কৰ্তৃপক্ষ আৰু আৰক্ষী-প্ৰশাসনৰ ফালৰ পৰা এতিয়ালৈকে কোনো ধৰণৰ মন্তব্য বা পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। এই সন্দৰ্ভত স্থানীয় ৰাইজৰ মাজতো উৎকণ্ঠা আৰু অসন্তোষ পৰিলক্ষিত হৈছে। বিশ্লেষকসকলে কয়, আবেগিক আৰু ধৰ্মীয় ক্ষেত্ৰত স্পৰ্শকাতৰ বিষয়সমূহত সংযততা বজাই ৰখাটো অতি প্ৰয়োজনীয়। যদি সোনকালে বিষয়টোৰ সমাধান নহয়, তেন্তে বৃহৎ আকাৰৰ সামাজিক বিৰোধৰ সম্ভাৱনাও অস্বীকাৰ কৰিব নোৱাৰি।




# পুৰণিগুদাম ৰঙ্গালয়ৰ গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ সামৰণি

## কালি বাদক কলিৰাম বৰা-প্ৰবীণ শিল্পী মহীকান্ত কলিতাক সম্বৰ্ধনা

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ আগষ্ট ঃ** জন্মলগ্নৰে পৰা নিয়মীয়া নাট্যচৰ্চা কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত স্থান লাভ কৰিবলৈ সক্ষম হোৱা নগাঁও জিলাৰ পুৰণিগুদামৰ নাট্যদল ৰঙ্গালয়ে এইবেলি ৰূপালী জয়ন্তী বৰ্ষত উপনীত হৈছে। প্ৰায় পঞ্চাশৰো অধিক নাট প্ৰযোজনাৰে সমগ্ৰ দেশতে নাট্য প্ৰদৰ্শন কৰি সমাদৃত হোৱা এই নাট্যদলটোৱে শিশুসকলৰ বাবেও নিয়মীয়াকৈ নাট্যকৰ্ম কৰি আহিছে। বিভিন্ন সময়ত শিশু নাট কৰ্মশালাৰ আয়োজন কৰি শিশুসকলৰ দ্বাৰাই সুন্দৰ-সুন্দৰ শিশু নাট দৰ্শকক উপহাৰ দি আহিছে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসনৰ সহযোগত ৰঙ্গালয়ে যোৱা যোল্ল জুলাই পৰা ত্ৰিশ জুলাইলৈ এক পোন্ধৰ দিনীয়া নাট কৰ্মশালাৰ আয়োজন কৰিছিল। উল্লেখ্য যে, অসম চৰকাৰে বিধানসভা সমষ্টিৰ ভিত্তিত আয়োজন কৰা এই গ্ৰীষ্মকালীন কৰ্মশালা ৰঙ্গালয়ে বঢ়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মাচাৰী সত্ৰৰ শিৱ মন্দিৰ প্ৰাংগণত আয়োজন কৰিছিল। উক্ত কৰ্মশালাত অঞ্চলটোৰ প্ৰায় যাঠিজন শিশোৱে অংশগ্ৰহণ কৰিছিল। নিষ্ঠাবান নাট্যকৰ্মী মৃণাল কুমাৰ বৰাৰ নেতৃত্বত নাট্যকলাৰ বিভিন্ন বিষয়ত পাঠদান কৰিছিল আদিত্য কুমাৰ বৰা, বিশ্বজ্যোতি বৰা, প্ৰণামী বৈৰাগী, পৰশমণি মহন্ত আৰু প্ৰহেলিকা বৰাই। যোৱা একত্ৰিশ জুলাইৰ পুৱা দহ বজাত কৰ্মশালাৰ সামৰণি অনুষ্ঠানটো বন্তি প্ৰজ্জ্বলন কৰি শুভাৰম্ভ কৰে গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ বঢ়মপুৰ বিধানসভা সমষ্টিৰ পৰিচালনা সমিতিৰ সভাপতি পাৰুল গায়নে। উক্ত অনুষ্ঠানত ৰঙ্গালয়ৰ তৰফৰ পৰা লোকশিল্পী কালি বাদক কলিৰাম বৰা আৰু প্ৰবীণ শিল্পী মহীকান্ত কলিতাক সম্বৰ্ধনা জনোৱা হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ নগাঁও সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া নম্ৰতা বৰা সামৰণি অনুষ্ঠানত উপস্থিত থাকে। কৰ্মশালাৰ প্ৰশিক্ষণ গ্ৰহণ কৰা যাঠি গৰাকী প্ৰশিক্ষাৰ্থীয়ে সাতখনকৈ চুটি নাটক প্ৰদৰ্শন কৰি দৰ্শকসকলক আপ্লুত কৰে। নাটককেইখন হ'ল পৰীক্ষা, তেজীমলা, বুঢ়া-বুঢ়ী আৰু শিয়াল, গাঁৱৰ খেতি-বাতি, শিলৰ চোলা, ৰজা আৰু ভাঁটৌ চৰাই আৰু চম্পাৱতী। উক্ত নাটককেইখন শিশুসকলে নিজে ৰচনা কৰি নিজেই পৰিচালনা কৰিছিল। প্ৰশিক্ষকসকলে মাত্ৰ সহায়হে কৰিছিল। শিশুসকলৰ দক্ষতা প্ৰকাশ কৰিবলৈ এয়া কৰ্মশালাৰ এক বিশেষ উদ্দেশ্য আছিল বুলি প্ৰশিক্ষকে জানিবলৈ দিয়ে। অনুষ্ঠানৰ শেষত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰি নম্ৰতা বৰাই কয় যে, এই কৰ্মশালাই শিশুসকলক একো একোজন সংস্কৃতিবান মনৰ মানুহ ৰূপে গঢ় দিব। কৰ্মশালাৰ কেইজনমান প্ৰশিক্ষাৰ্থীয়ে এই কৰ্মশালা আয়োজন কৰা বাবে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু নগাঁও জিলা প্ৰশাসনৰ লগতে আয়োজক গোষ্ঠী ৰঙ্গালয়ক ধন্যবাদ জনায়।

# গোলাঘাট জিলা আন্তঃক্লাৱ কাৰাটে চেম্পিয়নশ্বিপত কাটা-কুমিটেত সফলতা অৰ্জন

**অসম বাৰ্তা, দেৰগাঁও, ৬ আগষ্ট ঃ** গোলাঘাট জোনাকী নগৰ পেক্ষাগৃত সদ্য অনুষ্ঠিত হৈ যোৱা 4th Golaghat District Inter Club Karate Championship-2025 (Official Game)ত দেৰগাঁও ষ্টাৰ স্পৰ্টছ মাৰ্চিয়েল আৰ্টছ একাডেমিৰ মুখ্য প্ৰশিক্ষক-ৰঞ্জিত বিষ্ণু বৰাৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা ৪০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে চাৱজুনিয়ৰ, কেডেট, জুনিয়ৰ, চিনিয়ৰৰ ল'ৰা-ছোৱালী উভয় শাখাৰ কাটা-কুমিটে বিভাগত অংশগ্ৰহণ কৰি, ২৬টা গ'ল্ড, ২০চিলভাৰ, ১৩ব্ৰঞ্জ সৰ্বমুঠ ৫৯টি মেডেল লাভকৰি বিশেষ সফলতা অৰ্জনেৰে একাডেমিৰ লগতে দেৰগাঁও ক্ৰীড়া ক্ষেত্ৰখনৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়। ইয়াৰে গ'ল্ড-চিলভাৰ পদক প্ৰাপ্তি ৩৪ গৰাকী বিজয়ী প্ৰতিযোগীয়ে আগন্তুক Inter District Championship (Official Game)ত গোলাঘাট জিলা দলৰ হৈ অংশগ্ৰহণ কৰিবলৈ যোগ্যতা অৰ্জন কৰে। পদক প্ৰাপ্তি সকল হ'ল- আয়ুস জ্যোতি হাজৰিকা কাটা-গ'ল্ড, কুমিটে-চিলভাৰ, প্ৰিয়াংক্ষী দত্ত কাটা-গ'ল্ড, কুমিটে-গ'ল্ড, শুভাষীনি দাস কাটা-চিলভাৰ, কুমিটে-চিলভাৰ, আংফিউ গগৈ কাটা-গ'ল্ড, কুমিটে-চিলভাৰ, শ্বায়েৰা চেত্ৰী কাটা-গ'ল্ড, কুমিটে-ব্ৰঞ্জ, জাগৃত প্ৰতিম বৰা কুমিটে-ব্ৰঞ্জ, হৃশিকেষ বি শইকীয়া কুমিটে-চিলভাৰ, স্বাৰাঙ্গী বৰ্মন কাটা-চিলভাৰ, কুমিটে-ব্ৰঞ্জ, ঝাৰা আহমেদ কুমিটে-গ'ল্ড, জ্যোতি ৰয় কুমিটে-চিলভাৰ, বৰ্ণীল দাস কুমিটে-গ'ল্ড, আদ্ৰিত দে কুমিটে-ব্ৰঞ্জ, প্ৰিয়াংকুশ ৰঞ্জন দাস কাটা-চিলভাৰ, কুমিটে-ব্ৰঞ্জ, অংকিত বৰুৱা কুমিটে-চিলভাৰ, প্ৰিঞ্চ ৰাজ দাস কুমিটে-চিলভাৰ, ভৈৰৱী ৰ'জী বৰা কুমিটে-গ'ল্ড, কাটা-গ'ল্ড, নৱাৰুণা পাঠক কুমিটে-গ'ল্ড, কাটা-ব্ৰঞ্জ, আয়ুশ্ৰী বড়া কাটা-গ'ল্ড, কুমিটে-গ'ল্ড, অংকিতা হাজৰিকা কাটা-চিলভাৰ, কুমিটে-গ'ল্ড, ভাৰ্গৱ বিষ্ণু বৰা কাটা-গ'ল্ড, কুমিটে-গ'ল্ড, প্ৰণৱজ্যোতি পাচুং কাটা-ব্ৰঞ্জ, কুমিটে-গ'ল্ড, অভিজিৎ দত্ত কুমিটে-ব্ৰঞ্জ, কৰবী ৰায় কুমিটে-চিলভাৰ, দীপা ৰয় কুমিটে-চিলভাৰ, কাব্যশ্ৰী হাজৰিকা কুমিটে-ব্ৰঞ্জ, প্ৰত্যাশা ডেকা কুমিটে-গ'ল্ড, কুনাল নাথ কাটা-চিলভাৰ, প্ৰিঞ্চ বড়ো কাটা-ব্ৰঞ্জ, কুমিটে-গ'ল্ড, শুভাশীষ বৰা কুমিটে-ব্ৰঞ্জ, আইচেংফা গগৈ কাটা-চিলভাৰ, কুমিটে-গ'ল্ড, অপৰ্ণা বড়া কাটা-ব্ৰঞ্জ, কুমিটে-গ'ল্ড, সাথৰ্যী স্বৰগেঁয়াৰী কাটা-চিলভাৰ, কুমিটে-গ'ল্ড, মামন বৰা কুমিটে-চিলভাৰ, সুদৰ্শন হাজৰিকা কাটা-গ'ল্ড, কুমিটে-গ'ল্ড, প্ৰত্যুশ শইকীয়া কুমিটে-চিলভাৰ, ভৈৰৱ বিষ্ণু বৰা কাটা-গ'ল্ড, কুমিটে-গ'ল্ড, ডিয়াই বড়ো কুমিটে-গ'ল্ড, লীমা পাচুং কুমিটে-চিলভাৰ, মেনকা দলে কুমিটেত-চিলভাৰ। সমূহ বিজয়ী প্ৰশিক্ষাৰ্থীৰ সফলতাত একাডেমিৰ পৰিচালনা সমিতিৰ লগতে অভিভাৱক-অভিভাৱীকা উৎফুল্ল হৈ সকলোলৈকে উষ্ম অভিনন্দন সহ আগন্তুক প্ৰতিযোগিতালৈ শুভেচ্ছা-শুভাশীষ জ্ঞাপন কৰে।

# নগাঁৱৰ কচুৱাৰ বিৰিঙাআটিত ড্ৰাগছসহ আটক মহিলা

**অসম বাৰ্তা, কচুৱা, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ কচুৱা থানাৰ অন্তৰ্গত বিৰিঙাআটি গাঁৱত কচুৱা আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান চলাই। জানিব পৰা মতে এক গোপন সূত্ৰৰ ভিত্তিত কচুৱা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল বৰাৰ নেতৃত্বত অভিযান চলাই এগৰাকী মহিলা ড্ৰাগছ সৰবৰাহ কাৰীক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী মহিলা গৰাকীৰ নাম প্ৰৱতী বিশ্বাস বুলি জানিব পৰা গৈছে। মহিলা গৰাকীৰ ঘৰৰ পৰা ৮০টা প্লাষ্টিক কণ্টেনাৰৰ পৰা ৯.৫৭ গ্ৰাম সন্দেহযুক্ত হি'ৰোইন জব্দ কৰে। ধৃত মহিলা গৰাকীক আটক কৰি তদন্ত অব্যাহত ৰাখিছে কচুৱা আৰক্ষীয়ে।

# গৰৈমাৰীৰ এফ এ আহমেদ কলেজৰ প্ৰতিষ্ঠা দিৱসৰ সামৰণি

**অসম বাৰ্তা, গৰৈমাৰী, ৬ আগষ্ট ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত মহাবিদ্যালয়ৰ ৪১সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আজি সফল সামৰণি পৰে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আব্দুল আৱাল চাহাবে। ইয়াৰ পিচত সমাজ সেৱা, গছপুলি ৰোপণ কৰা হ'য়। সৰ্বধৰ্ম প্ৰাৰ্থনাৰ অন্তত কুইজ প্ৰতিযোগিতা, আই কিউ এ চিৰ কো অৰ্ডিনেটৰ তথা মহাবিদ্যালয়ৰ অধ্যাপক ড০ শ্বেখ মজিবৰ ৰহমানৰ পৰিচালনাত 'গৱেষণা পত্ৰ প্ৰস্তুতকৰণ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। আজি গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নুৰুল ইছলামৰ সঞ্চালনাত মুকলি সভা অনুষ্ঠিত হয়। সভাত বিশিষ্ট অতিথি হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ Dean of Academic Affair ড০ ৰাজা আৰ হক, সন্মানীয় অতিথি হিচাপে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ডাঃ ফজলুল হক চৌধুৰী, গৰৈমাৰী আঞ্চলিক ছোৱালী হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক দোস্ত হাবিবুৰ ৰহমান, অৱসৰী শিক্ষক ক্ৰমে—ভাষাণ আলী, আব্দুছ ছামাদ, আব্দুল খালেক, গৰৈমাৰী জিলা পৰিষদৰ প্ৰাক্তন সদস্য ছামচুল হক, মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহৰ সম্পাদক আব্দুল মাতিন খান, জি কে এছ প্ৰেছ ক্লাবৰ সভাপতি আব্দুৰ ৰহিম, সম্পাদক আজিজুৰ ৰহমান চৌধুৰী, সমাজকৰ্মী ছামচুল হক, টুক্ৰাপাৰা গাঁও পঞ্চায়তৰ সভাপতি ফজলুৰ ৰহমান উপস্থিত থকাৰ উপৰি বিভিন্ন বিদ্যালয়ৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী তথা ভালেসংখ্যক সমাজ সচেতন ব্যক্তি, মহাবিদ্যালয়ৰ অধ্যাপক তথা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ইপিনে মুকলি সভাত ২০২৩-'২৪ বৰ্ষত মহাবিদ্যালয়ৰ 'নাক' মূল্যায়নত 'বি' গ্ৰেড লাভ কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা ব্যক্তিও সংগঠনকসকলক একোখনকৈ প্ৰশংসা পত্ৰ প্ৰদান কৰাৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজন কৰা কুইজ প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰি উৎসাহিত কৰা হয়।

# মাজুলীৰ তিনিখন গাঁও পঞ্চায়ত প্ৰতিনিধিৰ কাৰ্যভাৰ গ্ৰহণ-গৃহ প্ৰৱেশ



**অসম বাৰ্তা, উজনী মাজুলী, ৬আগষ্ট ঃ** উজনি মাজুলী গাঁও পঞ্চায়তৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও পঞ্চায়ত ৰতনপুৰ গায়ন গাঁও পঞ্চায়ত আৰু মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত বনগাঁও আৰু ৰাৱনাপাৰ গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত প্ৰতিনিধিসকলে আজি আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে। মাজুলীৰ স্থানীয় বিধায়ক ভুৱন গামৰ উপস্থিতিত মাংগলিক কাৰ্যসূচীৰে গাঁও পঞ্চায়ত কাৰ্যালয়ত প্ৰৱেশ কৰি প্ৰথমে ৰতনপুৰ গায়ন গাঁও পঞ্চায়তৰ সভাপতিয়ে গৃহ প্ৰৱেশৰ ফিতা কাটি পঞ্চায়ত কাৰ্যালয়ত প্ৰৱেশ কৰে। গৃহ প্ৰৱেশ তথা কাৰ্যভাৰ গ্ৰহণৰ লগত সংগতি ৰাখি নৱজ্যোতি কৃষ্টি সংঘত এখন মুকলি সভা অনুষ্ঠিত হয়। বিজেপি নেতা নিতুল নাথে আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মাজুলীৰ স্থানীয় বিধায়ক ভুৱন গামে কয়- মাজুলীৰ বিভিন্ন জ্বলন্ত সমস্যাৰ সমাধান বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে বৃহৎ বৃহৎ প্ৰকল্প ৰূপায়ণ কৰিছে। বান খুড়াখহনীয়া ৰোধ কৰাৰ বাবে মথাউৰি সৱলীকৰণ, চেলেক- ধুনাগুৰি দলং নিৰ্মাণ, যোৰহাট মাজুলী সংযোগী দলংৰ লগতে বিভিন্ন প্ৰকল্পৰ কথা সদৰী কৰি কয় যে বৰ্তমানে নিৰ্মাণ স্থবিৰ হৈ থকা যোৰহাট-মাজুলী সংযোগী দলংখনৰ নিৰ্মাণ তৰান্বিত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰাৰ পিছত এই দলং নিবেদা দিয়াৰ কাম চলি আছে আৰু অতি সোনকালে ইয়াৰ নিৰ্মাণ কাৰ্য পুনৰ আৰম্ভ হ'ব। ইয়াৰ পিছত পূব মাজুলীৰ বনগাঁও আৰু ৰাৱনাপাৰ গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলে আজি আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন